অধ্যায় ৮ ঃ লর্ড কার্জনৰ শিক্ষা নীতি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ চিমলা শিক্ষা সম্মিলন

৮.৪ প্ৰাথমিক শিক্ষা নীতি

৮.৪.১ লর্ড কার্জনৰ প্ৰাথমিক শিক্ষা নীতিৰ মূল্যায়ন

৮.৫ মাধ্যমিক শিক্ষা নীতি

৮.৫.১ লর্ড কার্জনৰ মাধ্যমিক শিক্ষা নীতিৰ মূল্যায়ন

৮.৬ বিশ্ববিদ্যালয় শিক্ষা নীতি

৮.৬.১ ভাৰতীয় বিশ্ববিদ্যালয় আইন ১৯০৪

৮.৬.২ কার্জনৰ বিশ্ববিদ্যালয় শিক্ষা নীতিৰ মূল্যায়ন

৮.৭ কার্জনৰ অন্যান্য শৈক্ষিক সংস্কাৰসমূহ

৮.৮ কার্জনৰ ভাৰতীয় শিক্ষালৈ অৱদান

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্ৰগতিৰ খতিয়ান

৮.১২ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ১৯০১ চনৰ চিমলা শিক্ষা সম্মিলনৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।
- লর্ড কার্জনৰ প্ৰাথমিক শিক্ষা নীতিৰ মূল্যায়ন কৰিব পাৰিব।
- মাধ্যমিক শিক্ষানীতি বৰ্ণনা কৰাৰ লগতে ইয়াৰ প্ৰভাৱ সমূহ মূল্যায়ন কৰিব পাৰিব।
- উচ্চ শিক্ষা নীতিৰ বৰ্ণনা আৰু উচ্চ শিক্ষাত ইয়াৰ প্ৰভাৱ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।
- আন্যান্য শৈক্ষিক সংস্কাৰসমূহ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰলৈ লর্ড কার্জনে আগবঢ়োৱা অৱদানসমূহ পৰীক্ষা কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টোত আমি লর্ড কার্জনৰ শিক্ষানীতি সম্বন্ধে আলোচনা কৰিম। ভাৰতৰ ইতিহাসৰ এটা জটিল সময়ত তেওঁ ভাৰতলৈ আহিছিল। কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতবৰ্ষত

মহামাৰীয়ে কাল ৰূপ ধাৰণ কৰিছিল। লগতে প্লেগ বেমাৰে আগুৰি ধৰিছিল আৰু সামাজিক জীৱন বিপন্ন হৈছিল। সেই সময়ৰ প্ৰাথমিক শিক্ষাৰ অৱস্থা বেয়া আছিল। কিন্তু ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ স্থাপন হোৱাৰ পিছত শিক্ষাৰ ক্ষেত্ৰখনত জাতীয়তাবোধৰ সূত্ৰপাত হৈছিল। দেশৰ জনগণই এটা জাতীয় শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল যিটোৱে জাতীয় চৰিত্ৰৰ প্ৰতিনিধিত্ব কৰিব পাৰে। বাল গংগাধৰ তিলক, এনি বেচেন্ট, চিত্ৰৰঞ্জন দাস, দাদা ভাই নৌৰজি, গোপালকৃষ্ণ গোখলে আদিৰ দৰে বহুবোৰ জাতীয় নেতাই জাতীয়তাবোধৰ বিকাশত সহায় কৰিছিল। লর্ড কার্জন ১৮৯৯ চনত ভাইচৰয় হিচাপে ভাৰতলৈ আহে। কার্জনৰ ৰাজত্বকালত ভাৰতবর্ষৰ বিভিন্ন পর্যায়ৰ শিক্ষা ব্যৱস্থাৰ বিকাশৰ বাবে পদক্ষেপ লোৱা দেখিবলৈ পোৱা যায়। এই অধ্যায়টোৱে শিক্ষাৰ বিভিন্ন পর্যায়ত লর্ড কার্জনে লোৱা নীতিসমূহ আৰু আমাৰ দেশৰ শিক্ষাৰ বিকাশত এই নীতি সমূহে কেনে ধৰণেৰে প্ৰভাৱ পেলাইছে সেই আলোচনাও সামৰি লৈছে।

৮.৩ চিমলা শিক্ষা সম্মিলন

লর্ড কার্জনে ১৯০১ চনৰ চেপ্তেম্বৰ মাহত চিমলাত এখন শিক্ষা সম্মিলন আহ্বান কৰে। ইয়ালৈ ৰাজ্যিক শিক্ষাধিকাৰসকলৰ লগতে কেইগৰাকীমান নির্বাচিত শিক্ষাবিদ আৰু খৃষ্টিয়ান মিছনেৰীসকলকো আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু ভাৰতীয় লোকক ইয়াৰপৰা বিৰত ৰখা হৈছিল। এই সম্মিলন ১৫ দিন ধৰি চলিছিল। লর্ড কার্জনে ইয়াৰ অধ্যক্ষতা কৰিছিল। প্ৰাথমিক শিক্ষাৰপৰা উচ্চ শিক্ষালৈকে সকলো পর্যায়ৰ শিক্ষাৰ বিষয়ে কার্জনে তেওঁৰ মনোভাব ব্যক্ত কৰিছিল। চৰকাৰী বিষয়াসকলৰ লগত আলোচনা কৰি প্ৰয়োজনীয় নীতি নির্দ্ধাৰণ কৰা হৈছিল। এই শিক্ষা সম্মিলনত নির্দ্ধাৰণ কৰা শিক্ষাৰ নীতিসমূহ আছিল তলত দিয়া ধৰণৰ —

- চৰকাৰে শিক্ষাৰ সকলো দিশতে নির্দেশনা আৰু নিয়ন্ত্ৰণ নীতি অব্যাহত ৰাখিব।
- সর্বসাধাৰণৰ বাবে প্ৰয়োজন মতে শিক্ষানুষ্ঠান স্থাপন কৰি তোলা হ'ব, যি ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ বাবে আদর্শস্বৰূপ হৈ উঠিব পাৰে।
- শিক্ষাৰ বাবে চৰকাৰে অধিক ধন ব্যয় কৰিব।

সম্মিলনত শিক্ষা বিষয়ৰ ওপৰত বহুতো প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু ইয়াৰ অধিকাংশই গৃহীত হয়। সম্মিলনৰ সকলোবোৰ কার্যসূচী প্ৰকাশ কৰা হোৱা নাছিল। এই সম্মিলনৰ ক্ৰিয়া-কলাপসমূহ সেয়েহে ভাৰতীয়সকলৰ শিক্ষাৰ দিশত এক ষড়যন্ত্ৰস্বৰূপে বিবেচনা কৰা হয়। ইয়াত গৃহীত প্ৰস্তাৱসমূহ ৰাজ্য চৰকাৰ আৰু অন্যান্য কর্তৃপক্ষলৈ মতামতৰ বাবে প্ৰেৰণ কৰা হয়।

ইয়াৰ ওপৰত ভিত্তি কৰিয়েই লর্ড কার্জনে ১৯০৪ চনৰ ১১ মার্চত চৰকাৰৰ প্ৰস্তাৱ আকাৰে শিক্ষা নীতি ঘোষণা কৰে।

৮.৪ প্ৰাথমিক শিক্ষা নীতি

কাৰ্জনে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ সংখ্যাত্মক আৰু গুণাত্মক দিশৰ নিম্নমান বিশিষ্টতাৰ বিষয়ে ভালদৰে জানিছিল। প্ৰাথমিক শিক্ষাৰ দূৰৱস্থাৰ প্ৰধান কাৰণ যে অৰ্থৰ অভাৱ সেই কথাও কাৰ্জনে অনুভৱ কৰিছিল। তেওঁ বুজিছিল যে দেশৰ সৰ্বসাধাৰণ লোক নিৰক্ষৰ হৈ থাকিলে দেশ ভালদৰে পৰিচালনা কৰিব পৰা নাযায়। জনগণৰ নিৰক্ষৰতাই কৃষি, বাণিজ্য আৰু অৰ্থনৈতিক দিশতো ক্ষতি সাধন কৰিব পাৰে। কাৰ্জনে এই কথাও উপলব্ধি কৰিছিল যে দেশৰ উচ্চ শিক্ষাৰ স্বাৰ্থত প্ৰাথমিক শিক্ষাক চৰকাৰে অবহেলা কৰি আহিছে। সেয়ে তেওঁ প্ৰাথমিক শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰে আৰু ইয়াৰ গুণগত মানদণ্ড আৰু সম্প্ৰসাৰণ দুয়োটা দিশতে বিকাশৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। কাৰ্জনে প্ৰাথমিক শিক্ষাৰ দিশত লোৱা ব্যৱস্থা সম্বন্ধে তলত উল্লেখ কৰা হ'ল—

- **উদাৰ অনুদান ব্যৱস্থা ঃ** প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা অৰ্থৰ অভাৱ গুচাবৰ বাবে তেওঁ এক উদাৰ অৰ্থ সাহাৰ্য ব্যৱস্থা গ্ৰহণ কৰে। প্লেগ আৰু দুৰ্ভিক্ষৰ সন্মুখীন হ'বৰ বাবে এককালীনভাৱে বিশেষ অৰ্থ সাহাৰ্য আগবঢ়ায়। তেওঁ মিউনিচিপেলিটি আৰু লোকেল ব'ৰ্ডবোৰক শিক্ষাৰ বাবে পৌনঃপুনিক অৰ্থ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰে। তেওঁ চৰকাৰী অৰ্থ সাহাৰ্য্যৰ পৰিমাণ মুঠ খৰচৰ এক-তৃতীয়াংশৰ পৰা মুঠ খৰচৰ অৰ্দ্ধাংশলৈ বৃদ্ধি কৰিলে। এনে অৰ্থ সাহাৰ্য্য ব্যৱস্থাই বিদ্যালয়ৰ সংখ্যা আৰু ছাত্ৰৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধি কৰিলে।
- **ফলাফলৰ ভিত্তিত অনুদান ব্যৱস্থাৰ পৰিহাৰ ঃ** ১৮৮২ চনৰ হাণ্টাৰ আয়োগে প্ৰাথমিক শিক্ষাৰ অৰ্থ সাহায্য দানৰ বাবে ফলাফলৰ ভিত্তিত অনুদান ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়ে। এই প্ৰথা গ্ৰহণ কৰাৰ ফলত ভাল ফলাফল দেখুৱাব নোৱাৰা নিম্ন মানৰ প্ৰাথমিক বিদ্যালয়সমূহ বিশেষকৈ ব্যক্তিগত উদ্যোগত পৰিচালিত বিদ্যালয়সমূহ অধিকভাৱে ক্ষতিগ্ৰস্ত হয়। লৰ্ড কাৰ্জনে এই অনুদান প্ৰথা তুলি দি এক উদাৰ অৰ্থ সাহায্যৰ ব্যৱস্থা গ্ৰহণ কৰে।
- **শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থা ঃ** কাৰ্জনে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ ওপৰত অধিক জোৰ দিছিল আৰু শিক্ষকৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিছিল। তেওঁ নিৰ্দেশ দিছিল যে শিক্ষকৰ প্ৰশিক্ষণ কাল দুবছৰৰ কম হ'ব নালাগে। শিক্ষক প্ৰশিক্ষণৰ দিশত তেওঁৰ এক নতুন অৱদান হৈছে কৃষি বিষয়ত শিক্ষকসকলক প্ৰশিক্ষণৰ নিৰ্দেশ দিয়াটো। গ্ৰাম্য কৃষিপ্ৰধান অঞ্চলৰ শিক্ষকসকলক এনে প্ৰশিক্ষণ দিয়াৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল।
- **শিক্ষকৰ দৰমহা বৃদ্ধি ঃ** কাৰ্জনে শিক্ষকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ অৰ্থে সকলো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ দৰমহা পুনৰ বিবেচনা কৰিবলৈ বিচাৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে দেশৰ বিভিন্ন অঞ্চলত প্ৰাথমিক শিক্ষকৰ দৰমহা নিম্ন মানৰ আৰু ঠায়ে ঠায়ে ভিন্নতাও আছিল। এই বৈষম্য আতৰাই তেওঁ সকলো অঞ্চলৰ

শিক্ষকৰ দৰমহা সম হাৰৰ কৰিব বিচাৰিছিল। তেওঁৰ কার্যকাল চুটি হোৱাৰ বাবে শিক্ষকৰ দৰমহাৰ ক্ষেত্ৰত সাধিব খোজা সংস্কাৰ কার্য্যকৰী কৰিব পৰা নাছিল।

- **পাঠ্যক্ৰমৰ সংস্কাৰ ঃ** কার্জনে প্রাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম উন্নত কৰিব বিচাৰিছিল। তেওঁ পাঠ্যক্ৰমত লিখনমূলক, পঠনমূলক বিষয় আৰু গণিতৰ উপৰিও কিছুমান ব্যৱহাৰিক বিষয় অন্তর্ভূক্ত কৰিছিল। ভাৰত এখন কৃষিপ্রধান দেশ হোৱা হেতুকে কৃষিৰ দৰে প্রয়োজনীয় আৰু ব্যৱহাৰিক বিষয় এটা প্রাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তর্ভুক্ত কৰাৰ নির্দেশ দিছিল। ইয়াৰ উপৰিও পাঠ্যক্ৰমত ছাত্র-ছাত্রীৰ বাবে প্রয়োজনীয় শৰীৰ চর্চা বিষয় অন্তর্ভুক্ত কৰিছিল। কার্জনৰ মতে প্রাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰম স্থানীয় পৰিবেশৰ লগত খাপখোৱা বিধৰ হ'ব লাগে। তেওঁ নগৰ আৰু গাঁও অঞ্চলৰ ছাত্রৰ বাবে পাঠ্যক্ৰম পৃথক হোৱাটো বিচাৰিছিল।
- **উন্নত শিক্ষা পদ্ধতি ঃ** কার্জনে লক্ষ্য কৰিছিল ভাৰতৰ প্রাথমিক বিদ্যালয়ৰ শিক্ষাদান পদ্ধতি আওপুৱণি আৰু অবৈজ্ঞানিক বিধৰ। প্রাথমিক বিদ্যালয়ৰ পণ্ডিতসকলে মুখস্থ বিদ্যাৰ মাধ্যমেৰে যান্ত্রিক স্মৃতি প্রয়োগত অযথা গুৰুত্ব দিয়াৰ কথা তেওঁ ভাল নাপাইছিল। তেওঁ বিচাৰিছিল যে ছাত্রই নিজ যুক্তি আৰু পর্যবেক্ষণ ক্ষমতাৰ প্রয়োগ কৰক। কিণ্ডাৰগার্ডেনৰ দৰে উন্নত শিশু শিক্ষা পদ্ধতি প্রয়োগৰ বাবে তেওঁ পৰামর্শ দিছিল। যিবিলাক ঠাইত এইবিধ পদ্ধতিৰে শিক্ষা দিব পৰা উপযুক্ত শিক্ষক পোৱা যায় তাত এই পদ্ধতি প্রয়োগৰ নির্দেশ দিছিল।

৮.৪.১ লর্ড কার্জনৰ প্রাথমিক শিক্ষা নীতিৰ মূল্যায়ন

প্রাথমিক শিক্ষাৰ অৱস্থা উন্নত কৰিবলৈ লর্ড কার্জনে লোৱা পদক্ষেপসমূহ আৰু তেওঁ গ্রহণ কৰা শিক্ষা নীতিয়ে প্রাথমিক শিক্ষাত কিদৰে প্রভাবিত কৰিছিল সেই বিষয়ে এই বিভাগটোত পঢ়িবলৈ পাব। লগতে তেওঁৰ শিক্ষা নীতিয়ে ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ বিকাশত কিদৰে সহায় কৰিছে সেই বিষয়ে জানিব।

প্রকৃতার্থত ক'বলৈ গ'লে ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ ইতিহাসত লর্ড কার্জনৰ শিক্ষানীতিয়ে এটা নতুন যুগৰ সূচনা কৰিলে। অর্থৰ অভাৱত যে প্রাথমিক শিক্ষা নির্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত মূল বাধা সেই কথাটো তেওঁ উপলব্ধি কৰিছিল। কার্জনে প্রাথমিক শিক্ষা সম্প্রসাৰণৰ অর্থে চৰকাৰী কোষৰ পৰা মুক্তভাৱে অনুদান দিয়াৰ ব্যৱস্থা কৰিছিল। তেনে কৰাৰ ফলত প্রাথমিক বিদ্যালয়বোৰত শিক্ষার্থীৰ সংখ্যা যথেষ্টভাৱে বৃদ্ধি পাইছিল। শিক্ষানুষ্ঠানসমূহৰ অর্থনৈতিক দৈন্যতাৰ অৱস্থাটো নোহোৱা কৰাৰ বাবে কার্জনে বিজ্ঞানসন্মতভাৱে অনুদান ব্যৱস্থাটো সজাই তুলিছিল আৰু পূর্বৰ পৰা চলি থকা ফলাফলভিত্তিক অনুদান ব্যৱস্থাটো উঠাই দিছিল। ইয়াৰ ফলত ১৯০১-০২ চনত থকা প্রাথমিক বিদ্যালয়ৰ সংখ্যা ৯৩,৬০৪খনৰ পৰা ১৯১১-১২ চনত ১,১৮,২৬২ খনলৈ বৃদ্ধি হৈছিল মাত্র দহ বছৰৰ ভিতৰত।

লর্ড কার্জনে আমাৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাত চলি থকা পৰম্পৰাগত ধাৰণাটো নোহোৱা কৰিবলৈ প্ৰচেষ্টা চলাইছিল। সেই উদ্দেশ্যে তেওঁ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম অধিক উপকাৰী, ব্যৱহাৰিক আৰু আধুনিক কৰি তুলিবলৈ কৃষি শিক্ষা আৰু শাৰীৰিক শিক্ষাৰ দৰে বিষয় অন্তৰ্ভুক্ত কৰিছিল। তেওঁ শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে দৰমহাৰ ব্যৱস্থাটোও উন্নত কৰি সমহাৰৰ কৰি তুলিছিল।

লর্ড কার্জনে প্রাথমিক শিক্ষাক অধিক ফলপ্রসূ কৰি তুলিবলৈ 'কিন্দাৰগার্ডেন' পদ্ধতি প্ৰয়োগৰ ব্যৱস্থা কৰিছিল আৰু শিক্ষাদান পদ্ধতিটো উন্নত কৰিবলৈ প্ৰচেষ্টা চলাইছিল। শিক্ষার্থীসকলে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি থকা মুখস্থ বিদ্যাৰ ঠাইত যুক্তি শক্তিৰ যাতে প্ৰয়োগ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ওপৰত উল্লেখ কৰি অহা সকলোখিনি কথা অনুধাৱন কৰি ক'ব পাৰি যে লর্ড কার্জনে ভাৰতবর্ষৰ প্ৰাথমিক শিক্ষা ক্ষেত্ৰলৈ আধুনিকতাৰ ঢল নমাই আনিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ চিমলা শিক্ষা সম্মিলনৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতবর্ষত প্রাথমিক শিক্ষাৰ বিকাশৰ গতি লেহেম হোৱাৰ প্রধান কাৰণবোৰ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ লর্ড কার্জনে প্রাথমিক শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা নতুন বিষয়বোৰৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ প্রাথমিক শিক্ষাৰ অৱস্থাটো উন্নত কৰাৰ অর্থে লর্ড কার্জনে লোৱা পদক্ষেপসমূহৰ তালিকা প্রস্তুত কৰক।

.....

.....

৮.৫ মাধ্যমিক শিক্ষা নীতি

আমি ইতিমধ্যে লর্ড কার্জনৰ প্রাথমিক শিক্ষানীতিৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি মাধ্যমিক শিক্ষা উন্নীত কৰাৰ বাবে কি কি প্রচেষ্টা হাতত লৈছিল তাৰ বিষয়ে আলোচনা কৰিম।

কার্জনে মাধ্যমিক শিক্ষা সম্বন্ধে গ্ৰহণ কৰা পূৰ্বৰ উদাৰ নীতি পৰিহাৰ কৰি এক কঠোৰ নিয়ন্ত্ৰণৰ নীতি গ্ৰহণ কৰিছিল। তেওঁ সহায়ক অনুদান লাভ কৰা বা নকৰা দুয়োবিধ ব্যক্তিগত উদ্যোগত পৰিচালিত মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰতে চৰকাৰী নিয়ন্ত্ৰণ আৰোপ কৰিছিল। ১৯০৪ চনত প্ৰকাশ কৰা চৰকাৰী শিক্ষাৰ প্ৰস্তাৱত তেওঁ এই নীতি ঘোষণা কৰিছিল। কার্জনে মাধ্যমিক শিক্ষাৰ দিশত গ্ৰহণ কৰা শিক্ষানীতিক বহলভাৱে দুটা ভাগত বিভক্ত কৰিব পৰা যায়। ভাগ দুটা হৈছে— (ক) নিয়ন্ত্ৰণৰ নীতি আৰু (খ) সম্প্ৰসাৰণ বা উন্নতকৰণৰ নীতি। দুয়োটা নীতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল—

- **নিয়ন্ত্ৰণৰ নীতি ঃ** কার্জনে সকলোবিধ মাধ্যমিক বিদ্যালয়ক চৰকাৰৰ কঠোৰ নিয়ন্ত্ৰণৰ অধীনলৈ অনাৰ বাবে কিছুমান নীতি গ্ৰহণ কৰে। নীতিসমূহ আছিল তলত দিয়া ধৰণৰ—
  - মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনাৰ ব্যৱস্থা উন্নত কৰি তুলিবৰ বাবে বিদ্যালয় পৰিচালনা সমিতিবোৰ উপযুক্তভাৱে সংগঠিত কৰি তুলিব লাগে।
  - বিদ্যালয়ৰ আৰ্থিক দিশটো সন্তোষজনক কৰি তুলিব লাগে।
  - কোনো এক স্থানত মাধ্যমিক বিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা আছে নে নাই তাক স্থিৰ কৰিব লাগে।
  - আৰ্থিক সাহায্য পোৱা বা নোপোৱা সকলোবোৰ ব্যক্তিগত উদ্যোগত পৰিচালিত হোৱা মাধ্যমিক বিদ্যালয় শিক্ষাধিকাৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব।
  - চৰকাৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰিও তেনে বিদ্যালয়ে সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰপৰাও স্বীকৃতি লাভ কৰিব লাগিব।
  - বিদ্যালয়ে প্ৰৱেশিকা পৰীক্ষাৰ বাবে তেনে স্বীকৃতি পোৱাটো অপৰিহার্যস্বৰূপে বিবেচিত হ'ব লাগে।
  - স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়বোৰে চৰকাৰৰ অর্থ সাহার্য লাভ কৰিব লাগে আৰু তাৰ ছাত্ৰসকলে চৰকাৰৰ বৃত্তি পাব লাগে।
  - অস্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰপৰা যাতে স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়লৈ ছাত্ৰ স্থানান্তৰিত হ'ব নোৱাৰে তাৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
  - চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত হ'বৰ বাবে বিদ্যালয়ে কিছুমান চর্ত পূৰণ কৰিব লাগে, যাৰ মাধ্যমেৰে বিদ্যালয়ে সুস্থ শৈক্ষিক পৰিবেশ গঢ় দি তুলিব পাৰিব।
  - বিদ্যালয়ত শিক্ষকৰ সংখ্যা অধিক হ'ব লাগে আৰু তেওঁলোক প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে।
- **উন্নতকৰণ নীতি ঃ** অকল চৰকাৰী নিয়ন্ত্ৰণেই শিক্ষাৰ মানদণ্ড উন্নত কৰিব নোৱাৰে। কার্জনৰ মাধ্যমিক পর্যায়ৰ শিক্ষা নীতিৰ আন এটা দিশ আছিল বিদ্যালয়ৰ গুণগত মানদণ্ড উন্নত কৰি তোলাটো। কার্জনে এই দিশত কিছুমান প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰে। ব্যৱস্থাবোৰ আছিল তলত দিয়া ধৰণৰ —

- চৰকাৰী মাধ্যমিক বিদ্যালয়বোৰৰ গুণগত মানদণ্ড বৃদ্ধি কৰিবলৈ ৰাজ্যিক চৰকাৰসমূহক অধিক পৰিমাণৰ আর্থিক সাহায্য দিব লাগে।
- চৰকাৰৰ দ্বাৰা পৰিচালিত মাধ্যমিক বিদ্যালয়বোৰ ব্যক্তিগত উদ্যোগীসকলে পৰিচালনা কৰা বিদ্যালয়ৰ বাবে আদর্শস্বৰূপ কৰি তুলিব লাগে।
- ব্যক্তিগত উদ্যোগত পৰিচালিত বিদ্যালয়বোৰ চৰকাৰী বিদ্যালয়ৰ সমপর্যায়ৰ কৰি তোলাৰ অর্থে অধিক আর্থিক সাহার্য্য প্রদান কৰিব লাগে।
- শিক্ষক প্রশিক্ষণৰ কেন্দ্রৰ সংখ্যা বৃদ্ধি কৰিব লাগে আৰু শিক্ষকসকলক প্রশিক্ষণৰ বাবে উৎসাহ প্রদান কৰিব লাগে।
- মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্রম অধিক ব্যৱহাৰিক কৰি তুলিব লাগে আৰু প্ররেশিকা পৰীক্ষা ফলপ্রসূ কৰি তুলিবৰ বাবে পাঠ্যক্রম সংশোধন কৰিব লাগে।
- মজলীয়া বিদ্যালয় পর্যায়লৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।
- ছাত্রসকলে যাতে মাধ্যমিক বিদ্যালয়ত নিজকে ভালদৰে সমাযোজন কৰি ল'ব পাৰে তাৰ বাবে ইংৰাজী ভাষাৰ অধ্যয়নৰ ব্যৱস্থা ৰাখিব লাগে।
- মাধ্যমিক পর্যায়ত ছাত্রসকলৰ শৰীৰ চর্চা আৰু শাৰীৰিক শিক্ষাৰ ব্যৱস্থা থাকিব লাগে।
- শিক্ষক আৰু শিক্ষার্থীৰ মনত অনুশাসনৰ বীজ ৰোপন কৰিব লাগে।
- বিদ্যালয় পৰিদর্শকসকলে যাতে সুচাৰুৰূপে, দক্ষতাৰে নিজৰ কর্তব্য সম্পাদন কৰিব পাৰে তাৰ বাবে ব্যৱস্থা ল'ব লাগে। লগতে বিদ্যালয় পৰিদর্শকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

৮.৫.১ লর্ড কার্জনৰ মাধ্যমিক শিক্ষা নীতিৰ মূল্যায়ন

এতিয়া আমি লর্ড কার্জনৰ মাধ্যমিক শিক্ষা নীতিৰ বিষয়ে সমালোচনাত্মক মূল্যায়ন কৰিম ।

সামগ্রিকভাৱে আমি ক'ব পাৰো যে লর্ড কার্জনৰ মাধ্যমিক শিক্ষাৰ নীতিৰ ফলত শিক্ষাৰ গুণগত মানদণ্ড উন্নত হৈছিল। সেয়েহে এই ক্ষেত্রত কার্জন কৃতকার্য হোৱা বুলি ক'ব লাগিব। মাধ্যমিক বিদ্যালয়বোৰে চৰকাৰৰ লগতে বিশ্ববিদ্যালয়ৰপৰা পোৱা স্বীকৃতিয়ে মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিছিল। বহুবোৰ ব্যক্তিগত খণ্ডৰ মাধ্যমিক বিদ্যালয়ে স্বীকৃতি নোপোৱাৰ বাবে বন্ধ হৈ গৈছিল। এনে অৱস্থাৰ সৃষ্টি হোৱাত ভাৰতীয় জাতীয়তাবাদীসকলে লর্ড কার্জনক সমালোচনা কৰি কৈছিল যে তেওঁৰ মাধ্যমিক শিক্ষানীতিয়ে ভাৰতবর্ষৰ জাতীয়তাবাদী চেতনাক অবদমিত কৰিব বিচাৰিছিল। কিন্তু তেওঁৰ কঠোৰ নীতিয়ে অকল মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰাই নহয় প্রশাসনীয় ব্যৱস্থাৰো উন্নতি সাধন কৰিছে।

দ্বিতীয়তে, যিহেতু মাধ্যমিক বিদ্যালয়সমূহে বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি লাভ কৰে, সেয়েহে তেওঁলোকে শিক্ষক প্রশিক্ষণ আৰু বিদ্যায়তনিক মানদণ্ড উন্নত কৰাৰ

ওপৰত গুৰুত্ব প্ৰদান কৰিবলগীয়া হ'ল কাৰণ সেই বিদ্যালয়বোৰে মেট্ৰিক পৰীক্ষালৈ শিক্ষাৰ্থী প্ৰেৰণ কৰিব পাৰিব।

তৃতীয়তে, এইটো বিশেষভাৱে উল্লেখ কৰিবলগীয়া কথা যে লর্ড কার্জনেই মজলীয়া পর্যায়লৈ মাতৃভাষাৰ মাধ্যমত শিক্ষা লাভৰ সুবিধা কৰি দিছিল। ইয়াৰ ফলত দুখীয়া ছাত্ৰসকলে নিজৰ মাতৃভাষাৰ মাধ্যমেৰে শিক্ষালাভ কৰিবলৈ সক্ষম হৈছিল। এই ব্যৱস্থাটোৰ ফলত ভাৰতবর্ষত পৰৱর্তী সময়ত মাধ্যমিক পর্যায়লৈ শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাত সহায় কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ চমুকৈ লিখক ঃ

(ক) নিয়ন্ত্ৰণ নীতি

.....

.....

(খ) উন্নতিকৰণৰ নীতি

.....

.....

প্ৰশ্ন নং ৬ ঃ লর্ড কার্জনে ভাৰতবর্ষৰ মাধ্যমিক শিক্ষাৰ উন্নতি সাধন কৰাৰ ক্ষেত্ৰত কৃতকার্য হৈছিল বুলি আপুনি ভাবে নেকি?

.....

.....

৮.৬ বিশ্ব বিদ্যালয় শিক্ষা নীতি

লর্ড কার্জনে চিমলা শিক্ষা সম্মিলনৰ সিদ্ধান্ত কার্যকৰী কৰি তুলিবৰ বাবে প্ৰথমে উচ্চ শিক্ষা সংস্কাৰত হাত দিয়ে। উচ্চ শিক্ষাৰ সংস্কাৰ সাধনেই হৈছে তেওঁৰ আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ পদক্ষেপ। ১৮৫৭ চনত ভাৰতবর্ষত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হয় আৰু কার্জনৰ সময়ত দেশত মুঠ পাঁচখন বিশ্ববিদ্যালয় হয়গৈ। উচ্চ শিক্ষাৰ প্ৰকৃত প্ৰয়োজন বিশ্ববিদ্যালয়কেইখনে পূৰণ কৰিব পৰা নাছিল। বিশ্ববিদ্যালয়কেইখনৰ কার্যকলাপ অকল পৰীক্ষা লোৱা আৰু উপাধি প্ৰদান কৰাতেই সীমাবদ্ধ আছিল। স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়বোৰৰ ওপৰত বিশ্ববিদ্যালয়বোৰ নির্ভৰশীল হৈ চলিছিল। বিশ্ববিদ্যালয়কেইখনৰ বহুতো প্ৰশাসনীয় ভুল-ভ্ৰান্তি আৰু দুর্বলতা আছিল। বিশ্ববিদ্যালয়বোৰলৈ সদস্য নির্বাচনৰ ক্ষেত্ৰতো বহুখিনি আসোঁৱাহ আছিল। সেইবাবে ইয়াৰ কার্যকলাপত কার্জন সন্তুষ্ট হ'ব পৰা নাছিল। ভাৰতৰ বিশ্ববিদ্যালয়কেইখন লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন কৰা হৈছিল, কিন্তু ১৮৯৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ আইন সলনি কৰি ইয়াৰ প্ৰশাসনীয় ব্যৱস্থাক উন্নত কৰি তোলা হৈছিল।

সেইবাবে ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়কেইখনৰ ক্ষেত্ৰত নতুন ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈ উঠিছিল। এগৰাকী সুদক্ষ প্ৰশাসক হিচাপে কার্জনে এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছিল।

লর্ড কার্জনে ১৯০২ চনৰ ২৭ জানুৱাৰীত চাৰ থমাচ ৰেলি (Sir Thomas Ralley)ৰ অধ্যক্ষতাত এখন বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰে। আয়োগে সেই বছৰতেই প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়ায়। আয়োগত কোনো ভাৰতীয় সদস্য লোৱা হোৱা নাছিল। ভাৰতীয়সকল অসন্তুষ্ট হোৱালৈ চাই পিছত দুজন ভাৰতীয় লোকক ইয়াৰ সদস্য হিচাপে অন্তর্ভুক্ত কৰা হৈছিল। তেওঁলোক আছিল গুৰুদাস বেনার্জী আৰু চৈয়দ হাচান বিলগ্ৰামী। আয়োগখন গঠন কৰাৰ প্ৰধান উদ্দেশ্যসমূহ আছিল তলত দিয়া ধৰণৰ —

- ইংৰাজে ভাৰতত স্থাপন কৰা বিশ্ববিদ্যালয়বোৰৰ অৱস্থা আৰু ইয়াৰ ভৱিষ্যত সম্ভাৱনীয়তা সম্বন্ধে অধ্যয়ন কৰা।
- বিশ্ববিদ্যালয়কেইখনৰ সংগঠন আৰু ইয়াৰ কাম-কাজখিনি উন্নত কৰি তোলাৰ ব্যৱস্থা কৰা।
- উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে পৰামৰ্শ দিয়া।
- উচ্চ শিক্ষাৰ অগ্ৰগতিত অৱিহণা যোগোৱা।

আয়োগে দিয়া পৰামৰ্শাৱলীৰ সাৰাংশ নিম্নলিখিতভাৱে উল্লেখ কৰিব পাৰি —

- প্ৰত্যেক বিশ্ববিদ্যালয়ৰ পৰিসৰ নির্দ্ধাৰণ কৰি দিব লাগে আৰু নতুনকৈ কোনো বিশ্ববিদ্যালয় স্থাপন কৰিব নালাগে।
- সংবিধানৰ আধাৰত বিশ্ববিদ্যালয়কেইখনত শিক্ষাদানৰ সুবিধা প্ৰদান কৰিব লাগে।
- চিনেট আৰু চিণ্ডিকেট সভা পুনৰ গঠন কৰিব লাগে আৰু ইয়াৰ সদস্যৰ সংখ্যা কমাব লাগে। সদস্যসকলৰ কার্যকাল ৫ বছৰীয়া হ'ব লাগে আৰু ইয়াৰ ৫ ভাগৰ এভাগ সদস্যই প্ৰতি বছৰে পদত্যাগ কৰিব লাগে।
- চিনেটলৈ সংবদ্ধ কলেজৰ শিক্ষক আৰু অন্যান্য উপযুক্ত ব্যক্তিক প্ৰতিনিধিত্ব দিব লাগে।
- প্ৰতিখন কলেজৰ বাবে একোখন পৰিচালনা সমিতি গঠন কৰিব লাগে।
- মেট্ৰিক পৰীক্ষাৰ মানদণ্ড উন্নত কৰি তুলিব লাগে আৰু ইণ্টাৰমিডিয়েট পর্যায়টো উঠাই দি স্নাতক পর্যায় তিনি বছৰীয়া কৰিব লাগে।

৮.৬.১ বিশ্ববিদ্যালয় আইন, ১৯০৪ চন

বিশ্ববিদ্যালয়ৰ প্ৰশাসন চৰকাৰৰ অধীনলৈ নিবৰ বাবে কার্জনে এই আইনখনৰ ব্যৱস্থা কৰিছিল। ১৯০২ চনৰ আয়োগৰ পৰামৰ্শক্ৰমেই ১৯০৪ চনৰ ১১ মার্চত এই আইন প্ৰস্তুত কৰি তোলা হয়। ইয়াত প্ৰচলিত ব্যৱস্থাৰ দোষ ত্ৰুটিসমূহ আঙুলিয়াই দিয়া হয় আৰু তাক গুচাবৰ বাবে ব্যৱস্থা গ্ৰহণৰ কথা কোৱা হয়।

এই আইনখনত সংস্কাৰমূলক ব্যৱস্থাসমূহৰ বিষয়ে তলত দিয়াধৰণে উল্লেখ কৰা হৈছে—

- এই আইনখনে বিশ্ববিদ্যালয়ৰ ক্রিয়া পৰিসৰ বৃদ্ধি কৰি তোলে। পূৰ্বে অকল পৰীক্ষা লোৱা আৰু ডিগ্ৰী দিয়াৰ পৰিবৰ্তে ছাত্ৰক শিক্ষা দিয়া, পৰীক্ষা লোৱা, শিক্ষামূলক বৃত্তি দিয়া, শিক্ষক নিযুক্তি দিয়া, গৱেষণাৰ সুবিধা দিয়া আদি দায়িত্ব বিশ্ববিদ্যালয়ক দিয়া হয়।
- চিনেট সভাৰ আকাৰ নিয়ন্ত্ৰণ কৰা হয়। সভাৰ সদস্য সংখ্যা ৫০ আৰু ১০০ৰ ভিতৰত ৰখাৰ ব্যৱস্থা কৰা হয় আৰু তেওঁলোকৰ কাৰ্যকাল ৫ বছৰ ধাৰ্য কৰা হয়।
- চিনেটৰ সদস্যসকলক সদস্য নিৰ্বাচনৰ ক্ষমতা দিয়া হয়। সেই সময়ৰ ৫ খন বিশ্ববিদ্যালয়ৰ ভিতৰত কলিকতা, বম্বে আৰু মাদ্ৰাজত নিৰ্বাচিত সদস্যৰ সংখ্যা ২০ জন আৰু পঞ্জাব আৰু এলাহাবাদত ইয়াৰ সংখ্যা ১৫ জন কৰা হয়।
- চিণ্ডিকেট সভাবোৰক আইনসংগত বুলি স্বীকৃতি দিয়া হয়। সভাবোৰত বিশ্ববিদ্যালয়ৰ শিক্ষকসকলক উপযুক্ত প্ৰতিনিধিত্ব দিয়া হয়।
- কলেজবোৰক বিশ্ববিদ্যালয়ৰ সংবদ্ধকৰণৰ ক্ষেত্ৰত কঠোৰ নীতি গ্ৰহণ কৰা হয় আৰু পৰিদৰ্শন সাপেক্ষে কাৰ্যকৰী কৰি তোলা হয়।
- কলেজক বিশ্ববিদ্যালয়ৰ সংবদ্ধকৰণ কৰা অথবা সংবদ্ধকৰণ প্ৰত্যাহাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অনুমোদন লোৱাৰ প্ৰয়োজন হয়।
- চিনেট সভাই প্ৰশাসনীয় নীতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰক কিছু ক্ষমতা প্ৰদান কৰে। প্ৰয়োজন অনুসাৰে চৰকাৰে কোনো নীতি-নিয়মৰ ওপৰত বাধা আৰোপ কৰিব পাৰে।
- চিনেট সভাৰ আইন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনো আৱশ্যকীয় সালসলনি কৰিব নোৱাৰিলে অথবা নিৰ্দিষ্ট সময়ৰ ভিতৰত তাক সম্পূৰ্ণ কৰা নহ'লে চৰকাৰে প্ৰয়োজন অনুসৰি আইন প্ৰস্তুত কৰিব পাৰিব।

৮.৬.২ কার্জনৰ উচ্চ শিক্ষা নীতিৰ মূল্যায়ন

উচ্চ শিক্ষাত লর্ড কার্জনে গ্ৰহণ কৰা নীতি হৈছে নিয়ন্ত্ৰণ আৰু সংকোচনৰ নীতি। এই দুয়োটা নীতিয়েই আছিল জাতীয়তাবাদী ভাৰতীয়সকলৰ পৰিপন্থী। কার্জনে বিশ্ববিদ্যালয়ৰ প্ৰশাসনত ভাৰতীয়সকলৰ প্ৰভাৱ হ্ৰাস কৰি ব্যক্তিগত প্ৰচেষ্টাত গঢ়ি উঠা দুৰ্বল কলেজৰ স্বীকৃতি বন্ধ কৰিছিল। তেওঁ নতুনকৈ বিশ্ববিদ্যালয় স্থাপন হ'বলৈ নিদি শিক্ষা সংকোচনৰ নীতি গ্ৰহণ কৰি প্ৰকৃততে দেশৰ জাতীয়তাবাদৰ আন্দোলন নিৰ্মূল কৰিবলৈহে বিচৰা হৈছে বুলি ভবা হৈছিল। বিশ্ববিদ্যালয়ে নিজস্ব নীতি নিৰ্দ্ধাৰণত পলম কৰিলে চৰকাৰে তাক নিৰ্দ্ধাৰণ কৰাৰ ক্ষমতা লাভ কৰি বিশ্ববিদ্যালয়ৰ স্বায়ত্ব শাসনৰ নীতি উলংঘা কৰা হৈছিল। ক্ষমতাৰ এই কেন্দ্ৰীভূতকৰণ

নীতিয়ে ভাৰতীয়সকলক ক্ষুণ্ণ কৰি তুলিছিল। ভাৰতীয়সকলৰ অনুভূতি আৰু অসন্তুষ্টিৰ প্ৰতি দেশৰ মূল প্ৰশাসকজন আওকণীয়া হৈ থকাটো আছিল দুৰ্ভাগ্যজনক। উচ্চ শিক্ষাৰ প্ৰতি গ্ৰহণ কৰা এই সংকোচন নীতিৰ ফলত দহ বছৰৰ ভিতৰত কলেজৰ সংখ্যা বাঢ়ি যোৱাৰ পৰিবৰ্তে ২২ খন কমিহে গৈছিল। কিন্তু আমি এইটো অস্বীকাৰ কৰিব নোৱাৰো যে লর্ড কার্জনে উচ্চশিক্ষাৰ গুণগত মান বৃদ্ধিৰ বাবে গুৰুত্ব দিয়া নাছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ১৯০২ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ সভাপতি কোন আছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ ১৯০২ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগখন কিয় গঠন কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনখনৰ মূল ব্যৱস্থাবোৰ চমুকৈ তালিকাভুক্ত কৰক।

.....

.....

৮.৭ কার্জনৰ অন্যান্য দিশত সংস্কাৰসমূহ

লর্ড কার্জনৰ শিক্ষা নীতি আৰু কার্যকলাপ যে ভাৰত বিৰোধী নাছিল, তাৰ প্ৰমাণ তেওঁৰ অন্যান্য কিছুমান কার্যত পাব পৰা যায়। কার্জনৰ শিক্ষা নীতিৰ ভাল দিশবোৰ তলত উল্লেখ কৰা হ'ল—

- **কৃষি শিক্ষা** (Agricultural Education) ঃ ভাৰতবর্ষ এখন কৃষিপ্ৰধান দেশ হ'লেও ইয়াত কৃষি শিক্ষাৰ কোনো ব্যৱস্থা নাই। এইকথা তেওঁ প্ৰথমতে অনুভৱ কৰিছিল। অকল সেয়ে নহয়, ইয়াৰ এক বিজ্ঞানসন্মত ব্যৱস্থাও তেওঁ গঢ় দি তুলিছিল। স্কুলৰ এটা অধ্যয়নৰ বিষয়স্বৰূপে তেওঁ কৃষি শিক্ষা অন্তর্ভুক্ত কৰিছিল। প্ৰতিখন ৰাজ্যতে একোখনকৈ কৃষি কলেজ স্থাপন হোৱাটো তেওঁ বিচাৰিছিল। কৃষি বিষয়ৰ উচ্চ শিক্ষা আৰু গৱেষণা কার্যৰ বাবে পুচাত এটা কেন্দ্ৰীয় কৃষি গৱেষণা সংস্থা স্থাপন কৰে। চৰকাৰৰ প্ৰশাসনীয় বিভাগতো কৃষি বিভাগৰ এটা দপ্তৰ স্থাপন কৰি কৃষি বিষয়ৰ এজন মুখ্য পৰিদর্শক নিযুক্ত কৰিছিল। জলসিঞ্চনৰ বাবেও তেওঁ কেতবোৰ আঁচনি প্ৰস্তুত কৰিছিল। ভাৰতীয় কৃষি শিক্ষাৰ ইতিহাসত কার্জন হৈছে পথ প্ৰদর্শক।

- **নৈতিক শিক্ষা** (Moral Education) ঃ মিছনেৰীসকলে ভাৰতীয় শিক্ষাত ধর্মৰ প্রভাৱ পেলাবলৈ চেষ্টা কৰি আহিছিল যদিও কার্জনে সেই চেষ্টা ব্যর্থ কৰি তুলিছিল। চৰকাৰী স্কুলবোৰত সেই সময়ৰেপৰা ধর্ম নিৰপেক্ষভাৱে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধক শিক্ষা দিয়াৰ তেওঁ ব্যৱস্থা কৰিছিল। চিমলা শিক্ষা সম্মিলনতো এই শিক্ষা কিদৰে দিব পৰা যায় তাৰ আলোচনা কৰা হৈছিল।
- **কলা সম্বন্ধীয় স্কুল স্থাপন** (Establishment of Art School) ঃ ভাৰতত সেই সময়ত অৱস্থিত ভাৰতীয় কলা চর্চাৰ স্কুলসমূহৰ দুৰৱস্থাই ভৱিষ্যত অনিশ্চয়তাৰ অৱস্থা সৃষ্টি কৰি তুলিছিল। বহুতেই ভাবিছিল যে এই স্কুলবোৰে প্রকৃত উদ্দেশ্য সাধন কৰিব নোৱাৰা বাবে বন্ধ কৰি দিয়া উচিত। কিন্তু কার্জনে এই মতৰ বিৰোধিতা কৰিছিল আৰু স্কুলবোৰৰ আৱশ্যকীয় সংস্কাৰ সাধন কৰি চলাই থকাৰহে পৰামর্শ দিছিল।
- **পুৰাতত্ব বিভাগ স্থাপন** (Establishment of Department of Archeaology) ঃ কার্জনে লক্ষ্য কৰিছিল যে ভাৰতৰ পুৰণি ঐতিহ্যপূর্ণ আৰু বুৰঞ্জীপ্রসিদ্ধ ঠাইবোৰ আৰু মঠ-মন্দিৰবোৰ ভালদৰে ৰক্ষণাবেক্ষণ কৰা হোৱা নাছিল। তেওঁ এটা পুৰাতত্ব বিভাগ স্থাপন কৰি দেশৰ আপুৰুগীয়া সম্পদবোৰ ৰক্ষণাবেক্ষণ কৰিবৰ বাবে ১৯০৪ চনত এখন আইন প্রস্তুত কৰিছিল। বিখ্যাত প্রত্নতাত্ত্বিক চাৰ জন মার্শালক তেওঁ প্রত্নতত্ত্ব সমীক্ষা বিভাগৰ মুখ্য সঞ্চালক নিযুক্তি দিছিল। কলিকতাত তেওঁ 'ইম্পিৰিয়েল লাইব্রেৰী' স্থাপন কৰিছিল, যাক বর্তমান 'জাতীয় পুথিভঁৰাল' বুলি জনা যায়। কার্জনে 'ইম্পিৰিয়েল কেডেট্ ক'ৰ নামে এটা সামৰিক প্রশিক্ষণ কেন্দ্র স্থাপন কৰি ভাৰতীয় লোকক সামৰিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল।
- **বিদেশত অধ্যয়নৰ বৃত্তিদান** (Foreign Scholarship) ঃ ভাৰতত কাৰিকৰী শিক্ষাৰ বিকাশ সাধনৰ প্রয়োজনো কার্জনে অনুভৱ কৰিছিল। কিন্তু কাৰিকৰী শিক্ষা লাভ কৰিবলৈ অহা ছাত্রৰ অভাৱ দেখা গৈছিল। সেয়েহে এই বিষয়ত ভাৰতীয় ছাত্রক আকর্ষণ কৰি তুলিবৰ বাবে তেওঁ বিদেশত অধ্যয়নৰ ছাত্র বৃত্তি প্রদান কৰিছিল।
- **শিক্ষাৰ সঞ্চালকপ্রধান নিযুক্তি** (Appointment of the Director-General in Education) ঃ ১৮৫৪ চনৰ উডৰ প্রতিবেদন মর্মে ৰাজ্য চৰকাৰবোৰত শিক্ষা বিভাগ একোটা স্থাপন কৰি একোজন শিক্ষাধিকাৰ নিযুক্তি কৰে। কিন্তু ৰাজ্যবোৰৰ সমন্বয় সাধন কৰি মুখ্যভাৱে শিক্ষা পৰিচালনা কৰা বিষয়া নাছিল। সেইবাবে কার্জনে সঞ্চালকপ্রধানৰ পদটো সৃষ্টি কৰিছিল। কেন্দ্রীয় চৰকাৰৰ শিক্ষা বিভাগটোৰ কার্যদক্ষতা বৃদ্ধি কৰি তুলিবৰ বাবে তেওঁ বিদেশত অধ্যয়নৰ বাবে ছাত্র বৃত্তি প্রদান কৰিছিল।

৮.৮ কার্জনৰ ভাৰতীয় শিক্ষাৰ প্রতি অৱদান

লর্ড কার্জনৰ ভাৰতীয় শিক্ষাৰ প্রতি কি কি অৱদান আছে তাক এতিয়া পৰীক্ষা কৰা হওক।

লর্ড কার্জনক ভাৰতীয় শিক্ষাৰ সুযোগ্য প্ৰশাসক হিচাপে অভিহিত কৰিব পাৰি। শিক্ষাৰ এনে এটা দিশ বাদ পৰা নাই য'ত তেওঁ মনোযোগ দিয়া নাছিল আৰু সংস্কাৰ সাধনত হাত দিয়া নাছিল। তেওঁ যি সময়ত শিক্ষা সংস্কাৰৰ কামত হাত দিছিল সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি তেওঁৰ বাবে অনুকূল নাছিল। সেই সময়ত স্বদেশী আন্দোলন শক্তিশালী হৈ উঠি ভাৰতীয়সকলৰ মনত ইংৰাজ শাসনৰ বিৰুদ্ধে নেতিবাচক মনোভাব গঢ় লৈ উঠিছিল। সেইবাবে ভাৰতীয়সকলে তেওঁৰ সংস্কাৰমূলক ক্ৰিয়াৰ প্ৰতি সন্দেহ আৰু বিৰোধমূলক মনোভাব প্ৰকাশ কৰিছিল। তেওঁ গ্ৰহণ কৰা শিক্ষা নীতি যে সুস্থ আৰু নিৰ্ভুল আছিল তাক তেওঁ প্ৰতিপন্ন কৰি গৈছে। ইতিহাসৰ এই বিবাদমান কালছোৱাতো তেওঁ যি দৃঢ়তাৰে নিজ দায়িত্ব আৰু কৰ্তৃত্ব পালন কৰি দেখুৱালে স্বাভাৱিকতেই তাক এক বিৰল দৃষ্টান্ত বুলি ক'ব পাৰি। ভাৰতীয় শিক্ষাৰ বিকাশৰ প্ৰতি চৰকাৰী অৰ্থ সাহায্য তেওঁ উদাৰ নীতিৰে আগবঢ়ায়। ইয়াৰ পূৰ্বে চৰকাৰে আগবঢ়োৱা সহায়ক অনুদান যথেষ্ট নাছিল আৰু তাৰ ফলত শিক্ষা বিকাশ বাধাগ্ৰস্ত হৈ পৰিছিল। সেইকথা কার্জনে ভালদৰে অনুভৱ কৰিব পাৰিছিল। শিক্ষাৰ দিশত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পূৰ্বৰ গা এৰা দিয়া নীতি কার্জনে পৰিহাৰ কৰি প্ৰশাসনক অধিকভাৱে জড়িত কৰি তুলিছিল। শিক্ষাৰ সকলো দিশতে চৰকাৰৰ অধিকাৰ কার্জনে সাব্যস্ত কৰি তুলিছিল। ইয়াৰ ফলত শিক্ষাৰ অনুশাসন ৰক্ষা কৰাটো আৰু মানদণ্ড উন্নত কৰি তোলাটো সম্ভৱ হৈ উঠিছিল। ভাৰতীয় শিক্ষাৰ সকলো স্তৰতে মানদণ্ড উন্নত কৰি তোলাৰ ওপৰত তেওঁ সর্বাধিক গুৰুত্ব আৰোপ কৰিছিল। আনকি প্ৰাথমিক শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবলৈ কৰা তেওঁৰ প্ৰচেষ্টা বিশেষভাৱে প্ৰশংসনীয়। ভাৰতৰ কৃষি শিক্ষাৰ ব্যৱস্থা তেওঁৰেই প্ৰথমে গঢ় দি তোলে। কৃষি শিক্ষাত উচ্চ পর্যায়ৰ গৱেষণাকেন্দ্ৰ স্থাপন কৰি তাক তেওঁ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানমুখী কৰি তোলে। ভাৰতীয় ভাষা সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশ সাধনৰ ক্ষেত্ৰটো কার্জনৰ অৱদান উপেক্ষনীয় নহয়। ভাৰতীয় ভাষাসমূহ মাধ্যমিক স্তৰত অধ্যয়নত গুৰুত্ব আৰোপ কৰি তেওঁ দূৰদৃষ্টিৰ পৰিচয় দিয়ে। ইয়াৰ লগতে পু�ৰাতত্ব বিভাগ স্থাপন কৰি ভাৰতীয় সংস্কৃতিৰ ৰক্ষণাবেক্ষণত অৰিহণা যোগায়। সেইবাবেই ক'ব পাৰি যে উডৰ প্ৰতিবেদনে ১৮৫৪ চনত আৰম্ভ কৰা ভাৰতীয় শিক্ষাৰ আধুনিকীকৰণ প্ৰক্ৰিয়াক কার্জনে আৰু এখোপ আগুৱাই দিছিল। ভাৰতীয় শিক্ষা আধুনিকীকৰণৰ দিশত তেওঁৰ অৱদান পাহৰিব পৰা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ লর্ড কার্জনে ভাৰতবর্ষত প্ৰবর্তন কৰা আন আন শৈক্ষিক সংস্কাৰবোৰৰ তালিকা প্ৰস্তুত কৰক।

.....

.....

প্রশ্ন নং ১১ ঃ 'লর্ড কার্জনে ভাৰতবর্ষৰ শিক্ষাৰ সকলো দিশকে স্পর্শ কৰিছে আৰু একোৱে স্পর্শ কৰা নাই আৰু সংশোধনো কৰা নাই।'— উক্তিটোৰ যথার্থতা নির্ণয় কৰক।

.....

.....



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত আমি লর্ড কার্জনৰ শিক্ষানীতিৰ বিষয়ে আলোচনা কৰিলো। লর্ড কার্জনে ১৮৯৯ চনত ভাৰতলৈ (Viceroy) ভাইচৰয় হিচাপে আহিছিল।
- ১৯০১ চনত তেওঁ চিমলাত শিক্ষা সংস্কাৰৰ অর্থে এখন সম্মিলন পাতিছিল। সেইখনেই ভাৰতবর্ষৰ প্রথম শিক্ষা সম্মিলন আৰু তাত শিক্ষাৰ প্রতিটো পর্যায়ক সামৰি লৈ মুঠ ১৫০টা প্রস্তাৱ গ্রহণ কৰা হৈছিল।
- প্রথমতে আমি লর্ড কার্জনে প্রাথমিক শিক্ষাৰ ক্ষেত্রত প্রয়োগ কৰা নীতিসমূহ জানিবলৈ সক্ষম হ'লো আৰু ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ দুৰাৱস্থাৰ প্রতি লক্ষ্য ৰাখি তেওঁ লোৱা পদক্ষেপসমূহ বুজি পালো। তেওঁৰ বৈশিষ্ট্যপূর্ণ পদক্ষেপসমূহ হ'ল— মুক্ত সহায়ক, অনুদান ব্যৱস্থা, ফলাফলভিত্তিক অনুদান ব্যৱস্থা বাতিলকৰণ, শিক্ষক প্রশিক্ষণ, শিক্ষকৰ দৰমহা বৃদ্ধিকৰণ আৰু সমতা স্থাপন আৰু পাঠ্যক্রমৰ উন্নতি সাধন। এনে কার্যৰ ফলত দেশত স্বীকৃতিপ্রাপ্ত প্রাথমিক বিদ্যালয়ৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে শিক্ষার্থীৰ সংখ্যাও বিশেষভাৱে বৃদ্ধি হৈছিল।
- মাধ্যমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনে নিয়ন্ত্রণ নীতি প্রয়োগ কৰি অনুপযুক্ত ব্যক্তিগত বিদ্যালয়বোৰক স্বীকৃতি প্রদান কৰা নাছিল। এই দিশটোৱে তেওঁৰ কঠোৰতাৰ পৰিচয় দিছিল। কিন্তু নতুন নতুন বিষয় সন্নিবিষ্ট কৰি কার্জনে মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ বিচৰাৰ কথাওঁ আমি উপলব্ধি কৰিছো।
- লর্ড কার্জনে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্রখনৰ উন্নতি সাধন কৰিবলৈ ১৯০২ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ এখন গঠন কৰি দিছিল বুলি অধ্যায়টোৰপৰা আমি জানিব পাৰিলো। আয়োগখনৰ পৰামর্শ অনুসাৰে ১৯০৪ চনত ভাৰতীয় বিশ্ববিদ্যালয় আইন এখন প্রণয়ন হৈছিল।
- অধ্যায়টোৰ শেষত আমি আলোচনাৰ মাধ্যমেৰে দেখিবলৈ পাইছো যে কার্জনে ভাৰতবর্ষৰ শিক্ষাৰ সামগ্রীক দিশটোৰ উন্নতি সাধনৰ অর্থে আন আন দিশবো সংস্কাৰ সাধন কৰিছিল আৰু বিভিন্নধৰণেৰে অৱদান আগবঢ়াইছিল।



৮.১০ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
২) ডেকা, বীৰেন্দ্ৰ ঃ ভাৰতৰ শিক্ষাৰ ইতিহাস,অসম বুক ডিপো, গুৱাহাটী
৩) বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৪) ৰাৱাত, পি. এল. ঃ History of Indian Education, Ram Prasad & Sons, Agra-3

৮.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ চিমলা শিক্ষা সম্মিলন অনুষ্ঠিত হৈছিল ১৯০১ চনত। সেই সম্মিলনত প্ৰত্যেকখন প্ৰভিঞ্চৰ শিক্ষাধিকৰ্তাসকলৰ লগতে কেইগৰাকীমান নিৰ্বাচিত শিক্ষাবিদ উপস্থিত আছিল। লৰ্ড কার্জনে নিজে সেই সম্মিলনত অধ্যক্ষতা কৰিছিল। উক্ত সম্মিলনত শিক্ষাৰ সকলো পৰ্যায়ক সামৰি লৈ ১৫০ টা প্ৰস্তাৰ গ্ৰহণ কৰা হৈছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ লৰ্ড কার্জনে চিনাক্ত কৰিছিল যে অৰ্থনৈতিক দিশটো দুৰ্বল হোৱা হেতুকে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ গতি মন্থৰ হৈছে আৰু ইয়েই প্ৰধান কাৰণ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কৃষি শিক্ষা আৰু শাৰীৰিক শিক্ষা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মুক্ত সহায়ক অনুদান (খ) ফলাফলভিত্তিক অনুদান বাতিল (গ) শিক্ষকৰ দৰমহাৰ উন্নীতকৰণ (ঘ) পাঠ্যক্ৰমৰ সংস্কাৰ সাধন আৰু (চ) শিক্ষাদান পদ্ধতি

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) **নিয়ন্ত্ৰণ নীতি** হ'ল মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত জধে-মধে গঢ়ি উঠা শিক্ষানুষ্ঠানসমূহৰ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰয়োগ কৰা নীতি। লৰ্ড কার্জনে এই নীতি প্ৰয়োগ কৰি মাধ্যমিক শিক্ষাৰ মানদণ্ড আৰু প্ৰশাসন ব্যৱস্থা উন্নত কৰিবলৈ বিচাৰিছিল।

- মাধ্যমিক বিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনাৰ ব্যৱস্থা উন্নত কৰি তুলিবলৈ বিদ্যালয় পৰিচালনা সমিতিবোৰ উপযুক্তভাৱে সংগঠিত কৰি তুলিব লাগে।
- বিদ্যালয়ৰ আৰ্থিক দিশটো সন্তোষজনক কৰি তুলিব লাগে, যাতে আৰ্থিক কঠিনতাসমূহ আঁতৰ কৰিব পৰা যায়।
- কোনো এক স্থানত মাধ্যমিক বিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা আছে নে নাই তাক স্থিৰ কৰি লব লাগে।
- আৰ্থিক সাহায্য পোৱা বা নোপোৱা সকলোবোৰ ব্যক্তিগত উদ্যোগত পৰিচালিত হোৱা মাধ্যমিক বিদ্যালয় শিক্ষাধিকাৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব।

- চৰকাৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰিও তেনে বিদ্যালয়ে সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰপৰাও স্বীকৃতি লাভ কৰিব লাগিব।

(খ) **উন্নতকৰণৰ নীতি** মাধ্যমিক বিদ্যালয়সমূহক উন্নত অৱস্থালৈ নিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰা এটা নীতি। এইক্ষেত্ৰত লর্ড কার্জনে তলত দিয়া ব্যৱস্থাবোৰ হাতত লৈছিল—

- চৰকাৰৰ দ্বাৰা পৰিচালিত মাধ্যমিক বিদ্যালয়বোৰ ব্যক্তিগত উদ্যোগীসকলে পৰিচালনা কৰা বিদ্যালয়ৰ বাবে আদর্শস্বৰূপ কৰি তুলিব লাগে।
- শিক্ষক প্ৰশিক্ষণৰ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিব লাগে আৰু শিক্ষকসকলক প্ৰশিক্ষণৰ বাবে উৎসাহ প্ৰদান কৰিব লাগে।
- ব্যক্তিগত উদ্যোগত পৰিচালিত বিদ্যালয়বোৰ চৰকাৰী বিদ্যালয়ৰ সমপর্যায়ৰ কৰি তোলাৰ বাবে অধিক আর্থিক সাহার্য প্ৰদান কৰিব লাগে।
- মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰম অধিক ব্যৱহাৰিক কৰি তুলিব লাগে আৰু প্ৰৱেশিকা পৰীক্ষা ফলপ্ৰসু কৰি তুলিবৰ বাবে পাঠ্যক্ৰম সংশোধন কৰিব লাগে।
- মজলীয়া বিদ্যালয় পর্যায়লৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে আৰু পৰিদর্শকৰ কর্মদক্ষতা বৃদ্ধি কৰিব লাগে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ হয়, লর্ড কার্জন মাধ্যমিক বিদ্যালয়বোৰৰ অৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত কৃতকার্য হৈছিল। তেওঁ মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাৰ বাবে চৰকাৰী স্বীকৃতি লাভ, বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি লাভ আৰু প্ৰৱেশিকা পৰীক্ষাৰ বাবে শিক্ষার্থী পঠোৱাৰ অর্হতা আহৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্ৰকৃত উদ্দেশ্যত উপনীত হোৱাৰ অর্থে তেওঁ বিদ্যায়তনিক মানদণ্ড উন্নত কৰাত প্ৰাধান্যতা দিছিল তাৰবাবে তেওঁ শিক্ষক প্ৰশিক্ষণ আৰু পৰিদর্শনৰ ব্যৱস্থা কৰিছিল।

৭নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ থমাচ ৰেলী

৮নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজে ৰাজত্ব কৰা ভাৰতবর্ষত স্থাপিত হোৱা বিশ্ববিদ্যালয়বোৰৰ অৱস্থা অনুসন্ধান কৰিবলৈ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয়ক শিক্ষাদান আৰু গৱেষণাৰ অধিকাৰ দিয়া হৈছিল, চিনেটৰ সদস্যৰ সংখ্যা একধৰণৰ, চিণ্ডিকেটলৈ বিধিসন্মত স্বীকৃতিপ্ৰদান, পুনৰ সংশোধনৰ বাবে চৰকাৰে অধিকাৰ পোৱা, স্বীকৃতি প্ৰদানৰ নীতিৰ কঠোৰতা ইত্যাদি।

১০নং প্ৰশ্নৰ উত্তৰ ঃ লর্ড কার্জনে সংস্কাৰ কৰিবলৈ বিচৰা আন দিশবোৰ হ'ল— (ক) কৃষি শিক্ষা (খ) নৈতিক শিক্ষা (গ) কলা সম্বন্ধীয় স্কুল স্থাপন (ঘ) পুৰাতত্ব বিভাগ স্থাপন (ঙ) বিদেশত অধ্যয়ণৰ জলপানী (চ) শিক্ষাৰ সঞ্চালকপ্ৰধান নিযুক্তি।

১১নং প্ৰশ্নৰ উত্তৰ ঃ এইটো সত্য যে লর্ড কার্জনে ভাৰতীয় শিক্ষাৰ বাবে নিস্বার্থভাৱে সেৱা আগবঢ়াইছিল। তেওঁৰেই ভাৰতবর্ষৰ প্ৰথম প্ৰশাসক যিজনে প্ৰাথমিক পর্যায়ৰপৰা একেবাৰে বিশ্ববিদ্যালয় পর্যায়লৈ শিক্ষাৰ পুনৰ গঠন আৰম্ভ কৰিছিল। তেওঁ শিক্ষাৰ

সকলো পৰ্যায়তে গুণগত আৰু সংখ্যাগত বিকাশত সমভাবে গুৰুত্ব আৰোপ কৰিছিল। তেওঁ শিক্ষাৰ সকলো শাখাকে স্পৰ্শ কৰিছিল। যেনে— কাৰিকৰী, বৃত্তিমুখী, কৃষি, পুৰাতত্ব আৰু ভাৰতীয় ছাত্ৰৰ বাবে বিদেশত অধ্যয়ণৰ জলপানী।



৮.১২ আহিঁ প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় শিক্ষাৰ উন্নতি সাধনৰ অৰ্থে লৰ্ড কাৰ্জনে কি কি প্ৰচেষ্টা হাতত লৈছিল?

প্ৰশ্ন ২ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থা উন্নতিৰ ক্ষেত্ৰত লৰ্ড কাৰ্জনৰ সফল হৈছিল বুলি আপুনি ভাৱেনে?

প্ৰশ্ন ৩ ঃ ১৯০৫ চনৰ চিমলা শিক্ষা সন্মিলনত গ্ৰহণ কৰা শিক্ষাৰ মূল সিদ্ধান্ত সমূহৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ লৰ্ড কাৰ্জনৰ মাধ্যমিক শিক্ষা নীতিৰ তাৎপৰ্য্য কি আছিল।

প্ৰশ্ন ৫ ঃ ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইনৰ ব্যৱস্থাবোৰ কি আছিল?

প্ৰশ্ন ৬ ঃ চমুটোকা লিখক ঃ

(ক) চিমলা শিক্ষা সন্মিলন (খ) লৰ্ড কাৰ্জনৰ প্ৰাথমিক শিক্ষানীতি

(গ) ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইন

খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় শিক্ষাৰ উন্নতি সাধনৰ অৰ্থে লৰ্ড কাৰ্জনে কি কি প্ৰচেষ্টা হাতত লৈছিল? তেওঁ কৃতকাৰ্য হৈছিলনে?

প্ৰশ্ন ২ ঃ লৰ্ড কাৰ্জনৰ মাধ্যমিক শিক্ষানীতিৰ বিষয়ে সমালোচনাত্মক পৰীক্ষা কৰক। ইয়াৰ পৰবৰ্তী ফলশ্ৰুতি উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইনৰ ব্যৱস্থাবোৰ কি আছিল? তোমাৰ মতে আইনখনৰ উদ্দেশ্যসমূহ কৃতকাৰ্য হৈছেনে?

প্ৰশ্ন ৪ ঃ 'লৰ্ড কাৰ্জনে শিক্ষাৰ প্ৰত্যেকটো শাখাকে স্পৰ্শ কৰিছে আৰু তাক সংশোধন কৰিছে।'— আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ প্রাথমিক শিক্ষাৰ ওপৰত গোখলে বিল

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ গোখলেৰ প্রস্তাৱ ১৯১০
৯.৩.১ প্রস্তাৱৰ প্রতিক্রিয়া
৯.৪ ১৯১১ ৰ গোখলেৰ বিল
৯.৪.১ বিলখনৰ সন্দর্ভত চৰকাৰৰ প্রতিক্রিয়া
৯.৪.২ বিলখল অগ্রাহ্য কৰাৰ কাৰণসমূহ
৯.৫ প্রাথমিক শিক্ষাৰ ওপৰত গোখলেৰ বিলৰ প্রভাৱ
৯.৬ ভাৰত চৰকাৰৰ শিক্ষা প্রস্তাৱ ১৯১৩
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯১০ চনৰ গোখলেৰ প্রস্তাৱ বর্ণনা কৰিবলৈ সক্ষম হ'ব।
- ১৯১১ চনৰ গোখলে বিলৰ মূল ধাৰাবোৰ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।
- বিলখন কি কাৰণৰ বাবে অগ্রাহ্য হ'ল তাক জানিব পাৰিব।
- ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ বিকাশত গোখলে আৰু বিলৰ প্রভাৱ আলোচনা কৰিব পাৰিব।
- ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত উল্লেখ কৰা হৈছে যে কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতবর্ষৰ জনসাধাৰণৰ মনত জাতীয়তাবোধৰ চেতনা জাগ্রত হোৱাৰ ফলত এটা ৰাষ্ট্রীয় পদ্ধতিৰ শিক্ষাৰ প্রয়োজনীয়তা আহি পৰিছে। সেই শিক্ষাৰ আধাৰ হিচাপে জাতিটোৰ পৰম্পৰা আৰু পৈত্রিক সংস্কৃতিক লোৱাৰ কথা উপলব্ধি হৈছে। ১৯০৬ চনত বহা কলিকতা কংগ্রেছ সম্মিলনত এনি বেচেন্টে ঘোষণা কৰিছিল যে সমগ্র দেশত এটা জাতীয় শিক্ষা ব্যৱস্থা সংগঠিত কৰিব

লাগে। গোপালকৃষ্ণ গোখলে এগৰাকী জাতীয়তাবাদী নেতা আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ সক্ৰিয় সদস্য আছিল। তেওঁ ১৯০৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হৈছিল লগতে গোখলে ১৯০২ চনত ইংৰাজ ইম্পেৰিয়েল আইন সভাৰ অনা-কাৰ্যালয় সদস্য হৈছিল। তেতিয়ালৈ গোখলে পুনাৰ ফাৰগুচন কলেজৰ অধ্যাপক আৰু অধ্যক্ষ হৈ আছিল। জাতীয়তাবাদী নেতা হিচাপে গোখলে ভাৰতৰ সামাজিক তথা ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত প্ৰাথমিক শিক্ষাৰ গুৰুত্বতা উপলব্ধি কৰিছিল। তেওঁ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ অৰ্থে সাহসিকতাৰে এখন বিল উত্থাপন কৰিছিল। গোখলেৰ দাবীটো শক্তিশালী হোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল বৰোদাৰ মহাৰজা চয়াজীৰাওঁ গেকৱাদৰ প্ৰচেষ্টাটোৱে। ***গেকৱাদে*** ইতিমধ্যে তেওঁৰ ৰাজ্যত প্ৰাথমিক শিক্ষা মুক্ত আৰু বাধ্যতামূলক কৰাৰ ব্যৱস্থা কৰিছিল। গোখলে উৎসাহিত হৈ বিলখন আইনসভাত উত্থাপন কৰি সাহসিকতাৰ পৰিচয় দিছিল। অধ্যায়টোত গোখলেৰ ১৯১০ চনৰ প্ৰস্তাৱ, গোখলেৰ ১৯১১ চনৰ বিধেয়ক আৰু ১৯১৩ চনৰ ভাৰত চৰকাৰৰ শিক্ষা প্ৰস্তাৱৰ আলোচনাকো সামৰি লোৱা হৈছে।



চয়াজীৰাওঁ গেকৱাদেঃ
[Sayaji Rao Gaikwad]

৯.৩ গোখলেৰ প্ৰস্তাৱ ১৯১০

১৯১০ চনৰ ১০ মাৰ্চত মহামতি গোখলেই ৰাজকীয় আইন সভাত Imperial Legislative Council ত প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰিবৰ কাৰণে এক প্ৰস্তাৱ দাঙি ধৰিছিল এনেধৰণে— 'This Council Recommends that a beginning should be made in the direction of making elementary education free and compulsory throughout the country, and that a mixed commission of officials and non-officials be appointed at an early date to frame definite proposal.'

এই প্ৰস্তাৱত সন্নিবিষ্ট মূল কথাখিনি আছিল—

- কেন্দ্ৰীয় চৰকাৰৰ তলত এটা শিক্ষা বিভাগ সম্পূৰ্ণ পৃথকভাৱে খুলিব লাগে আৰু সেই বিভাগৰ দায়িত্বত ৰৱলাটৰ আইন সভাৰ এগৰাকী সদস্যক ৰাখিব লাগে।
- ৬-১০ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ কাৰণে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব লাগে।
- শতকৰা ৩৫ ভাগ ছাত্ৰই শিক্ষা গ্ৰহণ কৰা এলেকাতহে প্ৰাৰম্ভিকভাৱে এই শিক্ষাৰ ব্যৱস্থা কৰিবৰ বাবে স্থানীয় কৰ্তৃপক্ষক ক্ষমতা দিব লাগিব।
- প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত যি খৰচ হ'ব সেই খৰচ ১:২ অনুপাতত স্থানীয় কৰ্তৃপক্ষ আৰু প্ৰাদেশিক চৰকাৰে বহন কৰিব লাগিব।
- কেন্দ্ৰীয় চৰকাৰে প্ৰাথমিক শিক্ষাৰ দায়িত্ব প্ৰাদেশিক চৰকাৰৰ হাতত এৰি দিব লাগে।

৯.৩.১ প্ৰস্তাৱৰ প্ৰতিক্ৰিয়া

গোখলেৰ প্ৰস্তাৱৰ প্ৰতিক্ৰিয়াস্বৰূপে চৰকাৰে আশ্বাস দিয়ে যে প্ৰাথমিক শিক্ষাৰ এই গোটেই বিষয়টো অতি সাৱধানে বিচাৰ কৰা হ'ব। চৰকাৰে প্ৰস্তাৱৰ

প্রতি জনোৱা সঁহাৰিস্বৰূপে কেন্দ্রীয় চৰকাৰৰ তলত এটা প্রাথমিক শিক্ষাৰ বিভাগ খোলে আৰু এজন শিক্ষা সচিব নিযুক্ত কৰে। প্রাথমিক শিক্ষাৰ অগ্রগতি সম্বন্ধে চৰকাৰী প্রতিবেদনো প্রকাশ কৰে। কিন্তু প্রস্তাৱটোৰ মূল বিষয় অর্থাৎ প্রাথমিক শিক্ষা বাধ্যতামূলক কৰা সম্বন্ধে কোনো কাম হাতত লোৱা নহ'ল। প্রাথমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰে গোখলেৰ প্রস্তাৱ প্রত্যাহাৰ কৰে। কিন্তু তথাপিও এই প্রস্তাৱটোৱেই ভাৰতৰ সর্বসাধাৰণ লোকৰ দৃষ্টি আকর্ষণ কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) গোপাল কৃষ্ণ গোখলে এগৰাকী ..... নেতা আছিল।

(খ) গোখলে আকর্ষিত হৈছিল বৰোদাৰ ..... প্রচেষ্টাৰ দ্বাৰা।

(গ) বাধ্যতামূলক প্রাথমিক শিক্ষাৰ ব্যৱস্থা ..... বয়সৰ ল'ৰা-ছোৱালীৰ বাবে প্রয়োগ হোৱা উচিত।

(ঘ) এটা সুকীয়া ..... বিভাগ ..... তলত স্থাপন হ'ব লাগে।

(ঙ) বাধ্যতামূলক প্রাথমিক শিক্ষাৰ বিকাশ চোৱাচিতা কৰিবলৈ এগৰাকী .....নিযুক্তি দিব লাগে।

(চ) প্রাথমিক শিক্ষাৰ খৰছৰ অংশ ..... আৰু ..... ল'ব লাগিব।

৯.৪ ১৯১১ চনৰ গোখলে বিল

কেন্দ্রীয় চৰকাৰে প্রাথমিক শিক্ষা বিস্তাৰৰ কাৰণে কোনো কার্যকৰী ব্যৱস্থা নোলোৱাত গোখলে এবছৰ পিছত অর্থাৎ ১৯১১ চনৰ ১৬ মার্চত ইম্পিৰিয়েল লেজিচলেটিভ কাউন্সিলত দ্বিতীয়বাৰৰ কাৰণে নতুনক এখন বিল উত্থাপন কৰে। ইয়াৰ মূল দফাবোৰ হ'ল—

- প্রাথমিক শিক্ষা কোন কোন অঞ্চলত বাধ্যতামূলক কৰা হ'ব সেইটো সেই অঞ্চলৰ স্থানীয় সংস্থাৰ সদস্যসকলেহে স্থিৰ কৰিব। কোনো অঞ্চল নির্বাচিত হ'বৰ কাৰণে কিমান সংখ্যক ছাত্র-ছাত্রী স্কুলত পঢ়ি থাকিব লাগিব সেইটো ঠিক কৰিব প্রাদেশিক চৰকাৰে।
- যিটো অঞ্চল বাধ্যতামূলক প্রাথমিক শিক্ষা প্রচলনৰ কাৰণে নির্বাচিত হয় সেই অঞ্চলৰ স্বায়ত্ব শাসিত সভাই গোটেই অঞ্চলত নাইবা কোনো এটা অংশত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰিব পাৰিব।
- যি অঞ্চলত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ নীতি প্রৱর্তিত হ'ব তাত ছাত্র-ছাত্রীক স্কুলত পঠাবৰ বাবে অভিভাৱকসকলক বাধ্য কৰা হ'ব।
- প্রাথমিক শিক্ষা প্রথমে বাধ্যতামূলক কৰা হ'লেও অবৈতনিক কৰা নহ'ব। কিন্তু অভাৱগ্রস্ত

অভিভাৱকে (যাৰ আয় মাহিলী দহ টকাৰ কম) যাতে ল'ৰা-ছোৱালীক পঢ়াবৰ বাবে কোনো মাছুল আদি দিবলগীয়া নহয় সেইটোও বিবেচনা কৰিব লাগিব।

- ৬-১০ বছৰৰ ছোৱালীৰ ক্ষেত্ৰত প্ৰথমে এই আইন বাধ্যতামূলক নহ'ব। কিন্তু লাহে লাহে ছোৱালীৰ ক্ষেত্ৰতো বাধ্যবাধকতা আৰোপ কৰা হ'ব।
- লোকেল বোৰ্ড আৰু মিউনিচিপেলিটিয়ে নতুন স্কুল পতা, প্ৰচলিত স্কুলক স্বীকৃতি দান কৰা আদিৰ দায়িত্ব ল'ব।
- স্কুলত উপস্থিতিৰ সময় আৰু দিন ধাৰ্য কৰাৰ দায়িত্ব থাকিব প্ৰাদেশিক শিক্ষা বিভাগৰ ওপৰত।
- স্কুলৰ উপস্থিতি বাধ্যতামূলক হৈছে নে নাই তাক চাবৰ বাবে এখন স্কুল উপস্থিতি কমিটি গঠন কৰিব লাগিব।
- স্থানীয় কৰ্তৃপক্ষই প্ৰাদেশিক চৰকাৰৰ অনুমতি সাপেক্ষে শিক্ষাৰ কাৰণে বিশেষ কৰ লগাব পাৰিব।
- প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ কাৰণে যি খৰচ হ'ব সেই খৰচৰ এক তৃতীয়াংশ স্থানীয় কৰ্তৃপক্ষই, দুই তৃতীয়াংশ প্ৰাদেশিক চৰকাৰে বহন কৰিব।

৯.৪.১ বিলখনৰ সন্দৰ্ভত চৰকাৰৰ প্ৰতিক্ৰিয়া

১৯১১ চনৰ গোখলে বিলখন পৰীক্ষা কৰাৰ বাবে নিৰ্বাচন সমিতিলৈ প্ৰেৰণ কৰা হৈছিল আৰু সমিতিত ১৫ জন সদস্য আছিল। বিলখনৰ ওপৰত মতামত বিচাৰি ৰাজ্যিক চৰকাৰবোৰ, বিশ্ববিদ্যালয়সমূহ আৰু স্থানীয় শিক্ষা সমিতিবোৰলৈ পঠোৱা হৈছিল। বিলখন ১৯১২ চনৰ ১৭ মাৰ্চত আলোচনাৰ বাবে আইন সভালৈ অনা হ'ল। ১৯১২ চনৰ ১৮ মাৰ্চ আৰু ১৯ মাৰ্চত দুদিনীয়াকৈ বিলখনৰ ওপৰত উত্তপ্ত আলোচনা চলে। গোখলে বিলখনৰ সমৰ্থনত শক্তিশালী যুক্তি প্ৰদৰ্শন কৰিছিল কিন্তু চৰকাৰে বিলখন গ্ৰহণ কৰাৰ পক্ষপাতি নাছিল। শেষত বিলখন ভোটৰ বাবে প্ৰেৰণ কৰা হ'ল যদিওঁ ১৩ টা ভোট সপক্ষে আৰু ৩৮ টা ভোট বিপক্ষে দিয়াৰ ফলত বিলখন অগ্ৰাহ্য হ'ল। বিলখন অগ্ৰাহ্য হোৱাৰ বাবে গোখলে আঁচৰিত হোৱা নাছিল আৰু ভোটলৈ যোৱাৰ আগতে গোখলে তলত দিয়া উক্তিটো প্ৰকাশ কৰিছিল যে— "দিনটো শেষ হোৱাৰ আগতে মোৰ বিধেয়কখন দলিয়াই পেলোৱা হ'ব বুলি মই জানো। তাৰবাবে মই কোনো আপত্তি নকৰো। মই আনকি হতাশো অনুভৱ নকৰো; মই সদায় অনুভৱ কৰি আহিছো আৰু কৈ আহিছো যে আমি এই ভাৰতীয় বংশধৰসকলে কেৱল মাথোন আমাৰ অকৃতকাৰ্যতাৰ মাজেদিয়েই দেশক সেৱা কৰাৰ আশা কৰিব পাৰো। যিসকল পুৰুষ আৰু মহিলাই দেশ মাতৃক তেওঁলোকৰ কৃতকাৰ্যতাৰে সেৱা কৰাৰ সুযোগ পাব তেওঁলোক পিছতহে আহিব।"

৯.৪.২ বিলখন অগ্রাহ্য কৰাৰ কাৰণ

গোখলেৰ এই বিলখন যেতিয়া চিলেক্ট কমিটি শ্চSelect Committeeগ্ন লৈ পৰীক্ষা কৰিবৰ কাৰণে পঠিয়াই দিয়া হ'ল তেতিয়া সদস্যসকলে দাবী উত্থাপন কৰাত বিলখনৰ ওপৰত ভোটদানৰ ব্যৱস্থা কৰা হ'ল। ৩৮ জনে বিলখনৰ বিপক্ষে আৰু মাত্ৰ ১৩ জনেহে বিলখনৰ সপক্ষে ভোট দিয়ে। ফলত বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচলনৰ ব্যৱস্থা ব্যাহত হয়। বিলখন অগ্রাহ্য হোৱাৰ কাৰণ হিচাপে বিপক্ষ দলৰ সদস্যসকলে এইদৰে যুক্তি আগবঢ়াইছিল যে—

- প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰিবৰ বাবে জনসাধাৰণৰ পৰা কোনোধৰণৰ দাবী উত্থাপিত হোৱা নাছিল।
- আনকি বহুত ভাৰতীয় সদস্যই বিলখনৰ বিৰোধিতা কৰিছিল।
- প্ৰাদেশিক চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষ ইয়াৰ পক্ষপাতী নাছিল।
- প্ৰাথমিক শিক্ষাক চৰকাৰৰ ফালৰপৰা বাধ্যতামূলক নকৰি স্বেচ্ছামূলক ভিত্তিত সম্প্ৰসাৰণ কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ আমাৰ দেশত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে গোপালকৃষ্ণ গোখলে কৰা প্ৰচেষ্টাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং ৩ঃ ১৯১১ চনৰ গোখলে বিলৰ তিনিটা গুৰুত্বপূৰ্ণ ধাৰা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ঃ বিলখন কেনেকৈ অগ্রাহ্য হ'ল লিখক।

.....

.....

প্ৰশ্ন নং ৫ঃ কিবোৰ কাৰণত বিলখন অগ্রাহ্য হ'ল?

.....

.....

৯.৫ প্ৰাথমিক শিক্ষাত গোখলেৰ বিলৰ প্ৰভাৱ

মহামতি গোখলেৰ বিলখন যদিও চিলেক্ট কমিটিত অগ্রাহ্য হ'ল তথাপি তেওঁৰ

প্রস্তাৱে প্রাদেশিক চৰকাৰ আৰু দেশবাসীৰ মনোযোগ এই স্তৰৰ শিক্ষাৰ প্রতি আকর্ষিত কৰা দেখা গ'ল। গোখলেই তেওঁৰ বিলখন আগতেই অগ্রাহ্য হ'ব বুলি অনুমান কৰিব পাৰিছিল। সেইদিনা পুৱাতে তেওঁ কৈছিল যে "বিতর্কৰ পিছত আজিৰ দিনটোৰ শেহলৈ বিলখন অগ্রাহ্য হ'ব, তাৰবাবে তেওঁৰ কোনো আক্ষেপ নাই। কিন্তু তেওঁলোকে দেশক বিফল প্রচেষ্টাৰেই সেৱা কৰি দেশবাসীৰ মনত জাতীয় চেতনা জগাই তুলিব লাগিব। আৰু ভৱিষ্যতে দেশবাসী আৰু চৰকাৰে এনে প্রচেষ্টাক দলিয়াই পেলাব নোৱাৰিব।"

সঁচাকৈয়ে পৰবর্তী কালত গোপাল কৃষ্ণ গোখলেৰ দাবীমতেই চৰকাৰে শিক্ষা বিভাগ গঠন কৰে। ১৯১১ চনৰ পাছত প্রাথমিক শিক্ষাৰ সন্দর্ভত হোৱা সভা-সমিতি, আলোচনা, আইন প্রণয়ন আদি সকলো ক্ষেত্রতে প্রাথমিক শিক্ষাক বাধ্যতামূলক আৰু অবৈতনিক কৰাৰ সপক্ষে জনমত গঢ়ি উঠিছিল। ১৯১২ চনত ৰজা পঞ্চম জর্জ ভাৰতলৈ আহে আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রসাৰৰ বাবে ৫০ লাখ টকাৰ মঞ্জুৰী আগবঢ়ায়। ১৯১৩ চনত কেন্দ্রীয় চৰকাৰে শিক্ষানীতি সম্বন্ধে দিয়া প্রস্তাৱতো প্রাথমিক শিক্ষা অবৈতনিক আৰু বাধ্যতামূলক কৰাৰ বাবে চৰকাৰে সাহায্য আগবঢ়াব বুলি ঘোষণা কৰিছিল। ১৯১৭ চনত বিঠল ভাই পেটেলে বোম্বাইৰ প্রাদেশিক আইন সভাত সমস্ত বোম্বাই চহৰ বাদ দি বাকী মিউনিচিপাল কর্তৃপক্ষৰ অধীনত থকা অঞ্চলত বাধ্যতামূলক শিক্ষাৰ কাৰণে কৰা বিলখন ১৯১৮ চনত আইনত পৰিণত হৈছিল। আৰু পোন প্রথমবাৰৰ বাবে বাধ্যতামূলক শিক্ষা প্রসাৰৰ বাবে আইন প্রৱর্তন কৰি চৰকাৰৰ পৰা স্বীকৃতি প্রদান কৰা হৈছিল। এইটোও গোখলেৰ বিলৰেই সুপ্রভাৱ বুলিব পাৰি। ১৯১৯ চনত মন্টফোর্ট সংশোধনী আইন প্রণয়ন হোৱাত আৰু ইয়াৰ পৰিপ্রেক্ষিততত দ্বৈতশাসনৰ ব্যৱস্থা হোৱাত প্রাদেশিক চৰকাৰসমূহে যিবোৰ প্রাথমিক শিক্ষাৰ আইন প্রণয়ন কৰিছিল সেইবোৰ গোখলেৰ বিলৰ আধাৰত তৈয়াৰ কৰা হৈছিল। ১৯১৯ চনত ভাৰত শাসন আইন পাছ হোৱাৰ লগে লগে প্রত্যেক প্রাদেশিক চৰকাৰে ১৯১৯-১৯৩০ চনৰ ভিতৰত প্রাথমিক শিক্ষাক বাধ্যতামূলক আৰু সার্বজনীন কৰিবৰ কাৰণে আইনও পাছ কৰা হয়। মুঠতে গোখলেৰ বিলৰ প্রভাৱ পৰবর্তী শিক্ষা নীতিৰ ওপৰত বাৰুকৈয়ে পৰিছিল।



চিন্তা-চর্চা কৰক — ৫.১

ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ বিকাশৰ ক্ষেত্রত গোখলেৰ প্রচেষ্টাই সহায় কৰিছিল। ব্যাখ্যা কৰক।

.....

.....

.....

৯.৬ ভাৰত চৰকাৰৰ শিক্ষা প্রস্তাৱ ১৯১৩

গোপাল কৃষ্ণ গোখলেৰ বিলখন চিলেক্ট কমিটিলৈ পঠোৱাৰ পাছত অগ্রাহ্য হ'ল

যদিও ভাৰতত শিক্ষাৰ দাবী জনপ্রিয় হৈ উঠিল। জনসাধাৰণে শিক্ষাৰ ন ন নীতি উত্থাপন কৰিলে। সেই সময়তে ৰজা পঞ্চম জর্জ ইংলেণ্ডৰ পৰা ভাৰত ভ্রমণলৈ আহে। তেওঁ ভাৰতবর্ষত শিক্ষাৰ আলোক বিতৰণ কৰাৰ উদ্দেশ্যে প্রাথমিক শিক্ষা বিস্তাৰত বিশেষ অৰিহণা যোগাইছিল। দিল্লীৰ দৰবাৰত সম্রাটে ঘোষণা কৰিছিল যে— "ভৰিষ্যতে দেশৰ কৃষি, উদ্যোগ আৰু অন্যান্য ক্ষেত্রত উপযুক্তভাৱে কার্য সম্পাদন কৰাৰ কাৰণে ভাৰতীয় নাগৰিকসকলক শিক্ষিত কৰি তোলা আৰু এই উদ্দেশ্যে দেশত স্কুল-কলেজ স্থাপন কৰাটোৱে হ'ল মোৰ প্রধান উদ্দেশ্য (It is my wish that there may be spread over the land a network of Schools and Colleges from which will go forth loyal and many useful citizens able to hold their own in industries and agriculture and vocations of life.)।" এই উদ্দেশ্যে পঞ্চম জর্জে ৰাজকীয় ভঁৰালৰ পৰা ৫০,০০০ টকাৰ এটা অনুদানও আগবঢ়াইছিল।

গোখলেৰ বিল আৰু ৰজাৰ ঘোষিত এই নীতিয়ে ভাৰতৰ বৃটিছ চৰকাৰক কিছু অসুবিধাত পেলালে। তেওঁলোকে গোখলেৰ বিলখনৰ বিৰোধিতা কৰাৰ কৈফিয়ৎ দিব লগা হ'ল আৰু ভৰিষ্যতে ভাৰতত কি শিক্ষা নীতি গ্রহণ কৰিব তাক জনাব লগাত পৰিল। এনে পৰিস্থিতিত শিক্ষাৰ নতুন নীতি চৰকাৰে প্রস্তাৱ আকাৰে ১৯১৩ চনৰ ২১ ফেব্রুৱাৰীত ঘোষণা কৰে। এই নীতিয়ে ভাৰতৰ শিক্ষা বুৰঞ্জীত '১৯১৩ চনৰ শিক্ষা নীতি বা প্রস্তাৱ' নামে জনাজাত। ইয়াত প্রাথমিক শিক্ষাৰ উপৰিও মাধ্যমিক আৰু উচ্চ শিক্ষা পর্যায়তো চৰকাৰে ল'ব খোজা শিক্ষা ব্যৱস্থা প্রকাশ কৰা হয়। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

l **প্রাথমিক শিক্ষা সম্বন্ধে ঃ**

- চৰকাৰৰ প্রশাসনিক আৰু অর্থনৈতিক অসুবিধাৰ বাবে বর্তমান সময়ত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰিব যদিও নোৱাৰে, তথাপি প্রাথমিক শিক্ষাৰ উন্নয়ন আৰু সম্প্রসাৰণৰ বাবে যথাসাধ্য চেষ্টা কৰিব।
- প্রাথমিক শিক্ষা সম্প্রসাৰণৰ বাবে স্থানীয় কর্তৃপক্ষক চৰকাৰে অধিক মঞ্জুৰীৰ ব্যৱস্থা কৰিব।
- নিম্ন প্রাথমিক স্কুলত লিখা-পঢ়া, গণিত শিক্ষাৰ বাহিৰেও অংকণ, গাঁৱৰ মেপ অধ্যয়ন, প্রকৃতি পাঠ, শৰীৰ চর্চা আদি অন্তর্ভুক্ত কৰিব লাগে।
- বেচৰকাৰী স্কুলৰ পৰিবর্তে বোর্ড স্কুল স্থাপন কৰিব লাগে।
- স্কুলত স্বাস্থ্য বিজ্ঞানৰ শিক্ষা দিব লাগে আৰু সময়ে সময়ে স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- দেশীয় প্রাথমিক স্কুলবোৰক উৎসাহিত কৰিব লাগিব।
- নগৰ আৰু গাঁও অঞ্চলৰ পাঠ্যক্রমৰ মাজত পার্থক্য ৰাখিব নালাগে।
- স্থানীয় কর্তৃপক্ষবোৰে তেওঁলোকৰ নিজ নিজ এলেকাত অধিক সংখ্যক স্কুল স্থাপন কৰিব লাগে।

- যিবোৰ ঠাইত স্থানীয় কৰ্তৃপক্ষই স্কুল স্থাপন কৰিব নোৱাৰে, তেনে ঠাইত ব্যক্তিগত উদ্যোগীসকলক উৎসাহিত কৰিব লাগে।
- প্ৰাথমিক স্কুলৰ শিক্ষকসকল মজলীয়া পৰীক্ষাত উত্তীৰ্ণ হোৱা আৰু এবছৰ প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে। স্কুলৰ দীঘলীয়া বন্ধৰ সময়ত প্ৰাথমিক স্কুলৰ শিক্ষকসকলৰ বাবে চমু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
- পিছপৰা আৰু দুখীয়া অঞ্চলৰ ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- কম খৰচৰ অথচ অধিক সা-সুবিধা থকা প্ৰাথমিক স্কুল ঘৰ স্থাপন কৰিব লাগে।
- প্ৰতিটো শ্ৰেণীৰ বাবেই শিক্ষকক নিযুক্তি দিব লাগে আৰু কোনো শিক্ষকেই ৫০ জনতকৈ অধিক ছাত্ৰ একোটা শ্ৰেণীত পঢ়াব নালাগে।
- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলৰ দৰমহা মাহিলী ১২ টকাতকৈ কম হ'ব নালাগে। তেওঁলোকক পেঞ্চন আৰু ভবিষ্য-নিধিৰ সুবিধাও প্ৰদান কৰিব লাগে।

l **মাধ্যমিক শিক্ষা সম্বন্ধে ঃ**

মাধ্যমিক শিক্ষা সন্দৰ্ভত এই ঘোষণাই নিম্নোক্ত প্ৰস্তাৱসমূহ গ্ৰহণ কৰিছিল—

- চৰকাৰে মাধ্যমিক শিক্ষাৰপৰা সম্পূৰ্ণ আঁতৰি আহিব নালাগিব।
- মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণৰ দায়িত্ব বেচৰকাৰী অনুষ্ঠানৰ হাতত এৰি দিব লাগিব। বেচৰকাৰী অনুষ্ঠানসমূহক চৰকাৰে উপযুক্ত আৰ্থিক সাহায্য আগবঢ়াব লাগিব।
- চৰকাৰে নতুনকৈ কোনো মাধ্যমিক স্কুল স্থাপন নকৰে। আগতে স্থাপন হোৱা চৰকাৰী স্কুলবোৰক বেচৰকাৰী স্কুলৰ আদৰ্শ হিচাপে ৰখা হ'ব।
- মাধ্যমিক স্কুলৰ পাঠ্যক্ৰমৰ কিছু সংস্কাৰ সাধন কৰি ইয়াক অধিক বাস্তাৱমুখী আৰু কাৰ্যকৰী কৰি তুলিব লাগিব।
- লৰ্ড কাৰ্জনৰ দিনত মাধ্যমিক স্কুলসমূহে দ্বৈতভাৱে স্বীকৃতি (অৰ্থাৎ বিশ্ববিদ্যালয় আৰু শিক্ষা বিভাগ) পাব লাগিছিল। ফলত বিশ্ববিদ্যালয় আৰু শিক্ষা বিভাগৰ মাজত কেতিয়াবা মতানৈক্যও হোৱা দেখা গৈছিল। সেয়েহে এই প্ৰস্তাৱত কোৱা হয় যে বিশ্ববিদ্যালয়ে স্বীকৃতি প্ৰদানৰ নীতি তুলি দিব লাগে আৰু এনে স্বীকৃতি প্ৰদান কেৱল চৰকাৰৰ শিক্ষা বিভাগেহে দিব লাগে।
- মাধ্যমিক স্কুলৰ পৰিদৰ্শনৰ ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ১৯১৩ চনৰ প্ৰস্তাৱত ভাৰত চৰকাৰে প্ৰাথমিক শিক্ষাৰ উন্নতি সাধন কৰিবলৈ কি কি ব্যৱস্থা হাতত লৈছিল?

.....

.....

প্রশ্ন নং ৭ ঃ ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱত মাধ্যমিক শিক্ষাৰ উন্নতি সাধনৰ বাবে কি কি পদক্ষেপ লোৱাৰ বাবে প্রস্তাৱনা আগবঢ়াইছিল চমুকৈ বর্ণনা কৰক।

.....

.....

l **বিশ্ববিদ্যালয় শিক্ষা সম্বন্ধে ঃ**

বিশ্ববিদ্যালয় শিক্ষা সংক্রান্তত এই ঘোষণাপত্রত সন্নিবিষ্ট হোৱা মূল দফাবোৰ আছিল এনেধৰণৰ—

- বিশ্ববিদ্যালয় শিক্ষাৰ আৱশ্যকীয় সম্প্রসাৰণ ঘটোৱা হ'ব।
- প্রত্যেক প্রদেশতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব। মফচল ঠাইত থকা কলেজসমূহক লাহে লাহে শিক্ষাদান দিয়া বিশ্ববিদ্যালয়লৈ উন্নীত কৰিব লাগিব।
- হাইস্কুলক স্বীকৃতি দিয়াৰ দায়িত্ব বিশ্ববিদ্যালয়ৰ হাতৰপৰা নি প্রাদেশিক চৰকাৰৰ হাতত ন্যস্ত কৰা হ'ব।
- নতুনকৈ স্থাপন কৰা বিশ্ববিদ্যালয়সমূহ আবাসিক হ'ব।
- প্রত্যেক বিশ্ববিদ্যালয়তে স্নাতকোত্তৰ পাঠদানৰ ব্যৱস্থা কৰা হ'ব।

l **স্ত্রী-শিক্ষা সম্বন্ধে ঃ**

এই ঘোষণা পত্রই নাৰী শিক্ষাৰ দিশত তলত উল্লেখ কৰা দফাবোৰ সন্নিবিষ্ট কৰিছিল— ছোৱালী স্কুলৰ পাঠ্যক্রম ল'ৰাৰ পাঠ্যক্রমতকৈ বেলেগ কৰিব লাগিব। ছোৱালী স্কুলত মহিলা শিক্ষয়িত্রী নিযুক্তি দিব লাগিব। শিক্ষয়িত্রীৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। ছোৱালীৰ ক্ষেত্রত পৰীক্ষাক অধিক প্রাধান্য দিয়া নহয়।

প্রশিক্ষণপ্রাপ্ত মহিলা শিক্ষক আৰু পৰিদর্শকৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে। ১৯১৩ চনৰ শিক্ষা নীতিৰ প্রস্তাৱৰ ফলত ১৯১৩-১৯২১ চনৰ ভিতৰত দেশত শিক্ষাৰ প্রসাৰ হোৱা দেখা গৈছিল। বিশেষকৈ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্রত এই প্রস্তাৱ বিশেষ তাৎপর্যপূর্ণ আছিল। কিন্তু প্রাথমিক শিক্ষাক বাধ্যতামূলক কৰাৰ দাবী অগ্রাহ্য কৰা হয়। অৱশ্যে প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাহিৰে আন সকলো দিশৰেই প্রয়োজন পূৰণৰ প্রস্তাৱ কৰা হয়। প্রশাসনিক দিশত সেয়েহে আৱশ্যকীয় পৰিবেশ গঢ়ি তোলা হয়। স্ত্রী-শিক্ষাকো উদ্‌গনি যোগোৱা হয়। ১৯১৪ চনত বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ বাবে বহুবোৰ কথা আংশিকভাৱেহে বাস্তৱত ৰূপায়িত কৰিব পৰা গ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱত বিশ্ববিদ্যালয় শিক্ষা সন্দর্ভত কি কি পৰামর্শ আগবঢ়াইছিল?

.....

.....

প্ৰশ্ন নং ৯ঃ ১৯১৩ চনৰ প্ৰস্তাৱত মহিলা শিক্ষাৰ বাবে কেনেকুৱা ব্যৱস্থাৰ উল্লেখ কৰিছিল চমুকৈ বৰ্ণনা কৰক।

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰ আৰম্ভণিতে আমি ভাৰতবৰ্ষত জাতীয় জাগৰণৰ সূত্ৰপাত কৰা বিখ্যাত জাতীয়তাবাদী নেতা গোপাল কৃষ্ণ গোখলে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰিছোহক।
- অধ্যায়টোৰ পৰা জানিব পৰা গৈছে যে তেওঁ আইন সভাৰ এগৰাকী সদস্য আছিল আৰু ১৯১০ চনত এটা প্ৰস্তাৱ আগবঢ়াইছিল। প্ৰস্তাৱটোত উল্লেখ কৰা কথাখিনি আছিল যি ঠাইত শতকৰা ৩৫% ল'ৰাই শিক্ষা লাভত ব্ৰতী হৈ আছে আৰু তেওঁলোকৰ বয়স হ'ল ৬-১০ বছৰ তেনে ঠাইত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব লাগে।
- প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ দায়িত্ব ৰাজ্যিক চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষৰ ওপৰত ন্যস্ত কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা সুকীয়া শিক্ষা বিভাগ খুলি এইক্ষেত্ৰত পদক্ষেপ ল'ব লাগে।
- এইক্ষেত্ৰত চোৱাচিতা কৰাৰ বাবে এগৰাকী সচিব নিয়োগ কৰি জমা খৰছৰ তালিকা প্ৰস্তুত কৰাৰ লগতে বিকাশৰ প্ৰতিবেদন প্ৰস্তুত কৰিব লাগে।
- গোখলে এটা সময়ত প্ৰস্তাৱটো উঠাই ল'লে যেতিয়া চৰকাৰে এইক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ ব্যৱস্থা হ'ব বুলি নিশ্চিত কৰিলে। চৰকাৰে এটা শিক্ষা বিভাগ স্থাপন কৰি কেন্দ্ৰীয় চৰকাৰৰ অধীনত এগৰাকী সচিব নিয়োগ কৰিলে যদিওঁ বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ মূল দাবীটো স্পৰ্শ নকৰাকৈ থাকিল।
- তেনে অৱস্থাৰ সৃষ্টি হোৱাৰ ফলত গোপাল কৃষ্ণ গোখলে আগৰ দাবীটোকে ১৯১১ চনৰ ১৭ মাৰ্চত বিধেয়ক হিচাপে উত্থাপন কৰিলে। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বিধেয়কখন ১৯১২ চন নিৰ্বাচন সমিতিলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিলে আৰু বিধেয়কখন আইন সভাত ৩৮ বনাম ১৩টা ভোটত অগ্ৰাহ্য হ'ল। অধ্যয়ণৰ মাধ্যমত আকৌ গম পোৱা গ'ল যে বিধেয়কখন ভাৰতীয় জনগণৰ অধিক সংখ্যকৰ মতামত লৈ প্ৰস্তুত হোৱা নাই আৰু সকলো জনগণেই বাধ্যতামূলকভাৱে শিক্ষা ল'ব নিবিচাৰে। ইয়াৰ উপৰিওঁ ৰাজ্যিক চৰকাৰ আৰু ভাৰতবৰ্ষৰ শিক্ষিত ব্যক্তিসকলে বিধেয়কখন সমৰ্থন কৰা নাই।

- অধ্যায়টোৰ শেষৰপিনে আমি আলোচনা কৰিছো যে সমগ্ৰ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত বিধেয়কখনৰ প্ৰভাৱ পৰিছে।
- ভাৰত চৰকাৰে আগৰ নীতি-নিয়মবোৰ পুনৰীক্ষণ কৰিলে আৰু বহুবোৰ সংস্কাৰ সাধন কৰি এটা নতুন নীতি প্ৰণয়ন কৰিলে। সেই নীতি সন্নিবিষ্ট প্ৰস্তাৱনাটোক ১৯১৩ চনৰ ভাৰত চৰকাৰৰ শিক্ষা প্ৰস্তাৱ হিচাপে পোৱা যায়।
- এই প্ৰস্তাৱটোত প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, উচ্চ শিক্ষা আৰু মহিলা শিক্ষাক সামৰি লোৱা হৈছে। অধ্যায়টোৰ শেষত প্ৰস্তাৱনাটোৰ মূল ব্যৱস্থাবোৰ উল্লেখ কৰা হৈছে।



৯.৮ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
২) ডেকা, বীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-১
৩) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৪) ৰাৱাত, পি এল ঃ *History of Indian Education*, Ram Prasad & Sons, Agra-3

৯.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) জাতীয়তাবাদী
(খ) চয়াজী ৰাওঁ গেকৱাদে
(গ) ৬-১০ বছৰ
(ঘ) শিক্ষা
(ঙ) সচিব
(চ) ৰাজ্য, কেন্দ্ৰীয় চৰকাৰে

২নং প্ৰশ্নৰ উত্তৰ ঃ গোপালকৃষ্ণ গোখলে জাতীয়তাবাদী নেতা আছিল। তেওঁ সামাজিক তথা ৰাজনৈতিক পৰিপ্ৰেক্ষিতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাথমিক শিক্ষাৰ গুৰুত্বতা উপলব্ধি কৰিছিল। আইন সভাৰ সদস্য হিচাপে তেওঁ ১৯১০ চনত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰি তোলাৰ বাবে এটা প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু চৰকাৰে তেওঁৰ

প্রস্তাৱটো আওপাকে আওকাণ কৰি আছিল। তেনে এটা অৱস্থা হোৱাত গোখলে পুনৰ সেই প্রস্তাৱটো বিধেয়ক হিচাপে আইন সভাত উত্থাপন কৰে ১৯১১ চনত। তেওঁৰ সেই প্রচেষ্টাটো ভোটৰ মাধ্যমেৰে অগ্রাহ্য হয়। গোখলে প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে প্রচেষ্টা অব্যাহত ৰাখিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ ১৯১১ চনৰ গোখলে বিলৰ গুৰুত্বপূর্ণ ধাৰা তিনিটা আছিল—

ক) শতকৰা ৩৫% ভাগ ছাত্রই শিক্ষা গ্রহণ কৰা এলেকাতহে প্রাৰম্ভিকভাৱে এই শিক্ষাৰ ব্যৱস্থা কৰিবৰ বাবে স্থানীয় কর্তৃপক্ষক ক্ষমতা দিব লাগিব।

খ) প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্রত যি খৰছ হ'ব সেই খৰছ ১:২ অনুপাতত স্থানীয় কর্তৃপক্ষ আৰু প্রাদেশিক চৰকাৰে বহন কৰিব।

গ) কেন্দ্রীয় চৰকাৰে প্রাথমিক শিক্ষাৰ দায়িত্ব প্রাদেশিক চৰকাৰৰ হাতত এৰি দিব লাগে।

৪নং প্রশ্নৰ উত্তৰ ঃ বিলখন আলোচনাৰ বাবে আইন সভালৈ প্রেৰণ কৰা হৈছিল আৰু দুদিন ধৰি ইয়াৰ ওপৰত বিতর্ক চলিছিল। শেষত বিলখন ভোটৰ বাবে দিয়া হৈছিল আৰু ৩৮-১৩ ভোটৰ ব্যৱধানত বিধেয়কখন অগ্রাহ্য হৈছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ বিধেয়কখন অগ্রাহ্য হোৱাৰ কাৰণবোৰ আছিল—

ক) প্রাথমিক শিক্ষাক বাধ্যতামূলক কৰিবৰ বাবে জনসাধাৰণৰপৰা কোনোধৰণৰ দাবী উত্থাপিত হোৱা নাই।

খ) বহুটো ভাৰতীয় লোকে বিধেয়কখনৰ বিৰোধিতা কৰিছিল।

গ) প্রাদেশিক চৰকাৰ আৰু স্থানীয় কর্তৃপক্ষ ইয়াৰ পক্ষপাতি নাছিল।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ অৱস্থাটো উন্নত কৰাৰ অর্থে বিভিন্ন ধৰণৰ উপায় অৱলম্বণ কৰাৰ প্রস্তাৱনা আগবঢ়াইছিল। যেনে— পাঠ্যক্রমৰ উন্নতি সাধন কৰা হৈছিল, নিম্ন পর্যায়ৰ প্রাথমিক বিদ্যালয়বোৰক উচ্চ প্রাথমিক বিদ্যালয় পর্যায়লৈ উন্নত কৰিছিল, স্থানীয় কর্তৃপক্ষৰ নতুন বিদ্যালয় স্থাপন কৰা হৈছিল, বিদ্যালয় ব্যৱস্থাৰ উন্নতি সাধন, শিক্ষক প্রশিক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা, শিক্ষকৰ দৰমহা আৰু পৰিশীলন পাঠ্যক্রমৰ ব্যৱস্থাকৰণ।

৭নং প্রশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰৰ ১৯১৩ চনৰ শিক্ষা প্রস্তাৱত মাধ্যমিক শিক্ষা সন্দর্ভত লোৱা পদক্ষেপবোৰ হ'ল—

ক) চৰকাৰে মাধ্যমিক শিক্ষাৰপৰা সম্পূর্ণ আঁতৰি আহিব নালাগিব।

খ) মাধ্যমিক শিক্ষাৰ সম্প্রসাৰণৰ দায়িত্ব বেচৰকাৰী অনুষ্ঠানৰ হাতত এৰি দিব লাগিব। বেচৰকাৰী অনুষ্ঠানসমূহক চৰকাৰে উপযুক্ত আর্থিক সাহার্য আগবঢ়াব লাগিব।

গ) চৰকাৰে নতুনকৈ কোনো মাধ্যমিক স্কুল স্থাপন নকৰে। আগতে স্থাপন হোৱা চৰকাৰী স্কুলবোৰক বেচৰকাৰী স্কুলৰ আদর্শ হিচাপে ৰখা হ'ব।

ঘ) মাধ্যমিক স্কুলৰ পাঠ্যক্রমৰ কিছু সংস্কাৰ সাধন কৰি ইয়াক অধিক বাস্তৱমুখী আৰু কার্যকৰী কৰি তুলিব লাগিব।

৮নং প্রশ্নৰ উত্তৰ ঃ

১। পৰামর্শবোৰ হ'ল তলত দিয়াধৰণৰ—

ক) বিশ্ববিদ্যালয় শিক্ষাৰ আৱশ্যকীয় সম্প্রসাৰণ ঘটোৱা হ'ব।

খ) প্রত্যেক প্রদেশত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব।

গ) মফচল ঠাইত থকা কলেজসমূহক লাহে লাহে শিক্ষাদান দিয়া বিশ্ববিদ্যালয়লৈ উন্নীত কৰিব লাগিব।

ঘ) হাইস্কুলসমূহক স্বীকৃতি দিয়াৰ দায়িত্ব বিশ্ববিদ্যালয়ৰপৰা নি প্রাদেশিক চৰকাৰৰ হাতত ন্যস্ত কৰা হ'ব।

ঙ) নতুনকৈ স্থাপন হোৱা বিশ্ববিদ্যালয়সমূহ আবাসিক হ'ব।

চ) প্রত্যেক বিশ্ববিদ্যালয়তে স্নাতকোত্তৰ পাঠদানৰ ব্যৱস্থা কৰা হ'ব।

৯নং প্রশ্নৰ উত্তৰ ঃ ১৯১৩ চনৰ প্রস্তাৱত স্ত্রী-শিক্ষাৰ ক্ষেত্রত আগবঢ়োৱা পৰামর্শসমূহ হ'ল—

ক) ছোৱালী স্কুলৰ পাঠ্যক্রম ল'ৰাৰ পাঠ্যক্রমতকৈ বেলেগ হ'ব লাগিব।

খ) ছোৱালী স্কুলত মহিলা শিক্ষয়িত্রী নিযুক্তি দিব লাগিব আৰু শিক্ষয়িত্রীৰ সংখ্যা বৃদ্ধি কৰিব লাগিব।

গ) ছোৱালীৰ ক্ষেত্রত পৰীক্ষাক অধিক প্রাধান্য দিয়া নহ'ব।

ঘ) প্রশিক্ষণপ্রাপ্ত মহিলা শিক্ষক আৰু পৰিদর্শিকাৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে।



৯.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মুক্ত আৰু বাধ্যতামূলক প্রাথমিক শিক্ষাৰ তাৎপর্য্য কি আছিল?

প্রশ্ন ২ ঃ ১৯১১ চনৰ গোপালকৃষ্ণ গোখলেৰ প্রাথমিক শিক্ষা বিধেয়কখনৰ মূল দিশসমূহ কি আছিল?

প্রশ্ন ৩ ঃ চমুকৈ লিখক ঃ

(ক) গোপালকৃষ্ণ গোখলে

(খ) ১৯১০ চনৰ গোখলেৰ প্রস্তাৱ

(গ) ১৯১১ চনৰ গোখলে বিধেয়ক

(ঘ) গোখলে বিধেয়কখন অগ্রাহ্য হোৱাৰ কাৰণসমূহ

(ঙ) ভাৰত চৰকাৰৰ ১৯১৩ চনৰ প্রস্তাৱ আৰু প্রাথমিক শিক্ষা

খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৯১০-১১ চনত গোপালকৃষ্ণ গোখলে প্ৰাথমিক শিক্ষা মুক্ত আৰু বাধ্যতামূলক কৰাৰ বাবে চলোৱা প্ৰচেষ্টাখিনি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ১৯১১ চনৰ গোপালকৃষ্ণ গোখলেৰ প্ৰাথমিক শিক্ষা বিধেয়কখনৰ মূল দিশসমূহ আলোচনা কৰক। ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত ই কিমানদূৰ সহায় কৰিছিল?

প্ৰশ্ন ৩ ঃ ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰলৈ গোপালকৃষ্ণ গোখলে আগবঢ়োৱা অৱদানখিনি আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ১৯১১ চনৰ গোখলে বিল সন্দৰ্ভত তোমাৰ ধাৰণা ব্যক্ত কৰা। কি কাৰণৰ বাবে বিধেয়কখন অগ্ৰাহ্য হৈছিল?

প্ৰশ্ন ৫ ঃ গোখলে বিধেয়ক কি? গোখলেৰ প্ৰস্তাৱসমূহ কি কি আছিল? বিধেয়কখন কিয় অগ্ৰাহ্য কৰা হৈছিল? ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱটো চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগ- ১(১৯১৭-১৯১৯)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ আয়োগ গঠনৰ প্রয়োজনীয়তা

১০.৪ আয়োগৰ নিযুক্তি

১০.৫ আয়োগৰ কার্য্যক্ষেত্র

১০.৬ আয়োগৰ প্রতিবেদন

- ১০.৬.১ মাধ্যমিক শিক্ষাৰ ওপৰত আয়োগৰ পৰামর্শাৱলী
- ১০.৬.২ ইণ্টাৰমিডিয়েট পর্যায়ৰ ওপৰত পৰামর্শাৱলী
- ১০.৬.৩ বিশ্ববিদ্যালয়ৰ শিক্ষা সম্বন্ধে পৰামর্শাৱলী
- ১০.৬.৪ কলিকতা বিশ্ববিদ্যালয়ৰ সম্বন্ধে পৰামর্শাৱলী
- ১০.৬.৫ অন্যান্য পৰামর্শসমূহ

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আয়োগ গঠন কৰিবলগীয়া হোৱাৰ প্রয়োজনীয়তা বুজি পাবলৈ সমর্থ হ'ব।
- আয়োগৰ কার্য্যক্ষেত্রৰ ধাৰণাসমূহৰ লগত চিনাকি হ'বলৈ সমর্থ হ'ব।
- আয়োগৰ মাধ্যমিক শিক্ষা সন্দর্ভৰ পৰামর্শাৱলী ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব।
- আয়োগে ইণ্টাৰমিডিয়েট পর্যায়ৰ ক্ষেত্রত দিয়া পৰামর্শ বর্ণনা কৰিবলৈ সমর্থ হ'ব।
- বিশ্ববিদ্যালয় আৰু কলিকতা বিশ্ববিদ্যালয় সন্দর্ভত দিয়া পৰামর্শৱলীসমূহ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব।

১০.২ পৰিচয়

আমি আগৰ অধ্যায়ত প্রাথমিক শিক্ষা সন্দর্ভত গোখলে বিধেয়ক আৰু ১৯১৩ চনৰ ভাৰত চৰকাৰৰ শিক্ষা প্রস্তাৱৰ বিষয়ে আলোচনা কৰিলো। ১৯১৩ চনৰ প্রস্তাৱনাত কোৱা হৈছে যে প্রত্যেকখন প্রদেশতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে, বিশ্ববিদ্যালয়ৰ

শিক্ষাদান কার্যক উৎসাহ প্রদান কৰিব লাগে, মফচল ঠাইত অৱস্থিত কলেজসমূহক উন্নত অৱস্থালৈ নি সময়ত শিক্ষাদান কৰা বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগে। প্রথম বিশ্বযুদ্ধৰ আৰম্ভণিয়ে প্রস্তাৱনাৰ পৰামর্শাৱলীসমূহ কার্যকৰীকৰণত বিলম্ব আনি দিলে কাৰণ চৰকাৰে যুদ্ধত শক্তি খৰচ কৰিবলগীয়া হ'ল। বিশ্বযুদ্ধৰ অন্ত পৰাৰ পিছত চৰকাৰে ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ বাবে এখন আয়োগ গঠন কৰি দিয়ে। অধ্যায়টোত আমি, আয়োগখন গঠন কৰাৰ প্রয়োজনীয়তা, শিক্ষাৰ বিভিন্ন দিশত আয়োগখনে আগবঢ়োৱা পৰামর্শাৱলী, আয়োগৰ পৰামর্শাৱলীৰ মূল্যায়ন আৰু পৰিণতি সম্বন্ধে আলোচনা কৰিম।

১০.৩ আয়োগ গঠনৰ প্রয়োজনীয়তা

প্রথমতে আমি আয়োগখন গঠন কৰাৰ প্রয়োজনীয়তাখিনি আলোচনা কৰিম।

১৯১৩ চনত ভাৰত চৰকাৰৰ শিক্ষা নীতিত প্রত্যেক প্রদেশতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন, বিশ্ববিদ্যালয়সমূহ আবাসিক হোৱাৰ উপৰিও শিক্ষাদানৰ দায়িত্ব গ্রহণ কৰা, তেতিয়া চলি থকা বিশ্ববিদ্যালয়সমূহত উচ্চতম শিক্ষাৰ বাবে সা-সুবিধা দিয়াৰ কথা উল্লেখ কৰা হয় যদিও বিভিন্ন কাৰণত এইসমূহ কার্যত পৰিণত হৈ নুঠিল। ১৯১৪ চনত লর্ড হেলদেনৰ সভাপতিত্বত বিশ্ববিদ্যালয় শিক্ষা আয়োগ এখন গঠন কৰি বিশ্ববিদ্যালয়ৰ সংস্কাৰৰ বাবে ভাৰত চৰকাৰে প্রস্তাৱ লৈছিল। কিন্তু প্রথম বিশ্বযুদ্ধৰ বাবে আৰু লর্ড হেলদেনে সভাপতিত্ব গ্রহণ কৰিবলৈ মান্তি নোহোৱা বাবে এই প্রস্তাৱ কার্যকৰী নহ'ল। তথাপি ভাৰত চৰকাৰে সেই সময়ৰ শিক্ষাত থকা আসোঁৱাহসমূহ লক্ষ্য কৰে আৰু সেইবোৰৰ প্রতিকাৰৰ আৱশ্যকতা অনুভৱ কৰে। সেয়েহে চৰকাৰে ১৯১৭ চনত, প্রথম মহাযুদ্ধ শেষ হোৱাত কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। এই আয়োগৰ প্রধান উদ্দেশ্য আছিল সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু ভৱিষ্যৎ উন্নতিৰ সম্ভাৱনাৰ বিষয়ে অনুসন্ধান কৰি গঠনমূলক পৰামর্শ দাঙি ধৰা।

ভাৰত চৰকাৰে গঠন কৰা এই আয়োগৰ সভাপতি আছিল ড° মাইকেল চেডলাৰ। তেখেত ইংলণ্ডৰ লিডছ বিশ্ববিদ্যালয়ৰ উপাচার্য্য আছিল। এই আয়োগক সভাপতিৰ নাম অনুসৰি চেডলাৰ আয়োগ বুলিও কোৱা হয়। এই আয়োগৰ আন আন সদস্যসকল আছিল, ছাৰ আশুতোষ মুখার্জী, ড° জিয়াউদ্দিন আহমেদ, ড° গ্রেগৰী, ছাৰ ফিলিপ হাৰটগ, অধ্যাপক ৰামছে মুইৰ আদি। ছাৰ আশুতোষ মুখার্জী আয়োগৰ অতি প্রভাৱশালী ব্যক্তি আছিল আৰু তেওঁ বিশ্ববিদ্যালয়খনৰ উপাচার্য আছিল।

কলিকতা বিশ্ববিদ্যালয় আয়োগে ১৯১৯ চনত তেওঁলোকৰ প্রতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যাসমূহ সমাধানৰ বাবে তাত বহুতো পৰামর্শ দাঙি ধৰা হৈছিল। এই পৰামর্শসমূহ যদিও প্রধানকৈ কলিকতা বিশ্ববিদ্যালয়ৰ কাৰণে আছিল, ভাৰতৰ আন বিশ্ববিদ্যালয়সমূহৰ সমস্যাবোৰো একে হোৱা বাবে এই পৰামর্শসমূহ সেই সময়ৰ সকলো বিশ্ববিদ্যালয়ৰ কাৰণে সমানে প্রযোজ্য আছিল। আয়োগৰ প্রতিবেদনে ভাৰতৰ মাধ্যমিক

শিক্ষাৰ পৰা বিশ্ববিদ্যালয় শিক্ষালৈকে ব্যাপকভাৱে আৰু তুলনামূলকভাৱে কৰা অধ্যয়ণক সামৰি লৈছিল। যিহেতু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মূল ভেটি হৈছে মাধ্যমিক শিক্ষা, গতিকে আয়োগে প্ৰথমে মাধ্যমিক শিক্ষাৰ দিশটো পৰীক্ষা কৰি চায়। আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ বিভিন্ন সমস্যাসমূহ অধ্যয়ণ কৰে আৰু এইসমূহ সমাধানৰ বাবে বহুতো পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে ইংৰাজ প্ৰশাসনৰ কালছোৱাত ১৫ বছৰৰ ভিতৰতেই দুখনকৈ বিশ্ববিদ্যালয় আয়োগ গঠন কৰা হয়।

১০.৪ আয়োগৰ নিযুক্তি

আয়োগৰ নিযুক্তি কেনেকৈ হ'ল এতিয়া চোৱা যাওক —

১৯১৪ চনতেই ভাৰত চৰকাৰে বিশ্ববিদ্যালয় শিক্ষাৰ অনুসন্ধানৰ বাবে প্ৰয়োজনীয়তা অনুভৱ কৰে। সেই অনুসৰি লণ্ডন বিশ্ববিদ্যালয়ৰ অনুসন্ধানৰ অধ্যক্ষ লৰ্ড হেল্‌ডেনকেই অধ্যক্ষস্বৰূপে নিযুক্তি দি এখন আয়োগ গঠন কৰা হয়। কিন্তু ইতিমধ্যে প্ৰথম বিশ্ব মহাযুদ্ধ আৰম্ভ হোৱা বাবে লৰ্ড হেলডেনে ভাৰতলৈ আহিবলৈ নিবিচাৰে। ইয়াৰ ফলত প্ৰস্তাৱিত আয়োগ গঠন হৈ উঠিব নোৱাৰিলে। বিশ্ব মহাযুদ্ধ শাম কাটিলত ভাৰত চৰকাৰে ইংলণ্ডৰ লীডচ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মাইকেল চেডলাৰক অধ্যক্ষস্বৰূপে লৈ ১৯১৭ চনৰ ১৪ চেপ্তেম্বৰত কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। সেইবাবে এই আয়োগক চেদলাৰ আয়োগ নামেও জনা যায়। অধ্যক্ষৰ উপৰিও আন ছজন লোকক এই আয়োগৰ সদস্যস্বৰূপে নিযুক্তি দিয়া হয়। তেওঁলোক হৈছে ড° গ্ৰেগৰি, চাৰ ফিলিপ হাৰ্টগ, অধ্যাপক ৰামচে মুইৰ, বংগৰ শিক্ষাধিকাৰ মিঃ হৰ্ণেল, ড° জিয়াউদ্দিন আহমেদ আৰু চাৰ আশুতোষ মুখাৰ্জী।

১০.৫ আয়োগৰ কাৰ্য্যক্ষেত্ৰ

এই আয়োগৰ ক্ৰিয়া পৰিসৰ সম্বন্ধে স্পষ্ট কৰি কোৱা হয় যে কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু ইয়াৰ বিস্তৃতি সম্বন্ধে অনুসন্ধান কৰিবলৈ আৰু এই বিশ্ববিদ্যালয়ৰ দ্বাৰা সৃষ্টি কৰা প্ৰশ্ন সম্বন্ধে (স্নাতকোত্তৰ পৰ্যায়ত দিয়া শিক্ষা সম্বন্ধে) বিবেচনা কৰি গঠনাত্মক পৰামৰ্শ আগবঢ়াবলৈ এই আয়োগ গঠন কৰা হৈছে।

এই আয়োগক কলিকতা বিশ্ববিদ্যালয় আয়োগস্বৰূপে নামাকৰণ কৰা হয়। ইয়াৰ কাৰণ হৈছে সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ ক্ৰিয়াকলাপ অধিক বৃদ্ধি হৈ উঠি অধিক সংখ্যক কলেজ ইয়াৰ নিয়ন্ত্ৰণাধীন হোৱা বাবে বিশ্ববিদ্যালয়ত প্ৰশাসনীয় জটিলতাই দেখা দিছিল। ইয়াৰ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু প্ৰয়োজনীয় পৰামৰ্শ দিবলৈ এই আয়োগ মূলতে গঠন কৰা হয়। ইয়াৰ উপৰিও সেই সময়ত ভাৰততে থকা আনকেইখন বিশ্ববিদ্যালয়তো অনুৰূপ সমস্যাই দেখা দিছিল। সেই হেতুকে এই সম্বন্ধে অনুসন্ধান কৰি এক ব্যাপক পৰিসৰৰ অধ্যয়ণ আৰু প্ৰতিবেদন যুগুত কৰিবলৈ এই আয়োগক কৰ্তৃত্ব দিয়া হয়।

এই প্রসংগত উল্লেখযোগ্য যে উচ্চ শিক্ষাৰ সংস্কাৰ সাধন কৰিবৰ বাবে মাধ্যমিক শিক্ষাৰো আৱশ্যকীয় সংস্কাৰ সাধন কৰাটো প্ৰয়োজন বুলি আয়োগে অনুভৱ কৰে। সেইবাবে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ অধ্যয়ণ কৰাৰ লগতে আয়োগে মাধ্যমিক পর্যায়ৰ শিক্ষাৰো প্ৰয়োজনীয় অধ্যয়ন আৰু পৰামর্শ আগবঢ়ায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

১। কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰা হয় ..... চনত।

২। আয়োগখনৰ সভাপতি আছিল .....।

৩। তেওঁ ..... বিশ্ববিদ্যালয়ৰ উপাচার্য আছিল।

৪। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচার্য আছিল .....।

৫। আয়োগখনে প্রতিবেদন দাখিল কৰিছিল ..... চনত।

৬। আয়োগখনৰ মূল উদ্দেশ্য আছিল ..... কর্মৰাজি আৰু অৱস্থাৰ বিষয়ে অনুসন্ধান কৰা।

১০.৬ আয়োগৰ প্রতিবেদন

আমি এতিয়া শিক্ষাৰ বিভিন্ন পর্যায়ৰ বাবে আয়োগে দিয়া পৰামর্শসমূহ আলোচনা কৰিম।

চেদলাৰ আয়োগে ভাৰতৰ বিশ্ববিদ্যালয়কেইখন ভ্রমণ কৰি প্রতিবেদন প্রস্তুত কৰি তোলোতে ১৭ মাহ সময় লাগে। ১৯১৯ চনত প্রস্তুত প্রতিবেদনখন চৰকাৰক দাখিল কৰা হয়। আয়োগে ১৩টা ভিন ভিন দিশত পৰামর্শ আগবঢ়ায়। এইসমূহে মাধ্যমিক, ইন্টাৰমিডিয়েট, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা পর্যায় সামৰি লয়। এই পর্যায়কেইটাৰ উপৰিও স্ত্রী-শিক্ষা, শিক্ষক-প্রশিক্ষণ, কাৰিকৰী শিক্ষা, ব্যৱসায়িক শিক্ষা আদি আন কেতবোৰ দিশৰ ওপৰতো পৰামর্শ আগবঢ়ায়। বিশ্ববিদ্যালয়ৰ শৈক্ষিক মানদণ্ড উন্নত কৰি তোলাৰ দিশত আয়োগে আগবঢ়োৱা জ্ঞানধর্মী পৰামর্শসমূহৰ নতুনত্ব আৰু ইয়াৰ গভীৰতা বিশেষ মন কৰিবলগীয়া।

১০.৬.১ মাধ্যমিক শিক্ষাৰ ওপৰত আয়োগৰ পৰামর্শাৱলী

আয়োগখনে মাধ্যমিক শিক্ষা সম্বন্ধে বিস্তৃতভাৱে অধ্যয়ন কৰিছে। মাধ্যমিক আৰু উচ্চ শিক্ষা পৰস্পৰ সম্বন্ধিত আৰু মাধ্যমিক শিক্ষা হ'ল উচ্চ শিক্ষাৰ আধাৰ। আয়োগখনে মত পোষণ কৰিছিল যে উচ্চ শিক্ষাৰ ক্ষেত্রত বিপ্লৱী পৰিবর্তন সাধন কৰাটো সহজসাধ্য নহয় যদি মাধ্যমিক পর্যায়ত পৰিবর্তন সাধন কৰা নহয়। সেয়েহে উচ্চ শিক্ষাৰ বিকাশ সাধন কৰাৰ বাবে মাধ্যমিক শিক্ষা ব্যৱস্থাটোৰ আমূল পৰিবর্তন

সাধন কৰিবলৈ পৰামর্শ আগবঢ়ালে। আয়োগখনে পৰামর্শ আগবঢ়ালে যে মাধ্যমিক আৰু উচ্চ শিক্ষাৰ মাজত এটি পাঠ্যক্রম থাকিব যাৰ নাম হ'ব ইন্টাৰমিডিয়েট পাঠ্যক্রম (মধ্যৱর্তী)। চৰকাৰে 'ইন্টাৰমিডিয়েট কলেজ' নামেৰে এবিধ নতুন অনুষ্ঠান সৃষ্টি কৰিব। বর্তমান আমি মাধ্যমিক শিক্ষাই ভুগি থকা আসোঁৱাহখিনি আলোচনা কৰিম আৰু তাৰ পিছত সংস্কাৰ সাধনৰ বাবে পৰামর্শ আগবঢ়াম।

- *মাধ্যমিক শিক্ষাৰ দোষ-ত্রুটি ঃ* আয়োগে মাধ্যমিক পর্যায়ৰ শিক্ষাৰ দিশত নিজ পৰামর্শ দিয়াৰ পূর্বে ইয়াৰ কেতবোৰ গুৰুতৰবিধৰ দোষ-ত্রুটি আৰু দুর্বলতাৰ প্রতি দৃষ্টি আকর্ষণ কৰে। এই দিশত আয়োগে লক্ষ্য কৰা দুর্বলতাসমূহ আছিল এনেধৰণৰ—
  - মাধ্যমিক শিক্ষাৰ পর্যাপ্ত বিকাশ আৰু প্রসাৰ লাভ হৈছে যদিও ইয়াৰ গুণাত্মক দিশৰ বিকাশ হৈ উঠা নাই।
  - শিক্ষকসকলৰ দৰমহা নিচেই কম হোৱা হেতুকে শিক্ষকতাৰ বাবে যোগ্য ব্যক্তিক আকর্ষণ কৰিব নোৱাৰে।
  - অধিক সংখ্যক স্কুলৰ শিক্ষকসকল প্রশিক্ষণপ্রাপ্ত নহয়।
  - স্কুলবোৰত শিক্ষাদানৰ সা-সঁজুলি আৰু সুবিধা আদিৰ বিশেষ অভাৱ।
  - স্কুলসমূহ মেট্রিক পৰীক্ষাৰ দ্বাৰা বিশেষভাৱে প্রভাবিত, অথচ এই শিক্ষাৰ মানদণ্ডও উন্নতবিধৰ নহয়।
  - মাধ্যমিক শিক্ষাৰ লক্ষ্যও হৈছে সংকীর্ণবিধৰ। কেৱল মেট্রিক পৰীক্ষা উত্তীর্ণ হোৱাটোৱেই হৈছে ইয়াৰ লক্ষ্য।
  - এই পর্যায়ৰ পাঠ্যক্রমত অধ্যয়নৰ বাবে কার্যকৰী আৰু ব্যৱসায়িক বিষয়সমূহৰ ওপৰত মনোযোগ দিয়া হোৱা নাই।
  - বহু সংখ্যক মাধ্যমিক স্কুল আছে, যিবোৰে আর্থিক অনাটন ভোগ কৰিছে।
  - স্কুলসমূহ নিয়মিতভাৱে পৰিদর্শন কৰা নহয়।
  - বিশ্ববিদ্যালয় আৰু চৰকাৰৰ শিক্ষা বিভাগৰ নিজ নিজ অধিকাৰক্ষেত্র সম্বন্ধে মত পার্থক্য আছে।
- *সংস্কাৰ সাধনৰ পৰামর্শ (Suggestions for Reform) ঃ* আয়োগে দোষ-ত্রুটিবোৰ আঙুলিয়াই দিয়াৰ অন্তত মাধ্যমিক শিক্ষাৰ বাবে তলৰ পৰামর্শসমূহ আগবঢ়ায়—
  - মাধ্যমিক শিক্ষাৰ উপযুক্ত বিকাশৰ বাবে চৰকাৰৰ অর্থ-সাহার্যৰ প্রয়োজন।
  - এই পর্যায়ৰ পাঠ্যক্রম বিভাজিত কৰিব তুলিব লাগে।
  - হাইস্কুলৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।

- প্রতিখন ৰাজ্যতে মাধ্যমিক আৰু ইণ্টাৰ মিডিয়েট শিক্ষা পৰিষদ গঠন কৰিব লাগে।
- এই শিক্ষা পৰিষদে পাঠ্যক্রম প্রস্তুত কৰা আৰু স্কুল-কলেজৰ স্বীকৃতি প্রদান কৰাৰ দায়িত্ব গ্রহণ কৰিব লাগে।
- মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট পৰিষদ (Board of Secondary and Intermediate Education) এক স্বায়ত্ব শাসিত সংস্থা হ'ব লাগে আৰু ই চৰকাৰী হস্তক্ষেপৰ পৰা মুক্ত হ'ব লাগে।
- এই পৰিষদৰ সদস্যসকল চৰকাৰী আৰু বেচৰকাৰী দুয়োবিধৰ হ'ব লাগে আৰু তেওঁলোকক বিশ্ববিদ্যালয় আৰু স্কুল-কলেজ আদিৰপৰা নির্বাচিত কৰিব লাগে।

১০.৬.২ ইণ্টাৰমিডিয়েট পর্যায়ৰ ওপৰত পৰামর্শাৱলী

আয়োগে মাধ্যমিক পর্যায়ত দিয়া পৰামর্শাৱলীৰ এক নতুনত্ব হৈছে ইণ্টাৰমিডিয়েট পর্যায় নতুনকৈ আৰু স্বতন্ত্রভাৱে খুলিবলৈ কোৱাটো। শিক্ষাৰ এই পর্যায় বিশ্ববিদ্যালয়ৰপৰা পৃথক কৰিবলৈ কোৱা হয় আৰু মাধ্যমিক শিক্ষা পর্যায়ৰপৰাও হয় স্বতন্ত্রভাৱে অথবা সংযুক্তভাৱে পৰিচালনা কৰিবলৈ কোৱা হয়। এই সম্বন্ধে আয়োগে দিয়া পৰামর্শসমূহ তলত উল্লেখ কৰা হৈছে—

- মাধ্যমিক আৰু বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষাৰ মাজত ইণ্টাৰমিডিয়েট পর্যায় স্থাপন কৰিব লাগে আৰু মেট্রিকুলেচন পৰীক্ষাৰ পৰিবর্তে ইণ্টাৰমিডিয়েট আৰু বিশ্ববিদ্যালয়ৰ মাজতহে বিভাজন ৰেখা স্থিৰ কৰিব লাগে।
- চৰকাৰে ইণ্টাৰমিডিয়েট নামে শিক্ষাৰ এক পর্যায় স্থাপন কৰিব লাগে। এই পর্যায়ত কলা, বিজ্ঞান, অভিযান্ত্রিক, চিকিৎসা, বাণিজ্য আদি বিষয়ৰ অধ্যয়ন অন্তর্ভুক্ত কৰিব লাগে।
- ইণ্টাৰমিডিয়েট পর্যায়ৰ কলেজসমূহ স্বতন্ত্রভাবে পৰিচালিত হ'ব লাগে অথবা কোনো নির্বাচিত হাইস্কুলৰ লগত সংযোগ কৰিব লাগে।
- ইণ্টাৰমিডিয়েট শ্রেণীসমূহৰ আকাৰ সৰু হ'ব লাগে, যাতে ছাত্র আৰু শিক্ষকসকলে ওচৰ সম্বন্ধ স্থাপন কৰিব পাৰে।
- ইণ্টাৰমিডিয়েট কলেজবোৰত আলোচনা চক্র আৰু টিউটৰিয়েল ক্লাচ আদিৰ ব্যৱস্থা কৰিব লাগে।
- এই পর্যায়ৰ শিক্ষাৰ অন্ততহে ছাত্রই বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে প্রৱেশ কৰিব লাগে।
- ইণ্টাৰমিডিয়েট শিক্ষা পৰিষদৰ দ্বাৰা ই স্বতন্ত্রভাৱে পৰিচালিত হ'ব লাগে আৰু চৰকাৰে ইয়াত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিশ্ববিদ্যালয় শিক্ষাৰ আধাৰ শিক্ষাৰ কোনটো পর্যায় আছিল?

.....

.....

প্রশ্ন নং ৩ ঃ চেদলাৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ দোষবোৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ মাধ্যমিক শিক্ষাৰ উন্নতি সাধনৰ বাবে চেদলাৰ আয়োগে আগবঢ়োৱা পৰামর্শাৱলীসমূহ কি কি আছিল?

.....

.....

প্রশ্ন নং ৫ ঃ মধ্যৱর্তী বা ইণ্টাৰমিডিয়েট পর্যায়ৰ শিক্ষা কি?

.....

.....

প্রশ্ন নং ৬ ঃ এই পাঠ্যক্রম (মধ্যবর্তী) কিয় প্রবর্তন কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৭ ঃ মাধ্যমিক আৰু মধ্যবর্তী (ইণ্টাৰমিডিয়েট) পর্যায়ৰ শিক্ষা পৰিষদৰ কামবোৰ উল্লেখ কৰক।

.....

.....

১০.৬.৩ বিশ্ববিদ্যালয়ৰ শিক্ষা সম্বন্ধে পৰামর্শাৱলী

আমি ইতিমধ্যে মাধ্যমিক আৰু মধ্যবর্তী পর্যায়ৰ বাবে আয়োগে আগবঢ়োৱা পৰামর্শখিনি আলোচনা কৰিলো। চেদ্‌লাৰ আয়োগৰ মুখ্য উদ্দেশ্য আছিল বিশ্ববিদ্যালয় শিক্ষাৰ সংস্কাৰ সাধন কৰা। এই দিশত আয়োগে মুখ্যভাবে উচ্চ শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি তোলাত প্রাধান্য দিয়ে। ইয়াৰ ফলত ভাৰতীয় বিশ্ববিদ্যালয়কেইখনৰ শৈক্ষিক তৎপৰতা আৰু ক্রিয়া পৰিসৰ অধিক বৃদ্ধি কৰি তোলে। ইয়াৰ বাবে প্রয়োজনীয় শৈক্ষিক প্রশাসনৰ গাঁথনি প্রস্তুত কৰি তোলাৰো নির্দেশ দিয়ে। সেইবাবে উচ্চ শিক্ষাৰ দিশত আয়োগৰ পৰামর্শৱলীক শৈক্ষিক আৰু প্রশাসনীয়স্বৰূপে দুটা ভাগত বিভক্ত কৰিব পাৰি। এই সম্বন্ধে থকা নির্দেশসমূহ তলত পৃথকভাৱে উল্লেখ কৰা হৈছে—

- *শৈক্ষিক সংস্কাৰ ঃ*
  - স্নাতক পর্যায়ৰ শিক্ষা কাল ৩ বছৰীয়া হ'ব লাগে।
  - উচ্চ শিক্ষাত টিউটৰিয়েল শ্রেণী আৰু আলোচনা চক্র আদিৰ ব্যৱস্থা কৰিব লাগে।
  - বিভিন্ন বিষয়ৰ 'ফেকাল্টি'সমূহত শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ ভিতৰত কলা, বিজ্ঞান, অভিযান্ত্রিক, কৃষি, বাণিজ্য, চিকিৎসা আদি অন্তর্ভুক্ত কৰিব লাগে।
  - প্রতিখন বিশ্ববিদ্যালয়ত 'শিক্ষা বিভাগ' খুলিব লাগে আৰু স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ত এই বিষয়ৰ শিক্ষা দিব লাগে।
  - স্নাতক পর্যায়ৰ শিক্ষাত 'অনার্চ' আৰু 'পাচ' পাঠ্যক্রমৰ ব্যৱস্থা কৰিব লাগে।
  - ভাৰতীয় ভাষাসমূহৰ অধ্যয়নৰ বাবেও 'অনার্চ' আৰু 'পাচ' পাঠ্যক্রম থাকিব লাগে।
  - বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম ইংৰাজী ভাষা হ'ব লাগে।
  - বিশ্ববিদ্যালয়ত প্রাচ্যৰ ভাষাসমূহ অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।
  - বিভিন্ন বিশ্ববিদ্যালয়ৰ কর্তৃপক্ষসমূহে তেওঁলোকৰ অভিজ্ঞতা আৰু মতামত বিনিময় কৰিবৰ বাবে সন্মিলন আহ্বান কৰিব লাগে।
  - ছাত্রসকলৰ কল্যাণৰ বাবে বিশ্ববিদ্যালয়ে একোখন ছাত্র কল্যাণ পৰিষদ গঠন কৰিব লাগে আৰু ইয়াত চিকিৎসকসকলকো স্থান দিব লাগে।
  - বিশ্ববিদ্যালয়বোৰে ছাত্রসকলৰ দৈহিক স্বাস্থ্য ৰক্ষাৰ প্রতিও যত্ন লব লাগে। ইয়াৰ বাবে দৈহিক প্রশিক্ষণ সঞ্চালক নিযুক্তি দিব লাগে।
  - মুছলমান ছাত্রসকলৰ অনগ্রসৰতা গুচাবৰ বাবে বিশেষ শিক্ষাৰ সুবিধা দানেৰে উৎসাহিত কৰি তুলিব লাগে।
- প্রশাসনীয় সংস্কাৰ ঃ
  - বিশ্ববিদ্যালয়ৰ ওপৰত চৰকাৰৰ নিয়ন্ত্রণ কঠোৰ হ'ব নালাগে। নিজ ক্রিয়া মুক্ত আৰু স্বতন্ত্রভাৱে কৰিবলৈ শিথিলতাৰ নীতি গ্রহণ কৰিব লাগে।
  - বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে বিশিষ্ট নির্বাচন কমিটি গঠন কৰিব লাগে।
  - বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ প্রশাসন পৰিচালনাৰ বাবে পূর্বৰ 'চিনেটৰ' পৰিবর্তে 'বিশ্ববিদ্যালয় কোর্ট' আৰু 'চিণ্ডিকেটৰ' পৰিবর্তে 'কার্যকৰী পৰিষদ' গঠন কৰিব লাগে।
  - বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম, পৰীক্ষা, উপাধি প্রদান আৰু অনুশাসন আদি শৈক্ষিক দিশসমূহৰ কার্য পৰিচালনাৰ বাবে 'শৈক্ষিক পৰিষদ' গঠন কৰিব লাগে।

- বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ ক্ষমতা বৃদ্ধি কৰি তুলিব লাগে আৰু উপাচার্য এজন পূর্ণকালীন বিষয়াস্বৰূপে নিযুক্তি হ'ব লাগে।
- বিশ্ববিদ্যালয়ৰ সংবদ্ধ কলেজবোৰৰ সহযোগিতা অধিক বৃদ্ধি কৰি তুলিব লাগে।
- ভিন ভিন বিশ্ববিদ্যালয়ৰ মাজত যোগাযোগ ৰক্ষা কৰিবৰ বাবে আন্তঃ বিশ্ববিদ্যালয় সংস্থা (Inter-University Board) গঠন কৰিব লাগে।

১০.৬.৪ কলিকতা বিশ্ববিদ্যালয়ৰ সম্বন্ধে পৰামর্শাৱলী

আমি জানো যে এই আয়োগ নিযুক্তিৰ এক প্রধান কাৰণ আছিল কলিকতা বিশ্ববিদ্যালয়ৰ প্রশাসনীয় সমস্যা সমাধানৰ পৰামর্শ দিয়া। এই বিশ্ববিদ্যালয়ৰ সংবদ্ধ কলেজ আৰু ইয়াৰ ছাত্র-ছাত্রীৰ সংখ্যা বৃদ্ধি হৈ ইয়াৰ প্রশাসন আৰু পৰিচালনাৰ দিশত জটিল পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই সম্বন্ধে সমাধানৰ পৰামর্শ দিয়াৰ পূর্বে আয়োগে বিশ্ববিদ্যালয়খনৰ কেতবোৰ দোষ-ত্রুটিৰ প্রতি দৃষ্টি আকর্ষণ কৰিছিল।

বিশ্ববিদ্যালয়খনৰ দোষ-ত্রুটিসমূহ গুচাবৰ বাবে আয়োগে আগবঢ়োৱা পৰামর্শসমূহ আছিল নিম্নলিখিতধৰণৰ—

- ঢাকাত অনতিপলমে এখন একাত্মক আৰু শিক্ষাদানকাৰী বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।
- কলিকতা মহানগৰীত শিক্ষানুষ্ঠানবোৰ এনেদৰে সুসংগঠিত কৰি তুলিব লাগে যাতে এখন শিক্ষাদানকাৰী বিশ্ববিদ্যালয় গঠন কৰি তুলিবগৈ পৰা যায়।
- কলিকতাৰ আশে-পাশে থকা মফচল কলেজবোৰ এনেদৰে সুসংগঠিত কৰিব লাগে যাতে ক্রমে সেই ঠাইবোৰত পিছলৈ সকলো সা-সুবিধা কেন্দ্রীভূত কৰি তুলি এনেদৰে নতুন বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ পৰা যায়।
- ইংলেণ্ডৰ অক্সফোর্ড আৰু কেমব্রিজ বিশ্ববিদ্যালয়ৰ আর্হিত কলিকতা বিশ্ববিদ্যালয় পৰিচালিত হ'ব লাগে।



অগ্রগতি নিৰীক্ষণ

চমুকৈ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৮ ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগে অনুমোদন দিয়া শৈক্ষিক সংস্কাৰ

.....

.....

প্রশ্ন নং ৯ ঃ বিশ্ববিদ্যালয়ৰ প্রশাসনিক সংস্কাৰ

.....

.....

প্রশ্ন নং ১০ ঃ কলিকতা বিশ্ববিদ্যালয় সন্দর্ভত দিয়া পৰামর্শসমূহ

.....

.....

১০.৬.৫ অনান্য পৰামর্শসমূহ

কলিকতা বিশ্ববিদ্যালয় আয়োগখন যদিও কলিকতা বিশ্ববিদ্যায়ৰ ভিতৰচৰাৰ বিষয়ে অধ্যয়ণ কৰাৰ বাবে নিযুক্তি দিয়া বুলি কোৱা হৈছিল ইয়াৰ লগতে শিক্ষাৰ আন আন দিশৰ বিষয়েওঁ আয়োগখনে পৰামর্শ আগবঢ়াইছিল। তলত অন্য দিশৰ ক্ষেত্রত আগবঢ়োৱা পৰামর্শসমূহ উল্লেখ কৰা হ'ল—

- *শিক্ষক প্রশিক্ষণ সম্বন্ধে দিয়া পৰামর্শ ঃ* শিক্ষক প্রশিক্ষণৰ বাবে উডৰ প্রতিবেদনৰ পৰা আৰম্ভ কৰি সকলো শিক্ষা প্রতিবেদনেই পৰামর্শ দি আহিছে যদিও এই আয়োগৰ প্রতিবেদনত নতুনত্ব পৰিলক্ষিত হয়। উল্লেখযোগ্য যে শিক্ষা এটা বিজ্ঞানসম্মত বিষয়স্বৰূপে ভাৰতীয় বিশ্ববিদ্যালয়বোৰত অধ্যয়ণৰ পৰামর্শ এই আয়োগেই দাঙি ধৰে। এনে পৰামর্শই স্বাভাৱিকতেই শিক্ষক প্রশিক্ষণৰ দিশত এক নতুন দৃষ্টি দান কৰে। এই দিশত আয়োগৰ পৰামর্শ তলত উল্লেখ কৰা হৈছে—
  - আয়োগে অনুভৱ কৰে যে মাধ্যমিক পর্যায়ত শিক্ষক প্রশিক্ষণৰ যথেষ্ট অভাৱ। সেইবাবে চৰকাৰে শিক্ষক প্রশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
  - প্রশিক্ষণ কলেজ অধিক সংখ্যকভাবে স্থাপন কৰি প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে।
  - ইন্টাৰমিডিয়েট আৰু স্নাতক পর্যায়ত শিক্ষা বিষয় অধ্যয়নৰ অন্তর্ভুক্ত কৰিব লাগে।
  - কলিকতা আৰু প্রস্তাৱিত ঢাকা বিশ্ববিদ্যালয়ত শিক্ষা বিভাগ স্থাপন কৰিব লাগে।
- *স্ত্রী-শিক্ষা সম্বন্ধে দিয়া পৰামর্শ ঃ* স্ত্রী-শিক্ষা সম্বন্ধে আগবঢ়োৱা পৰামর্শবোৰত আয়োগৰ নতুনত্ব আৰু বৈশিষ্ট পাব পৰা যায়। এই সম্বন্ধীয় পৰামর্শসমূহ তলত উল্লেখ কৰা হৈছে—
  - যিসকল অভিভাৱকে ছোৱালীক ১৫-১৬ বছৰলৈকে শিক্ষা দিবলৈ বিচাৰে তেওঁলোকৰ বাবে চৰকাৰে 'পর্দা স্কুল' স্থাপন কৰিব লাগে।
  - কলিকতা বিশ্ববিদ্যালয়ত স্ত্রী-শিক্ষাৰ বিশেষ সংস্থা (Special Board of Women's Education) স্থাপন কৰিব লাগে।

- এই সংস্থাই ছোৱালীৰ বাবে বিশেষ পাঠ্যক্ৰম আৰু বিশেষকৈ ছোৱালীৰ চিকিৎসা বিজ্ঞানৰ অধ্যয়নৰ বিশেষ পাঠ্যসূচী প্ৰস্তুত কৰিব লাগে।
- যিবোৰ ঠাইত ছোৱালীৰ বাবে পৃথক শিক্ষানুষ্ঠানৰ অভাৱ তেনে ঠাইত সহঃ শিক্ষা ব্যৱস্থাক উৎসাহিত কৰিব লাগে।
- মাধ্যমিক পৰ্যায়ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ অভাৱ গুচাবৰ বাবে প্ৰশিক্ষণৰ বিশেষ ব্যৱস্থা কৰিব লাগে।

➢ *বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষা সম্বন্ধে দিয়া পৰামশ ঃ* ভাৰতীয় শিক্ষাৰ বৃত্তীয় আৰু কাৰিকৰী দিশত অনগ্ৰসৰতাৰ প্ৰতিও আয়োগৰ দৃষ্টি নিক্ষেপিত হয়। এই দিশত দিয়া পৰামৰ্শসমূহ আছিল নিম্নলিখিতবিধৰ—

- প্ৰায়োগিক বিজ্ঞান আৰু তেনে ধৰণৰ বিষয় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে আৰু ইয়াৰ প্ৰশিক্ষণত উৎসাহ যোগাব লাগে।
- এনে পাঠ্যক্ৰম অধ্যয়নকাৰীক বিশ্ববিদ্যালয়ে উপাধি প্ৰদান কৰিব লাগে।
- ইন্টাৰমিডিয়েট পৰ্যায়ত বৃত্তীয় আৰু ব্যৱসায়িক পাঠ্যক্ৰম খুলিব লাগে।
- আইন আৰু চিকিৎসা আদি বিষয় বিশ্ববিদ্যালয়ত খুলিব লাগে।

➢ *আধুনিক ভাৰতীয় ভাষা ঃ* কলিকতা বিশ্ববিদ্যালয় আয়োগে আধুনিক ভাৰতীয় ভাষাসমূহৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল আৰু শিক্ষাৰ বিভিন্ন স্তৰত মাতৃভাষা অধ্যয়নত প্ৰাধান্যতা দিছিল। আয়োগখনৰ মতামত হ'ল পদ্ধতিগতভাৱে মাধ্যমিক বিদ্যালয়, ইন্টাৰমিডিয়েট কলেজ আৰু বিশ্ববিদ্যালয়টো মাতৃভাষাৰ দৰে জটিল অধ্যয়নৰ উন্নতি সাধনৰ বাবে প্ৰচেষ্টা চলাব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ শিক্ষক প্ৰশিক্ষণ সন্দৰ্ভত কলিকতা বিশ্ববিদ্যালয় আয়োগে দিয়া পৰামৰ্শসমূহ কি কি আছিল?

.....

.....

প্ৰশ্ন নং ১২ ঃ চেদলাৰ আয়োগে তলত উল্লেখ কৰা দিশসমূহৰ ওপৰত দিয়া পৰামৰ্শসমূহ চমুকৈ লিখক ঃ

(ক) মহিলাসকলৰ শিক্ষা

.....

.....

(খ) কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ আৰম্ভণিতে আমি আয়োগখন গঠন কৰাৰ ক্ষেত্ৰত থকা প্ৰয়োজনীয়তাখিনিৰ কথা উপলব্ধি কৰিছো। আমি ১৯১৭ চনত আয়োগখন গঠন কৰাৰ কথা আৰু প্ৰসঙ্গৰ ধাৰণা সম্বন্ধে জ্ঞাত হৈছো।
- আয়োগখন গঠন কৰাৰ মূল উদ্দেশ্য আছিল কলিকতা বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ অৱস্থা আৰু কৰ্মৰাজিৰ বিষয়ে অনুসন্ধানমূলক অধ্যয়ণ কৰি সংস্কাৰ সাধনৰ পৰামৰ্শ আগবঢ়োৱা। আয়োগখনে ১৯১৯ চনত প্ৰতিবেদন দাখিল কৰিছিল আৰু ভাৰতৰ মাধ্যমিক, স্নাতক পৰ্যায় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ সমস্যাসমূহৰ এটা সুন্দৰ জৰীপ প্ৰকাশ কৰিছিল।
- আমাৰ আলোচনাই এইটো কথা স্পষ্ট কৰি তুলিছে যে মাধ্যমিক পৰ্যায়টো যথেষ্টভাৱে দোষযুক্ত আছিল আৰু আয়োগে ইয়াৰ সমাধানৰ বাবে সংস্কাৰমুখী পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰৰ ভিতৰত অৰ্থনৈতিক সমস্যা আঁতৰোৱাৰ বাবে প্ৰয়োজনীয় টকাৰ অনুমোদন, পাঠ্যক্ৰমৰ বিভাজিতকৰণ, উপযুক্ত শিক্ষক নিযুক্তি, পৰিদৰ্শনৰ ব্যৱস্থা আৰু মাধ্যমিক আৰু ইন্টাৰমিডিয়েট শিক্ষা পৰিষদ গঠন কৰা ইত্যাদিয়েই প্ৰধান।
- পৰিষদখনৰ কাম আছিল, পাঠ্যক্ৰম প্ৰস্তুতকৰণ দুটা পৰীক্ষা অনুষ্ঠিত কৰা আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে ইন্টাৰমিডিয়েট কলেজক স্বীকৃতি প্ৰদান কৰা। ইন্টাৰমিডিয়েট পৰ্যায়টো স্বতন্ত্ৰ হ'ব আৰু মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰপৰা মুক্ত হ'ব।
- বিশ্ববিদ্যালয় সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শসমূহ দুটা ভাগত ভাগ কৰিব পৰা যায়— শৈক্ষিক আৰু প্ৰশাসনিক। শৈক্ষিক সংস্কাৰ সাধনৰ ক্ষেত্ৰত আয়োগে পৰামৰ্শ দিছে যে স্নাতক পৰ্যায়টো তিনি বছৰীয়া হ'ব, সন্মান পাঠ্যক্ৰম খোলা হ'ব আৰু কলা, বিজ্ঞান, বাণিজ্য, অভিযান্ত্ৰিক, কৃষি আৰু চিকিৎসা বিজ্ঞান অধ্যয়ণৰ ব্যৱস্থা থাকিব। বিশ্ববিদ্যালয়ত শিক্ষা বিষয়ৰ এটা বিভাগ খোলা হ'ব আৰু শাৰীৰিক প্ৰশিক্ষণৰ এগৰাকী সঞ্চালক নিযুক্তি দিব লাগিব। প্ৰশাসনিক সংস্কাৰ সন্দৰ্ভত দিয়া পৰামৰ্শসমূহ সামৰি লোৱা দিশবোৰ হ'ল— শিক্ষক নিযুক্তিৰ বাবে নিৰ্বাচন সমিতি নিযুক্তি, বিশ্ববিদ্যালয় আদালত গঠন, বিশ্ববিদ্যালয় ব্যৱস্থাপনা আৰু পৰিচালনাৰ বাবে কাৰ্যনিৰ্বাহক সমিতি, পাঠ্যক্ৰম প্ৰস্তুতি আৰু পৰীক্ষা চলোৱাৰ বাবে বিদ্যায়তনিক পৰিষদ গঠন ইত্যাদি।
- কলিকতা বিশ্ববিদ্যালয়ৰ ওপৰত পৰামৰ্শ আগবঢ়াওঁতে আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষণ কাৰ্যৰ ওপৰত গুৰুত্ব দিয়াৰ কথা কৈছিল।।



১০.৮ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১

২) ডেকা, বীৰেন্দ্র ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-১

৩) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১

৪) Rawat, P. L. : *History of Indian Education*, Ram Prasad & Sons, Agra-3

১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১। ১৯১৭ চন

২। ড° মাইকেল চেদলাৰ

৩। লীডচ্

৪। চাৰ আশুটোশ মুখার্জী

৫। ১৯১৯ চন

৬। কলিকতা বিশ্ববিদ্যালয়

২ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষা

৩ নং প্রশ্নৰ উত্তৰ ঃ আহিলা আৰু যন্ত্রপাতিৰ অভাৱ, প্ররেশিকা পৰীক্ষাৰ প্রভাৱ, প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ প্রয়োজনীয়তা, নিম্নহাৰৰ দৰমহা, পৰিদর্শনৰ অভাৱ আৰু অনিয়মীয়া, অর্থনৈতিক সমস্যা আৰু বিশ্ববিদ্যালয় আৰু চৰকাৰৰ দ্বৈত প্রশাসন।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিকাশৰ বাবে আগবঢ়োৱা পৰামর্শসমূহ আছিল, প্রয়োজনীয় অনুদানৰ যোগান, বিভাজিত পাঠ্যক্রম, মাধ্যমিক আৰু ইন্টাৰমিডিয়েট শিক্ষা পৰিষদ গঠন, পৰিষদৰ ওপৰত মাধ্যমিক শিক্ষাৰ প্রশাসনৰ দায়িত্ব অর্পণ আৰু পৰিষদৰ কর্মৰাজিক হস্তক্ষেপ মুক্তকৰণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ এই পর্যায়টো মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰ মধ্যস্তৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে ইন্টাৰমিডিয়েট পাঠ্যক্রমৰ উদ্ভৱ কৰা হৈছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক আৰু ইন্টাৰমিডিয়েট শিক্ষা পৰিষদৰ কাম হ'ব মাধ্যমিক আৰু ইন্টাৰমিডিয়েট পর্যায়ৰ শিক্ষাৰ পাঠ্যক্রম প্রস্তুত কৰা, পৰীক্ষা দুটা অনুষ্ঠিত কৰা আৰু

মাধ্যমিক বিদ্যালয়ৰ লগতে ইণ্টাৰমিডিয়েট কলেজসমূহক স্বীকৃতি প্রদান কৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগৰ শৈক্ষিক সংস্কাৰ সাধন সন্দর্ভৰ পৰামর্শসমূহ আছিল— স্নাতক পর্যায়ৰ শিক্ষাৰ সময় তিনি বছৰ সন্মান আৰু সাধাৰণ পাঠ্যক্রমৰ সৈতে, শিক্ষাদানৰ বিষয়বোৰ হ'ব কলা, বিজ্ঞান, বাণিজ্য, আভিযান্ত্রিক, কৃষি শিক্ষা আৰু চিকিৎসা বিজ্ঞান, শিক্ষা বিষয়টো স্নাতক আৰু স্নাতকোত্তৰ শ্রেণীত পঢ়োৱা হ'ব আৰু এগৰাকী শাৰীৰিক প্রশিক্ষণৰ সঞ্চালক নিযুক্তি দিব লাগিব।

৯ নং প্রশ্নৰ উত্তৰ ঃ প্রশাসনিক সংস্কাৰসমূহ আছিল— শিক্ষক নিযুক্তিৰ বাবে বিশেষজ্ঞসকলক লৈ নির্বাচন সমিতি গঠন, বিশ্ববিদ্যালয় প্রশাসনৰ বাবে বিশ্ববিদ্যালয় আদালত, কার্যনির্বাহক পৰিষদ গঠন আৰু বিদ্যায়তনিক পৰিষদ গঠন হ'ব লাগিব লগতে অধ্যাপকসকলে বিশ্ববিদ্যালয় প্রশাসনৰ ক্ষেত্রত প্রতিনিধিত্ব কৰিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰ ঃ আয়োগে কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা পৰীক্ষা কৰি পৰামর্শ দিছিল যে ঢাকাত এটা এককভাৱে আবাসিক বিশ্ববিদ্যালয় স্থাপন কৰিব লাগিব, কলিকতা বিশ্ববিদ্যালয়ক প্রকৃত শিক্ষাদানৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগিব আৰু মচফল ঠাইৰ কলেজবোৰৰ উন্নতি সাধন কৰি নতুন বিশ্ববিদ্যালয় কেন্দ্র হিচাপে গঢ়ি তুলিব লাগিব।

১১ নং প্রশ্নৰ উত্তৰ ঃ প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ সংখ্যা বৃদ্ধিকৰণ, শিক্ষা বিষয়টোক ইণ্টাৰমিডিয়েট আৰু স্নাতক পর্যায়ত অন্তর্ভুক্তকৰণ আৰু শিক্ষা বিভাগটো কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ত খোলাৰ ব্যৱস্থা কৰিব লাগিব।

১২ নং প্রশ্নৰ উত্তৰ ঃ ক) পৰদা বা বোৰ্খা বিদ্যালয় খুলি ছোৱালীবোৰক শিক্ষা দিব লাগিব লগতে কলিকতা বিশ্ববিদ্যালয়ত মহিলা শিক্ষাৰ বাবে এটা বিশেষ পৰিষদ স্থাপন কৰিব লাগিব আৰু মহিলাসকলৰ শিক্ষাৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ বিশেষ পাঠ্যক্রমৰ ব্যৱস্থা কৰিব লাগিব।

খ) বিশ্ববিদ্যালয় পাঠ্যক্রমত প্রায়োগিক বিজ্ঞান আৰু আন আন জড়িত বিষয়সমূহ খোলাৰ ব্যৱস্থা কৰিব লাগিব আৰু ইণ্টাৰমিডিয়েট শিক্ষা পর্যায়ত বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।



১০.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় মাধ্যমিক শিক্ষা ব্যৱস্থাৰ ক্ষেত্রত চেদলাৰ আয়োগৰ বা কলিকতা বিশ্ববিদ্যালয় আয়োগৰ পৰামর্শ কি আছিল?

প্রশ্ন ২ ঃ মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট পৰিষদৰ কার্য্যাৱলীসমূহ কি কি আছিল?

প্রশ্ন ৩ ঃ ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সন্দর্ভত চেদলাৰ আয়োগে কি কি পৰামর্শ আগবঢ়াইছিল?

খ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় শিক্ষাব্যৱস্থা উন্নয়ণৰ বাবে কলিকতা বিশ্ববিদ্যালয় আয়োগৰ পৰামর্শসমুহৰ বিষয়ে বর্ণনা কৰক ।

প্রশ্ন ২ ঃ চেদলাৰ আয়োগৰ পৰামর্শাৱলীসমূহ লিখক। সেই পৰামর্শাৱলীসমূহে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ বিকাশত কি ধৰণে সহায় কৰিছে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগ- ২ (১৯১৭-১৯১৯)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ আয়োগখনৰ পৰামৰ্শসমূহৰ মূল্যায়ন
১১.৪ আয়োগৰ পৰামৰ্শাৱলীৰ পৰিণতি
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান
১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আয়োগৰ পৰামৰ্শাৱলীসমূহ মূল্যায়ন কৰিবলৈ সমর্থ হ'ব।
- পৰামৰ্শাৱলীৰ পৰিণতি বিশ্লেষণ কৰিবলৈ সমর্থ হ'ব।

১১.২ পৰিচয়

আমি আগৰ অধ্যায়ত কলিকতা বিশ্ববিদ্যালয় আয়োগখনৰ গঠন কৰাৰ প্রয়োজনীয়তা, শিক্ষাৰ বিভিন্ন দিশত আয়োগখনে আগবঢ়োৱা পৰামৰ্শাৱলীৰ বিষয়ে আলোচনা কৰিলো । ইয়াৰোপৰি ভাৰতবর্ষৰ শিক্ষা উন্নয়ণৰ ক্ষেত্রত এই পৰামৰ্শাৱলীসমুহ কি দৰে প্রয়োগ কৰা হৈছে তাক জানিবৰ বাবে এই আয়োগৰ পৰামৰ্শাৱলীৰ মূল্যায়ন আৰু পৰিণতি সম্বন্ধে জনাটো দৰকাৰ । এই অধ্যায়টোত আমি আয়োগখনৰ পৰামৰ্শাৱলীৰ মূল্যায়ন আৰু পৰিণতি সম্বন্ধে আলোচনা কৰিম।

১১.৩ আয়োগৰ পৰামৰ্শসমূহৰ মূল্যায়ন

অধ্যায় ১০ ত আমি মাধ্যমিক আৰু ইন্টাৰমিডিয়েট পর্যায়ৰ শিক্ষা সম্বন্ধে দিয়া আয়োগৰ পৰামৰ্শাৱলীৰ নতুনত্বৰ বিষয়ে গম পালোঁ । বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা সংস্কাৰ সাধন কৰিবলৈ যাওঁতে মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সূক্ষ্ম বিবেচনা কৰাটো আয়োগৰ দূৰদৃষ্টিৰ পৰিচায়ক। আকৌ এই পর্যায়ৰ শিক্ষাৰ পৰামর্শ দিয়াৰ পূর্বে ইয়াৰ দোষ-ত্রুটিবোৰ আমাৰ দৃষ্টি গোচৰ কৰা কার্যই আয়োগৰ প্রণালীবদ্ধ আৰু বিজ্ঞানসম্মত অধ্যয়নৰ পৰিচয় দিয়ে। মাধ্যমিক পর্যায়ত উল্লেখ কৰা দোষ-ত্রুটিবোৰ বর্তমান আমাৰ সকলোৰে পৰিচিত আৰু এইসমূহে যে

মাধ্যমিক পর্যায়ৰ শিক্ষাক নিম্নগামী কৰি তুলিছে তাত কোনো সন্দেহ নাই। মাধ্যমিক শিক্ষাৰ লক্ষ্য পৰীক্ষাপ্রধান হোৱাটো আৰু ই কেৱল ছাত্রসকলক উচ্চ শিক্ষাৰ অভিলাক্ষী কৰি তোলাটো যে এই পর্যায়ৰ শিক্ষাৰ প্রধান দূর্বলতা তাক আয়োগে সঠিকভাৱে চিনাক্ত কৰিছে। মেট্রিকুলেচন পৰীক্ষাৰ অত্যাধিক প্রাধান্য হ্রাস কৰিবৰ বাবে ইন্টাৰমিডিয়েট পর্যায় খোলাটো আৰু তাৰ যোগেদি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰি তুলিবলৈ বিচৰাটো আছিল আয়োগৰ দ্বৈত উদ্দেশ্য। ইয়াৰ উপৰিও মাধ্যমিক শিক্ষাৰ মাধ্যম মাতৃভাষা কৰি তোলাৰ পৰামর্শ দিয়াটো এই পর্যায়ৰ বাবে বিশেষ উৎসাহজনক আৰু ঐতিহাসিকভাৱে তাৎপর্যপূর্ণ বুলিব পাৰি।

আয়োগে ইন্টাৰমিডিয়েট পর্যায়টো নতুনকৈ সৃষ্টি কৰিলে আৰু ইয়াক স্কুল আৰু বিশ্ববিদ্যালয়ৰ মাজত বিভাজন ৰেখাস্বৰূপে স্থিৰ কৰিলে। এই পর্যায়ৰ পাঠ্যক্রমত কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী আদি বিষয় অন্তর্ভুক্ত কৰি বহল পৰিসৰৰ কৰি তুলিছে। ইয়াৰ উদ্দেশ্য আছিল স্কুল পর্যায়ৰ পিছত ছাত্রসকলক এহাতে ব্যৱহাৰিক আৰু কাৰিকৰী বিষয়ৰ প্রতি আগ্রহী কৰি তোলা আৰু আনহাতে বিশ্ববিদ্যালয়ৰ শিক্ষা বিশেষীকৰণ কৰি তোলাত সহায় কৰা। উল্লেখযোগ্য যে বর্তমান আমাৰ শিক্ষাত সৃষ্টি কৰি তোলা +২ পর্যায় এই ইন্টাৰমিডিয়েট পর্যায়ৰে পুনৰ সংস্কৰণ মাথোন। ইয়াক কেৱল বিভিন্ন সময়ত বিভিন্ন নাম দিয়া হৈছে। অসমতো বর্তমান 'জুনিয়ৰ কলেজ'ৰ ক্রমবর্দ্ধিত জনপ্রিয়তাই আমাক আয়োগৰ এই পর্যায়লৈকে মনত পেলায়। আয়োগে শিক্ষাৰ এই পর্যায়টো বিশ্ববিদ্যালয়ৰপৰা পৃথক কৰি বিশ্ববিদ্যালয়ৰ পূর্বৰ প্রশাসনীয় বোজা পাতলাবলৈ আৰু ইয়াক উচ্চ শিক্ষাৰ অধ্যয়ন আৰু গৱেষণা কার্যত মনোনিবেশ কৰিবলৈ প্রয়োজনীয় ব্যৱস্থা কৰিছে। ইন্টাৰমিডিয়েট পর্যায়টোৰ শৈক্ষিক আৰু প্রশাসনীয় দক্ষতা বৃদ্ধি কৰি তুলিবলৈকো পৃথক আৰু স্বতন্ত্র পৰিষদ গঠনৰ পৰামর্শ দিয়াটো যুক্তিসংগত হৈছে। বর্তমান আমাৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ আৰু ইয়াৰ ক্রিয়াকলাপ চেদলাৰ আয়োগৰ এই পৰামর্শাৱলীৰেই প্রতিফলনস্বৰূপ বুলিব পাৰি। কেৱল এই পর্যায়টোৰ নামাকৰণৰ ক্ষেত্রতহে ভিন্নতা থকাটো আমি দেখিবলৈ পাওঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বৃটিছ ঔপনিবেশৰ সময়ত ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাত কলিকতা বিশ্ববিদ্যালয় আয়োগখন কিয় প্রয়োজন আছিল বুলি আপুনি ভাৱে ?

.....

.....

প্রশ্ন নং ২ ঃ কি কি কাৰণত কলিকতা বিশ্ববিদ্যালয় আয়োগখনক সমালোচনা কৰা হৈছিল ?

.....

.....

১১.৪ আয়োগৰ পৰামৰ্শাৱলীৰ পৰিণতি

শিক্ষাৰ এই পৰ্যায়ৰ বিকাশৰ বিভিন্ন দিশ সম্বন্ধে তলত ইয়াৰ এক চমু বৰ্ণনা দাঙি ধৰা হৈছে—

- **বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি ঃ** আয়োগৰ পৰামৰ্শাৱলীৰ মৰ্মে দেশত নতুন বিশ্ববিদ্যালয় কেইখনমান স্থাপন কৰা হয়। এই বিশ্ববিদ্যালয়বোৰৰ ভিতৰত — পাটনা, ওচমানিয়া, আলিগড়, ঢাকা, লক্ষ্ণৌ, দিল্লী, আগ্রা, নাগপুৰ, হায়দৰাবাদ, আন্নামালয় বিশ্ববিদ্যালয়। ১৯৩০ চনৰ ভিতৰত ভাৰতৰ মুঠ বিশ্ববিদ্যালয় সংখ্যা হয়গৈ ১৭ খন।
- **বিশ্ববিদ্যালয়ত শিক্ষাদান কার্য্য ঃ** কেৱল সংখ্যা বৃদ্ধিয়েই নহয়, বিশ্ববিদ্যালয়বোৰত বিভিন্ন বিষয়ৰ শিক্ষাদান কার্যও কৰিবলৈ লোৱা হয়। উল্লেখযোগ্য যে পূৰ্বে কলিকতা, বম্বে আৰু মাদ্রাজ বিশ্ববিদ্যালয় কেৱল কলেজৰ সংবদ্ধকৰণ পৰীক্ষা গ্রহণ আৰু ডিগ্রী প্রদান কার্যতেই মাথো আবদ্ধ আছিল। স্নাতক পর্যায়ৰ শিক্ষা দিয়াৰ কাম কেৱল ডিগ্রী কলেজবোৰেহে কৰিছিল। স্নাতকোত্তৰ পর্যায়ৰ শিক্ষা বিশ্ববিদ্যালয় দিয়া হোৱা নাছিল। কিন্তু এই আয়োগৰ পৰামর্শক্রমে স্নাতকোত্তৰ পর্যায়ত শিক্ষা দিয়া বিশ্ববিদ্যালয় আৰু আবাসিক বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। নতুনকৈ স্থাপিত হোৱা অধিক সংখ্যকেই শিক্ষাদানকাৰী বিশ্ববিদ্যালয়স্বৰূপে গঢ় লৈ উঠে।
- **শৈক্ষিক মান উন্নতকৰণ ঃ** আয়োগৰ বিভিন্ন পৰামর্শই বিশ্ববিদ্যালয়ৰ শৈক্ষিক ক্রিয়াকলাপ অধিক বৃদ্ধি কৰি তোলে। স্নাতক পর্যায়ৰ বিভিন্ন বিষয়ত অনার্চ পাঠ্যক্রম প্রবর্তন কৰা হয়। বিশ্ববিদ্যালয়ত ভাৰতীয় ভাষা-সাহিত্যবোৰৰ অধ্যয়নৰ ব্যৱস্থা কৰা হয়। উচ্চ পর্যায়ৰ অধ্যয়ন আৰু গৱেষণাৰ সা-সুবিধা বৃদ্ধি কৰি তোলা হয়। বিশ্ববিদ্যালয়ত 'প্রফেচাৰ' পদ সৃষ্টি কৰি তোলা হয়। দেশ-বিদেশৰ পণ্ডিতসকলৰ নিমন্ত্রণ আৰু তেওঁলোকৰ বিভিন্ন ফেকাল্টি, যেনে— কলা, বিজ্ঞান, অভিযান্ত্রিক, বাণিজ্য আদিৰ শিক্ষা দান কৰি অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰি তোলা হয়। কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ত শিক্ষা বিষয় খোলা হয়।
- **আভ্যন্তৰিন প্রশাসন ব্যৱস্থাৰ উন্নতি সাধন ঃ** পূর্বৰ চিনেট সভা আৰু চিণ্ডিকেট সভাৰ সলনি 'কর্ট' আৰু 'একজিকিউটিভ কাউঞ্চিল' স্থাপন কৰি বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ প্রশাসন আৰু পৰিচালনা ব্যৱস্থা উন্নত কৰি তোলা হয়। ইয়াৰ উপৰিও 'একজিকিউটিভ কাউঞ্চিল' গঠন কৰি শৈক্ষিক বিষয়ৰ যেনে— পাঠ্যক্রম, পৰীক্ষা ব্যৱস্থা, গৱেষণা কার্য আদিৰ কর্মদক্ষতা বৃদ্ধি কৰি তোলা হয়। আয়োগৰ পৰামর্শক্রমে ১৯২৫ চনত আন্তঃ বিশ্ববিদ্যালয় সংস্থা গঠন কৰি বিশ্ববিদ্যালয়বোৰৰ মাজত সহযোগিতা স্থাপন কৰি তোলা হয়।
- **ছাত্রৰ কল্যান সাধন ব্যৱস্থা ঃ** বিশ্ববিদ্যালয়ৰ ছাত্রসকলৰ কল্যাণ সাধনৰ দিশত এই আয়োগে প্রথমবাৰৰ বাবে মনোযোগ দিয়ে। প্রতিখন বিশ্ববিদ্যালয়ত একোখন 'ছাত্র-কল্যাণ পৰিষদ' গঠনৰ বাবে দিয়া পৰামর্শ অনুসৰি এনে পৰিষদ গঠন কৰি তোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাত প্রভাৱ পেলোৱা কলিকতা বিশ্ববিদ্যালয় আয়োগখনৰ পৰিণতিৰ বিষয়ে চমুকৈ লিখক।

.....

.....



চিন্তা-চর্চা কৰক — ১১.১

১৯১৭ চনৰ কলিকতা বিশ্ববিদ্যালয় আয়োগৰ পৰামর্শাৱলীসমূহৰ বিষয়ে সমালোচনাত্মক মূল্যায়ণ কৰক।

.....

.....

.....

.....

ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ ওপৰত আয়োগখনৰ পৰামর্শাৱলীসমূহৰ ফলাফলৰ বিষয়ে আলোচনা কৰক।

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আয়োগখন গঠন কৰাৰ মূল উদ্দেশ্য আছিল কলিকতা বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ অৱস্থা আৰু কর্মৰাজিৰ বিষয়ে অনুসন্ধানমূলক অধ্যয়ণ কৰি সংস্কাৰ সাধনৰ পৰামর্শ আগবঢ়োৱা। আয়োগখনে ১৯১৯ চনত প্রতিবেদন দাখিল কৰিছিল আৰু ভাৰতৰ মাধ্যমিক, স্নাতক পর্যায় আৰু বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষাৰ সমস্যাসমূহৰ এটা সুন্দৰ জৰীপ প্রকাশ কৰিছিল।
- এই আয়োগখনে ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থালৈ আমূল পৰিবর্তন আনিবলৈ সমর্থ হৈছিল।
- কিন্তু এই আয়োগখনক সেই সময়ত প্রচলিত শিক্ষা ব্যৱস্থাৰ লগত খাপ নুখুওৱা পৰামর্শ দিয়া বুলি সমালোচনা কৰা হৈছিল ।

- তৎস্বতেও, চেদলাৰ আয়োগৰ পৰামর্শাৱলীয়ে ভাৰতত উচ্চ শিক্ষাৰ দ্রুত সম্প্রসাৰণ আৰু শৈক্ষিক গুণমান উন্নত কৰি তোলাৰ পথ মুকলি কৰিছিল বুলি অভিহিত কৰিব পাৰি।



১১.৬ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
২) ডেকা, বীৰেন্দ্র ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-১
৩) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৪) Rawat, P. L. : *History of Indian Education*, Ram Prasad & Sons, Agra

১১.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ আয়োগে ইন্টাৰমিডিয়েট পর্যায়টো নতুনকৈ সৃষ্টি কৰিলে আৰু ইয়াক স্কুল আৰু বিশ্ববিদ্যালয়ৰ মাজত বিভাজন ৰেখাস্বৰূপে স্থিৰ কৰিলে। এই পর্যায়ৰ পাঠ্যক্রমত কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী আদি বিষয় অন্তর্ভুক্ত কৰি বহল পৰিসৰৰ কৰি তুলিছে। ইয়াৰ উদ্দেশ্য আছিল স্কুল পর্যায়ৰ পিছত ছাত্রসকলক এহাতে ব্যৱহাৰিক আৰু কাৰিকৰী বিষয়ৰ প্রতি আগ্রহী কৰি তোলা আৰু আনহাতে বিশ্ববিদ্যালয়ৰ শিক্ষা বিশেষীকৰণ কৰি তোলাত সহায় কৰা। বর্তমান আমাৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ আৰু ইয়াৰ ক্রিয়াকলাপ চেদলাৰ আয়োগৰ এই পৰামর্শাৱলীৰেই প্রতিফলনস্বৰূপ বুলিব পাৰি। মাধ্যমিক শিক্ষাৰ লক্ষ্য পৰীক্ষাপ্রধান হোৱাটো আৰু ই কেৱল ছাত্রসকলক উচ্চ শিক্ষাৰ অভিলাক্ষী কৰি তোলাটো যে এই পর্যায়ৰ শিক্ষাৰ প্রধান দূর্বলতা তাক আয়োগে সঠিকভাৱে চিনাক্ত কৰিছে। মেট্রিকুলেচন পৰীক্ষাৰ অত্যাধিক প্রাধান্য হ্রাস কৰিবৰ বাবে ইন্টাৰমিডিয়েট পর্যায় খোলাটো আৰু তাৰ যোগেদি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰি তুলিবলৈ বিচৰাটো আছিল আয়োগৰ দ্বৈত উদ্দেশ্য।

২নং প্রশ্নৰ উত্তৰ ঃ এই আয়োগখনক সেইসময়ত প্রচলিত শিক্ষা ব্যৱস্থাৰ লগত খাপ নুখুওৱা পৰামর্শ দিয়া বুলি সমালোচনা কৰা হৈছিল। আনকি কলিকতা বিশ্ববিদ্যালয়খনক ভাৰতবর্ষৰ ভূমিৰ লগত খাপ নুখুওৱা অক্সফোর্ড আৰু কেমব্রিজ বিশ্ববিদ্যালয়ক অনুসৰণ ক ৰি কৰা বুলি সমালোচনা কৰা হৈছিল ।

৩নং প্রশ্নৰ উত্তৰ ঃ চেদলাৰ আয়োগৰ পৰামর্শাৱলীয়ে ভাৰতত উচ্চ শিক্ষাৰ দ্রুত সম্প্রসাৰণ আৰু শৈক্ষিক গুণমান উন্নত কৰি তোলাৰ পথ মুকলি কৰিছিল বুলি অভিহিত কৰিব পাৰি। বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি ,বিশ্ববিদ্যালয়বোৰত বিভিন্ন বিষয়ৰ শিক্ষাদান কার্য,শৈক্ষিক মান উন্নতকৰণ,আভ্যন্তৰিন প্রশাসন ব্যৱস্থাৰ উন্নতি সাধন,বিশ্ববিদ্যালয়ৰ ছাত্রসকলৰ কল্যাণ সাধন আদি দিশসমূহ মূলত কলিকতা বিশ্ববিদ্যালয় আয়োগখনৰ পৰামর্শাৱলীসমূহৰ পৰিণতি বুলি কব পাৰি ।



১১.৮ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ক্ষেত্রত চেদলাৰআয়োগৰ তাৎপর্য্য কি আছিল?

প্রশ্ন ২ ঃ উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্রত কলিকতা বিশ্ববিদ্যালয় আয়োগৰ অৱদান কি আছিল?

খ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সন্দর্ভত চেদলাৰ আয়োগে কি কি পৰামর্শ আগবঢ়াইছিল? ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ বিকাশত আয়োগখনে কিমানদূৰ প্রভাৱ পেলাইছে?

প্রশ্ন ২ ঃ চেদলাৰ আয়োগৰ পৰামর্শাৱলীসমূহ লিখক। সেই পৰামর্শাৱলীসমূহে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ বিকাশত কি ধৰণে সহায় কৰিছে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কলিকতা বিশ্ববিদ্যালয়ৰ পৰামর্শাৱলীসমূহৰ বিষয়ে সমালোচনামূলক পৰীক্ষা কৰক আৰু ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ বিকাশত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ হার্টগ কমিটিৰ প্ৰতিবেদন, ১৯২৯

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ কমিটি গঠন কৰাৰ ক্ষেত্ৰত ঐতিহাসিক পটভূমি

১২.৪ চাইমন আয়োগ গঠন আৰু হার্টগ কমিটিৰ নিযুক্তি

১২.৫ হার্টগ কমিটিৰ কার্য্যক্ষেত্ৰ

১২.৬ হার্টগ কমিটিৰ প্ৰতিবেদন

- ১২.৬.১ প্ৰাথমিক শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী
- ১২.৬.২ মাধ্যমিক শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী
- ১২.৬.৩ উচ্চ শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী
- ১২.৬.৪ মহিলা শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী
- ১২.৬.৫ অন্যান্য পৰামৰ্শাৱলী

১২.৭ পৰামৰ্শাৱলীৰ মূল্যায়ন

১২.৮ প্ৰতিবেদনৰ পৰিণতি

১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১০ অধিক জানিবলৈ

১২.১১ অগ্ৰগতিৰ খতিয়ান

১২.১২ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হার্টগ কমিটিৰ ঐতিহাসিক পটভূমি, মন্টফর্ড সংস্কাৰ আৰু দ্বৈতশাসন ব্যৱস্থাৰ বিষয়ে জানিবলৈ সমর্থ হ'ব।
- চাইমন আয়োগৰ গঠন প্ৰক্ৰিয়া আৰু ১৯২৯ চনৰ হার্টগ কমিটিৰ নিযুক্তি দিবলগাৰ পৰিস্থিতি ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব।
- শিক্ষাৰ বিভিন্ন দিশত হার্টগ কমিটিয়ে আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰিবলৈ সমর্থ হ'ব।
- কমিটিৰ পৰামৰ্শাৱলীৰ মূল্যায়ন কৰিবলৈ সমর্থ হ'ব।
- ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত হার্টগ কমিটিৰ প্ৰতিবেদনৰ প্ৰভাৱ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

প্রথম বিশ্বযুদ্ধ ইউৰোপত ১৯১৪ চনত আৰম্ভ হৈছিল। যুদ্ধৰ কাম-কাজে ভাৰতবর্ষত ইংৰাজৰ প্রশাসনিক নীতিত পৰিবর্তন আনিছিল। সেই পৰিবর্তনসমূহৰ প্রভাৱ দীঘলীয়াভাৱে ৰাজনৈতিক আৰু শৈক্ষিক ক্ষেত্রখনত পৰিছিল। এইটো আমাৰ পক্ষে জনা দর্কাৰ হ'ব যে পৰিবর্তনবোৰ কি কি আছিল আৰু দেশখনৰ ৰাজনৈতিক আৰু শিক্ষা ক্ষেত্রত কি কি পৰিবর্তন আনিছিল। এই অধ্যায়টোত আমি প্রথমতে ১৯২৯ চনত হার্টগ কমিটি গঠন কৰাৰ সম্বন্ধে ঐতিহাসিক পটভূমিৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টোৱে মন্টফর্ড সংস্কাৰ আৰু দ্বৈত শাসনৰ সময়ৰ শিক্ষাক সামৰি লৈছে। সেইখিনিক অনুসৰণ কৰিব ১৯২৭ চনৰ চাইমন আয়োগ, ১৯২৯ চনৰ হার্টগ কমিটিৰ নিযুক্তিৰ সৈতে ইয়াৰ প্রাথমিক, মাধ্যমিক, উচ্চ শিক্ষা আৰু শিক্ষাৰ অন্যান্য পৰামর্শসমূহে। শেষত কমিটিখনৰ পৰামর্শাৱলী সমূহৰ এক মূল্যায়ন আৰু ইয়াৰ প্রভাৱ সমূহৰ বিষয়ে আলোচনাৰ জৰিয়তে অধ্যায়টি শেষ কৰা হৈছে।

১২.৩ কমিটিখন গঠন কৰাৰ ক্ষেত্রত ঐতিহাসিক পটভূমি

আমি আৰম্ভণিত উল্লেখ কৰিছো যে কুৰি শতিকাৰ দ্বিতীয় দশকত ইউৰোপত বিশ্বযুদ্ধৰ সূত্রপাত হৈছিল। ইংলেণ্ডে ফ্রান্সৰ লগ লাগি জার্মেনীৰ বিৰুদ্ধে যুদ্ধত অৱতীর্ণ হৈছিল। প্রথম বিশ্বযুদ্ধৰ পৰিস্থিতিয়ে ভাৰতত যি ৰাজনৈতিক ঘটনা প্রৱাহৰ সৃষ্টি কৰে, সি পৰৱর্তী কালত ক্রমে ভাৰতীয় ইতিহাসৰ সোঁত সলনি কৰি তোলে।

বিশ্বযুদ্ধত ভাৰতীয়সকলৰ সমর্থন লাভ কৰাটো ইংৰাজসকলৰ বাবে আছিল অতি প্রয়োজনীয় কথা। কাৰণ ইতিমধ্যে ভাৰতীয়সকলে ইংৰাজ শাসনৰ বিৰুদ্ধে কৰা জাতীয়তাবাদী আন্দোলন অধিক সুসংগঠিত আৰু শক্তিশালী হৈ উঠিছিল। এই উদ্দেশ্যে ভাৰতৰ প্রশাসন সম্বন্ধীয় সচিব এডুইন মন্টেগে ১৯১৭ চনৰ ২০ আগষ্টত ইংলেণ্ডৰ পার্লিয়ামেন্টত ভাৰতীয়সকলৰ প্রতি প্রশাসনৰ এক উদাৰ নীতি ঘোষণা কৰে। সেইমতে কোৱা হয় যে ইংৰাজ প্রশাসন নীতিৰ উদ্দেশ্য হৈছে ভাৰতত এক দায়িত্বশীল চৰকাৰ গঠনৰ অনুভৱ কৰি উঠাটো। ভাৰত প্রশাসনৰ সচিবগৰাকীৰ এনে দায়িত্বশীল উক্তিত ভাৰতীয়সকল উৎসাহিত হৈ পৰে। তেওঁলোকে আশা কৰিছিল যে ইংৰাজ প্রশাসনে স্বায়ত্ব শাসনৰ ক্ষমতা প্রদান কৰি ভাৰতীয়সকলক দায়িত্ব দিব। ১৯১৭ চনত এডুইন মন্টেগে ভাৰত ভ্রমণ কৰিবলৈ আহে। সেই সময়ৰ ভাৰতৰ ৰাজ প্রতিনিধি লর্ড চেমচ্ ফোর্ডৰ লগত দেশৰ ৰাজনৈতিক আৰু প্রশাসনীয় পৰিস্থিতিৰ সম্বন্ধে তেওঁ আলোচনা কৰে। ইয়াৰ ফলস্বৰূপে তেওঁলোকে যুটীয়াভাৱে এখন প্রতিবেদন প্রস্তুত কৰি ১৯১৮ চনত ইংলেণ্ডৰ পার্লিয়ামেন্টত দাখিল কৰে। এই প্রতিবেদনৰ ওপৰত ভিত্তি কৰি ভাৰত চৰকাৰে ১৯১৯ চনত 'ভাৰত প্রশাসন আইন' প্রস্তুত কৰি তোলে। ইয়াকেই 'মন্ট-ফোর্ড' সংস্কাৰ সাধন নামে জনা যায়। এডুইন মন্টেগৰ ঘোষিত নীতি অনুসৰি আৰু মন্টেগ-চেমচফোর্ড প্রতিবেদনৰ ওপৰত ভিত্তি কৰি ভাৰত প্রশাসন আইন আৰু ইয়াৰ

দ্বৈত প্ৰশাসন ব্যৱস্থা গ্ৰহণ কৰা হয়। এই নতুন প্ৰশাসন ব্যৱস্থা মতে কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰবোৰৰ প্ৰশাসনীয় ক্ষমতা আৰু অধিকাৰৰ ক্ষেত্ৰ সুনিৰ্দিষ্ট কৰি দিয়া হয়। পূৰ্বে এই সকলোবোৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰে প্ৰাদেশিক চৰকাৰবোৰৰ হৈ কেন্দ্ৰস্থভাৱে নিৰ্ধাৰণ আৰু পৰিচালনা কৰিছিল। এই নতুন ব্যৱস্থা অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য নিৰ্বাহক পৰিষদৰ সদস্য সংখ্যা বৃদ্ধি কৰি ৩ জন ভাৰতীয় সদস্যক অন্তৰ্ভুক্ত কৰা হয়। এই পৰিষদক গোটেই দেশৰ বাবে আইন প্ৰস্তুত কৰণৰ ক্ষমতা দিয়া হয়।

আনহাতে প্ৰাদেশিক চৰকাৰবোৰৰ শাসন ক্ষমতা দুটা ভাগত বিভক্ত কৰা হয়। ই হৈছে সংৰক্ষিত আৰু স্থানান্তৰিত। সংৰক্ষিত বিষয়ৰ তালিকাত আইন-শৃংখলা, পুলিচ, ৰাজহ আদি গুৰুত্বপূৰ্ণ বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হয়। স্থানান্তৰিত বিষয়ৰ তালিকাত শিক্ষা, স্বাস্থ্যৰক্ষা আৰু স্থানীয় স্বায়ত্ব শাসন আদি বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হয়। ৰাজ্য চৰকাৰবোৰত প্ৰৱৰ্তন কৰা এই প্ৰশাসনীয় ব্যৱস্থাক দ্বৈত শাসন (Diarchy) নামে জনা যায়। এই দ্বৈত শাসন ব্যৱস্থাত ৰাজ্যৰ মুখ্য প্ৰশাসক বা গভৰ্ণৰসকলক অধিক ক্ষমতা দিয়া হয়। প্ৰাদেশিক চৰকাৰবোৰত থকা (Governor's Executive Council) গভৰ্ণৰৰ প্ৰশাসনীয় পৰিষদ আৰু (Provincial Legislature) ৰাজ্যিক বিধায়িনী পৰিষদ এই দুয়োখনক গভৰ্ণৰজনৰ অধীনত ৰখা হয়। ৰাজ্যিক বিধায়িনী পৰিষদ ভাৰতীয় লোকসকলৰ নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা গঠন কৰা হয় আৰু তেওঁলোকৰ মাজৰপৰা গভৰ্ণৰে মন্ত্ৰীসকলক নিৰ্বাচন কৰে। প্ৰশাসনীয় পৰিষদে সংৰক্ষিত বিষয়সমূহ আৰু বিধায়িনী পৰিষদে স্থানান্তৰিত বিষয়সমূহৰ ক্ষমতা আৰু দায়িত্ব গ্ৰহণ কৰে। ১৯১৯ চনত সেই অনুসৰি এক নতুন সংবিধান ৰচনা কৰা হয়।

দ্বৈত শাসনৰ নতুন সাংবিধানিক ব্যৱস্থাস্বৰূপে শিক্ষা বিভাগ স্থানান্তৰিত বিষয়ৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়। ৰাজ্যিক বিধায়িনী পৰিষদৰ নিৰ্বাচিত শিক্ষামন্ত্ৰীসকলে ইয়াৰ দায়িত্ব গ্ৰহণ কৰে। অৱশ্যে এই প্ৰসংগত উল্লেখযোগ্য যে শিক্ষা বিষয় বিধায়িনী পৰিষদলৈ স্থানান্তৰিত কৰাৰ ক্ষেত্ৰত মত বিৰোধ সৃষ্টি নোহোৱাকৈ থকা নাছিল। বিশেষকৈ ভাৰতত থকা ইউৰোপীয়ান আৰু এংগলো ইণ্ডিয়ানসকলে ইয়াৰ আপত্তি কৰিছিল এইবাবে যে প্ৰাদেশিক শিক্ষামন্ত্ৰীসকলে তেওঁলোকৰ শিক্ষাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ নিবিচাৰিব। ইয়াৰ উপৰি প্ৰাদেশিক চৰকাৰসমূহেও শিক্ষা বিষয় হস্তান্তৰিত কৰাৰ ক্ষেত্ৰত ভিন ভিন মত প্ৰকাশ কৰিছিল। নতুন প্ৰশাসনীয় ব্যৱস্থা অনুসৰি শিক্ষা এক স্থানান্তৰিত বিষয়স্বৰূপে শিক্ষামন্ত্ৰীসকলক দিয়াৰ ফলত ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিস্বৰূপে শিক্ষামন্ত্ৰীসকল দেশৰ শিক্ষা বিকাশ কৰাৰ বাবে অধিক তৎপৰ হৈ উঠিল।

দ্বৈত শাসন ব্যৱস্থাই ভাৰতীয়সকলৰ স্বায়ত্ব শাসনৰ আশা-আকাংখ্যা পূৰণ কৰিব নোৱাৰিলে। বৰং এনেধৰণৰ ব্যৱস্থাই জাতীয়তাবাদীসকলক অধিক অসন্তুষ্ট কৰি তুলিলে। ভাৰত প্ৰশাসন ব্যৱস্থা যে প্ৰকৃত অৰ্থত এক ৰাজনৈতিক প্ৰৱঞ্চনামূলক নীতি আছিল সেইকথা ভাৰতীয়সকলে অনুভৱ কৰিলে। ফলত জাতীয় আন্দোলন পুনৰ তীব্ৰতৰ কৰি তোলা হ'ল। ইংৰাজ প্ৰশাসনেও দমনমূলক নীতি গ্ৰহণ কৰি অধিক উত্তেজনাৰ সৃষ্টি কৰি তুলিলে। ইংৰাজসকলৰ দমনমূলক নীতিৰ ব্যৱস্থাস্বৰূপে কুখ্যাত ৰাওলাট্ আইন প্ৰৱৰ্তন হ'ল। এনেবোৰ

ঘটনাই ভাৰতীয়সকলৰ অসন্তুষ্টি আৰু ক্ৰোধ বৃদ্ধি কৰি তুলিলে। সমগ্ৰ দেশতে সংবিধানৰ বিৰুদ্ধে প্ৰতিবাদৰ আন্দোলন গঢ় লৈ উঠিল। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয়সকল এক গোট হৈ ইংৰাজ চৰকাৰৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছে 'স্বৰাজ্যৰ' দাবী উত্থাপন কৰে। এই জাতীয় আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়াই সেই সময়ৰ ছাত্ৰ শিক্ষকসকলে স্কুল-কলেজ এৰি আন্দোলনত যোগ দিয়ে। ইংৰাজৰ শিক্ষা ব্যৱস্থা আৰু ইংৰাজী স্কুলসমূহ ভাৰতীয়সকলে পৰিত্যাগ কৰে। প্ৰাদেশিক চৰকাৰবোৰৰ শিক্ষামন্ত্ৰীসকলেও চৰকাৰ ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। সমগ্ৰ দেশতে নাগৰিক আইন অমান্য আন্দোলন শক্তিশালী হৈ উঠে।

১২.৪ চাইমন আয়োগ গঠন আৰু হার্টগ কমিটিৰ নিযুক্তি

আমি ইতিমধ্যে কমিটিখন গঠন কৰাৰ ক্ষেত্ৰত ঐতিহাসিক পটভূমি সমূহৰ বিষয়ে জানিলো। এইবাৰ আমি হার্টগ কমিটি আৰু চাইমন আয়োগ কেনেকৈ গঠন হ'ল তাৰ বিষয়ে সবিশেষ আলোচনা কৰিম।

ভাৰতত দ্বৈত শাসনৰ প্ৰৱঞ্চনা আৰু পৰৱৰ্তী কালত প্ৰৱৰ্তন কৰা ৰাওলাট্ আইনে এক অভাৱনীয় ৰাজনৈতিক সংকটৰ সৃষ্টি কৰে। ১৯২৬ চনত ভাৰতলৈ লৰ্ড আৰউইন (Lord Irwin) নতুন ৰাজ-প্ৰতিনিধিস্বৰূপে নিযুক্ত হৈ আহে। তেওঁ দায়িত্ব গ্ৰহণ কৰি ভাৰতৰ অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ সন্মুখীন হয়। ১৯১৯ চনৰ ভাৰত প্ৰশাসন আইনতেই উল্লেখ আছিল যে ১০ বছৰৰ পিছত নতুন প্ৰশাসন ব্যৱস্থা পুনৰীক্ষণ কৰিব পাৰিব। সেই হেতুকে চাৰ জন্ চাইমনৰ নেতৃত্বত ভাৰতৰ সমগ্ৰ সাংবিধানিক ব্যৱস্থাটো পৰীক্ষা কৰি প্ৰয়োজনীয় পৰামৰ্শ দিবলৈ এখন আয়োগ গঠন কৰা হয়। এই আয়োগত এজনো ভাৰতীয় লোক সদস্যস্বৰূপে লোৱা নহ'ল। সেয়েহে এই আয়োগ ভাৰতীয়সকলে বৰ্জন কৰে আৰু ইয়াৰ প্ৰতিবাদস্বৰূপে আয়োগ ভাৰতত পদাৰ্পণ কৰাৰ দিনা হৰতাল পালন কৰা হয়। চাইমন আয়োগৰ মুখ্য উদ্দেশ্য আছিল ভাৰতৰ প্ৰশাসন ব্যৱস্থাৰ ৰাজনৈতিক আৰু সাংবিধানিক দিশৰ বিস্তৃতভাৱে অধ্যয়ন কৰা। শিক্ষাৰ দিশ ইয়াৰ লগত জড়িত হৈ থকা বাবে এই দিশৰ ওপৰতো অধ্যয়ন আৰু অনুসন্ধান কৰি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ কোৱা হয়। আয়োগৰ অধ্যয়নৰ পৰিসৰ অধিক জটিল আৰু ব্যাপক পৰিসৰৰ হোৱালৈ চাই শিক্ষা বিষয়ৰ অধ্যয়ন কৰি পৰামৰ্শ দিবলৈ এখন সহায়কাৰী কমিটি (Auxiliary Committee) গঠন কৰাৰ কথা আলোচনা কৰা হয়। সেইমৰ্মে ১৯২৮ চনত এখন উপ-সমিতি গঠন কৰা হয়। ইয়াৰ সভাপতি আছিল সেই সময়ৰ ঢাকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য চাৰ ফিলিপ হাৰটগ (Sir Philip Hartog)। সেয়ে তেওঁৰ নাম অনুসৰি এই কমিটি 'হাৰটগ কমিটি' নামেৰে জনাজাত হয়। কমিটিয়ে ভাৰতীয় শিক্ষাৰ সকলো দিশ অধ্যয়ন কৰি ১৯২৯ চনত এখন প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনত কমিটিয়ে প্ৰাথমিক, মাধ্যমিক, উচ্চ শিক্ষা আৰু স্ত্ৰী-শিক্ষাৰ আসোঁৱাহবোৰ আলোচনা কৰি এইসমূহ আঁতৰোৱাৰ বাবে চৰকাৰৰ ওচৰত কিছুমান পৰামৰ্শ আগবঢ়াইছিল।



অগ্রগতি নিৰীক্ষণ

চমুকৈ লিখক ঃ

প্রশ্ন নং ১ ঃ মন্টফর্ড সংস্কাৰ

.....

.....

প্রশ্ন নং ২ ঃ দ্বৈত শাসনৰ তলত শিক্ষা

.....

.....

প্রশ্ন নং ৩ ঃ চাইমন আয়োগ

.....

.....

প্রশ্ন নং ৪ ঃ চাৰ ফিলিপ হাৰটগ

.....

.....

১২.৫ হার্টগ কমিটিৰ কার্য্যক্ষেত্র

আমাৰ পক্ষে কমিটিখনৰ কার্য্যক্ষেত্রৰ ধাৰণাখিনি জনাটো দৰকাৰ—

হার্টগ কমিটিখন নিযুক্তি দিয়া হৈছিল ভাৰতবর্ষৰ শিক্ষাৰ বিভিন্ন দিশৰ সংগঠন জয় কৰিবলৈ আৰু ক্ষেত্রখনৰ সামগ্রীক বিকাশ আৰু উন্নতি সাধনৰ বাবে পৰামর্শ আগবঢ়াবলৈ। কমিটিখনে নিজে মত পোষণ কৰা কথাখিনি হ'ল— সমিতিখনে শিক্ষাৰ সাংগঠনিক দিশত প্রতিবেদন দিয়াটো প্রয়োজন হ'ব, সাংগঠনিক দিশত প্রয়োজন হোৱা পুনৰ বিবেচনা আৰু শক্তিশালীকৰণ কৰা হ'ব প্রত্যেক ক্ষেত্রত, আৰু সমিতিখনৰ প্রস্তাৱসমূহ শিক্ষা সংগঠনত প্রয়োজন হোৱা সমাযোজনৰ বাবে দায়ী হ'ব।

১২.৬ ১৯২৯ চনৰ হার্টগ কমিটিৰ প্রতিবেদন

শিক্ষাৰ বিভিন্ন দিশত দিয়া পৰামর্শাৱলী সমূহৰ বিষয়ে এতিয়া আলোচনা কৰা হ'ব।

হার্টগ কমিটি হৈছে চাইমন আয়োগে আইনসংগতভাৱে গঠন কৰি দিয়া অনুসন্ধান কার্যৰ এখন সহায়ক কমিটি। চাৰ ফিলিপহার্টগ আছিল ভাৰতীয় শিক্ষাৰ লগত জড়িত এজন অভিজ্ঞ ব্যক্তি। তেওঁ পূর্বৰ কলিকতা বিশ্ববিদ্যালয় আয়োগৰো এজন সদস্য আছিল আৰু নবনির্মিত ঢাকা বিশ্ববিদ্যালয়ৰ ১৯২১ চনত প্রথম উপাচার্যস্বৰূপে নিযুক্ত হৈছিল। তেওঁ ভাৰতৰ শিক্ষা ব্যৱস্থাৰ প্রাথমিক, মাধ্যমিক, উচ্চ শিক্ষা আৰু আন আন দিশৰ বিস্তৃত অধ্যন কৰি ১৯২৯ চনৰ চেপ্তেম্বৰ মাহত প্রতিবেদন প্রস্তুত কৰি তোলে। বিশেষকৈ ভাৰতৰ প্রাথমিক

শিক্ষাৰ সম্বন্ধে কৰা হাৰটগ কমিটিৰ অধ্যয়ন আৰু পৰামৰ্শ আছিল বিশেষ তাৎপৰ্যপূৰ্ণ।

কমিটিয়ে অনুভৱ কৰে যে সেই সময়ছোৱাত ভাৰতীয় শিক্ষা বিভিন্ন দিশত অগ্ৰগতি লাভ কৰিব পৰা হৈছে। এই অগ্ৰগতি শিক্ষাৰ গুণগত মানদণ্ড দিশতো পৰিলক্ষিত হৈছে। সৰ্বসাধাৰণ লোকেও শিক্ষাৰ তাৎপৰ্য বুজি উঠি ইয়াক জাতীয় বিকাশৰ বাবে প্ৰয়োজনস্বৰূপে অনুভৱ কৰি উঠিব পাৰিছে। বৰ্ধিত সংখ্যাৰ স্কুল আৰু ছাত্ৰৰ নামভৰ্তিকৰণে শিক্ষাৰ প্ৰতি মানুহৰ পূৰ্বৰ উদাসীনতা দূৰ কৰিব পাৰিছে। শিক্ষাই মানুহৰ মনত সামাজিক আৰু ৰাজনৈতিক সচেতনতাও আনি দিব পাৰিছে। মহিলাসকল, মুছলমানসকল আৰু অনুন্নত জনজাতীয় সম্প্ৰদায়ৰ লোকসকলেও সজাগ হৈ উঠিছে আৰু শিক্ষা তেওঁলোকৰ অধিকাৰস্বৰূপে অনুভৱ কৰি উঠিছে। এই প্ৰসংগত কমিটিয়ে উল্লেখ কৰে যে শিক্ষা বিষয়টো জননিৰ্বাচিত প্ৰতিনিধিস্বৰূপ শিক্ষামন্ত্ৰীৰ হাতলৈ স্থানান্তৰিত কৰাৰ ফলত জনসাধাৰণৰ আগ্ৰহ অভিৰুচি আৰু প্ৰয়োজন পূৰণ কৰি তুলিব পাৰিছে।অৱশ্যে হার্টগ কমিটিয়ে এইকথাও অনুভৱ কৰে যে শিক্ষাই মানুহৰ মনত সাধাৰণ সচেতনতা জগাই তুলিব পাৰিছে যদিও দেশৰ সাক্ষৰতাৰ পৰিমাণ সন্তোষজনক হৈ উঠিব পৰা নাই। শিক্ষাৰ বিভিন্ন স্তৰত কমিটিয়ে কৰা অধ্যয়ন আৰু পৰামৰ্শৰ সাৰাংশ তলত দাঙি ধৰা হৈছে।

১২.৬.১ প্ৰাথমিক শিক্ষা সম্বন্ধে পৰামৰ্শাৱলী

হার্টগ কমিটিয়ে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ অপচয় আৰু অনুন্নয়নৰ সমস্যাটো প্ৰথমতে আঙুলিয়াই দিয়ে। কমিটিৰ মতে, প্ৰাথমিক শিক্ষা শেষ নকৰাকৈ মাজতে ল'ৰা-ছোৱালীয়ে স্কুল এৰি যোৱাটোৱেই হ'ল অপচয় আৰু একেটা শ্ৰেণীত প্ৰয়োজনতকৈ বেছিকৈ অৰ্থাৎ কেবাবছৰো থকাটোৱেই হ'ল অনুন্নয়ন। বেছিভাগ মাক-বাপেকেই নিৰক্ষৰ হোৱা বাবে প্ৰাথমিক শিক্ষা লাভ কৰি ল'ৰা-ছোৱালীয়েনো কি কৰিব এই ভাবি স্কুললৈ পঠিয়াব নোখোজে। অতি দুখীয়া হোৱা বাবে তেওঁলোকে ল'ৰা-ছোৱালীক কিতাপ-পত্ৰও যোগান ধৰিব নোৱাৰে। বেছিভাগ স্কুলত এজন মাথো শিক্ষক থকা বাবে সকলোবোৰ বিষয় তেওঁৰেই পঢ়াবলগীয়া হোৱাত ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে শিক্ষা নাপায়। তাৰোপৰি শিক্ষা পদ্ধতিত কোনো নতুনত্ব নাই। পাঠ্যক্ৰম গতানুগতিক হোৱা বাবে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব নোৱাৰে। বেছিভাগ পৰিয়াল দুখীয়া হোৱা বাবে ল'ৰা-ছোৱালীক খেতিৰ কাম আৰু অন্যান্য ঘৰুৱা কাম কৰিবলৈ দিব লগা হয়। বেছি পিছপৰা অঞ্চলৰ পৰা যাতায়াতৰ অসুবিধাৰ বাবে ল'ৰা-ছোৱালীয়ে দূ�ৰৰ স্কুললৈ যাব নোৱাৰে। ফলত শিক্ষাৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীবোৰে যথেষ্ট বাধাৰ সন্মুখীন হোৱা দেখা যায়। এইবোৰ কাৰণতেই প্ৰাথমিক শিক্ষাত অপচয় আৰু অনুন্নয়ন আটাইতকৈ বেছি বুলি কমিটিয়ে মত প্ৰকাশ কৰে। তথ্যবোৰ ভালদৰে চালিজাৰি চালে ল'ৰাতকৈ ছোৱালীৰ ক্ষেত্ৰত অপচয় আৰু অনুন্নয়নৰ মাত্ৰা বেছি হোৱা দেখা যায়।

➢ *প্ৰাথমিক শিক্ষাৰ দোষ-ত্ৰুটি ঃ* অপচয় আৰু অনুন্নয়নৰ দিশটোৰ উপৰিও হার্টগ কমিটিয়ে প্ৰাথমিক শিক্ষাত বহুতো ত্ৰুটি আছে বুলি মন্তব্য কৰিছিল। যেনে—

- প্ৰাথমিক শিক্ষা গাঁৱলীয়া সমস্যা, কাৰণ বেছিভাগ ভাৰতীয় মানুহেই গাঁৱত বাস কৰে।
- স্কুলবোৰ নিয়মিতভাৱে চলা দেখা নাযায়। বছৰটোত নিয়মিতভাৱে শ্ৰেণীসমূহ নহয়, বন্ধ হোৱা দেখা যায়।
- গাঁৱৰ মানুহবোৰ দুখীয়া হোৱা বাবে, নিৰক্ষৰ আৰু ৰক্ষণশীল হোৱা বাবে শিক্ষাৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনাৰ অভাৱ দেখা যায়।
- গাঁৱৰ মানুহৰ সুবিধাৰ বাবে প্ৰত্যেক গাঁৱতে প্ৰাথমিক স্কুল নাই। বৰষুণৰ বতৰত, শীতকালত ল'ৰা-ছোৱালীবোৰে দূৰৰ স্কুললৈ গৈ পঢ়াটো অসুবিধা।
- বিভিন্ন জাতি, ধৰ্ম, সাম্প্ৰদায়িক মনোভাবৰ বাবে গাঁওবোৰত প্ৰাথমিক শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হোৱা দেখা যায়।
- প্ৰাথমিক স্কুলবোৰৰ ঘৰ-দুৱাৰ, সা-সঁজুলি, খেল-ধেমালিৰ সৰঞ্জাম আদি অনাকৰ্ষণীয়।
- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ দেখা যায়। পৰিদৰ্শন ব্যৱস্থাও উন্নত নহয়। প্ৰয়োজন অনুসৰি পৰিদৰ্শকৰ সংখ্যা সৰহ নহয়।
- বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইনো দোষমুক্ত নহয়। এই আইন অনুসৰি বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ দায়িত্ব স্থানীয় কৰ্তৃপক্ষই বহন কৰিব লাগে কিন্তু কৰ্তৃপক্ষ প্ৰাথমিক শিক্ষাৰ প্ৰশাসনিক দিশৰ বাবে বেছি যোগ্য নহয়।

কমিটিয়ে লক্ষ্য কৰিছিল যে প্ৰাথমিক স্কুলৰ আৰু শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি আহিছে। কিন্তু শিক্ষাৰ মানদণ্ড উন্নত নহয়। সেইবাবে হাৰটগ কমিটিয়ে শিক্ষাৰ মান উন্নত কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল।

- অপচয় আৰু অনুন্নয়ন ঃ 'অপচয়ৰ' সংজ্ঞাদি কোৱা হয় যে ইয়াৰ অৰ্থ হৈছে স্কুলীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈ অকালতে স্কুল এৰি দিয়া কাৰ্য। শিক্ষাৰ বাবে যি টকা-পইচা আৰু সময়ৰ প্ৰয়োগ কৰা হয় সি এক অপচয়ত পৰিণত হোৱাৰ বাহিৰে আন একো নহয়। কাৰণ এই ছাত্ৰসকলে সাক্ষৰতা লাভ কৰি উঠিব নোৱাৰে। কমিটিয়ে লক্ষ্য কৰে যে ল'ৰাতকৈও ছোৱালীৰ অপচয়ৰ মাত্ৰা অধিক হয়। প্ৰাথমিক শিক্ষা অপচয়ৰ পৰিমাণ শতকৰা ৮০% ভাগলৈকে পোৱাৰ কথা কমিটিয়ে উল্লেখ কৰে।

কমিটিৰ মতে 'অনুন্নয়ণৰ' অৰ্থ হৈছে এটা শিশু একেটা শ্ৰেণীতে এবছৰতকৈও অধিক সময় আবদ্ধ হৈ থকাটো। ইয়াক শিক্ষাৰ অকৃতকাৰ্যতা বুলি ক'ব পাৰি, যাৰ ফলত ছাত্ৰই ওপৰৰ শ্ৰেণীলৈ নিয়মীয়াভাৱে উত্তীৰ্ণ হ'ব নোৱাৰে। ইয়াৰ পৰিণতিস্বৰূপে শিক্ষাত অনগ্ৰসৰতা আৰু স্থবিৰতাই দেখা দিয়ে। ছাত্ৰৰ শিক্ষা অগ্ৰগতি নিয়মীয়া হৈ উঠিব নোৱাৰাৰ ফলত অৱশেষত শিক্ষা ত্যাগ কৰে। প্ৰাথমিক শিক্ষাৰ এনে স্থবিৰতা সচৰাচৰ তলৰ শ্ৰেণীকেইটাতেই পোৱা হয় আৰু এইক্ষেত্ৰতো ল'ৰাতকৈ ছোৱালীৰ সংখ্যাই হয় অধিক।

অপচয় আৰু অনুন্নয়ণৰ কাৰণস্বৰূপে কমিটিয়ে প্ৰাথমিক শিক্ষাৰ আন কেতবোৰ দোষ-ত্ৰুটি আঙুলিয়াই দিয়ে। এইসমূহ আছিল নিম্নলিখিতবিধৰ—

- শতকৰা ৬০ ভাগ স্কুলতে এজনীয়া শিক্ষকৰ ব্যৱস্থাহে আছে।
- স্কুল পৰিদৰ্শকৰ অভাৱত নিয়মীয়া পৰিদৰ্শন কৰা নহয়।
- শিক্ষকসকলৰ প্ৰয়োজনীয় অৰ্হতা নাই আৰু প্ৰশিক্ষণপ্ৰাপ্ত নহয়।
- স্কুলৰ পাঠ্যক্ৰম ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ নথকাবিধৰ।
- শিক্ষাদান পদ্ধতি হৈছে অনাকৰ্ষণীয় আৰু গতানুগতিক। বহুতো প্ৰাথমিক স্কুল অস্থায়ীবিধৰ হৈ আছে।

➢ *প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত হার্টগ কমিটিৰ পৰামৰ্শসমূহ ঃ* প্ৰাথমিক শিক্ষাৰ দোষ-ত্ৰুটিবোৰ বৰ্ণনা কৰাৰ অন্তত হার্টগ কমিটিয়ে ইয়াৰ গুণগত মান বৃদ্ধি কৰাৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়ায়। সেইবোৰ হ'ল —

- প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে তৎকালীনভাৱে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নালাগে। স্থানীয় পৰিবেশ আৰু পৰিস্থিতিসমূহ অধ্যয়ন কৰি প্ৰথমতে এখন আঁচনি প্ৰস্তুত কৰি লোৱা উচিত।
- প্ৰাথমিক স্কুলৰ নিয়ন্ত্ৰণ আৰু পৰিদৰ্শনৰ দায়িত্ব স্থানীয় কৰ্তৃপক্ষৰ হাতত এৰি নিদি চৰকাৰে নিজেই এই দায়িত্ব বহন কৰা উচিত।
- প্ৰাথমিক শিক্ষাৰ স্থিতিকাল অন্তত চাৰিবছৰ হোৱা উচিত।
- এই শিক্ষাৰ ক্ষেত্ৰত বিস্তৃতকৰণ নীতিৰ পৰিৱৰ্তে একত্ৰীকৰণ নীতি গ্ৰহণ কৰা উচিত।
- প্ৰাথমিক স্কুলৰ শিক্ষকৰ সাধাৰণ শিক্ষাৰ মানদণ্ড উন্নত হ'ব লাগে। প্ৰশিক্ষণৰ সময় বঢ়াব লাগে আৰু এই স্কুলবোৰৰ শিক্ষকৰ সংখ্যা বঢ়াব লাগে। এই স্কুলবোৰৰ শিক্ষকসকলৰ দৰমহা আদি বৃদ্ধি কৰি আৰু প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰি শিক্ষকতাৰ বাবে উপযুক্ত মানুহক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা উচিত।
- প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰম মুক্ত হোৱা উচিত।
- স্থানীয় পৰিবেশ আৰু পৰিস্থিতিৰ লগত খাপ খুৱাই স্কুলৰ পাঠদানৰ

সময় আৰু বন্ধৰ দিন ঠিক কৰা উচিত।

- যিবোৰ স্কুলত ছাত্ৰ সংখ্যা খুব কম আৰু উন্নত শিক্ষা পদ্ধতিৰ বাবে কোনো সুবিধাও নাই তেনে স্কুলবোৰ বন্ধ কৰি দিয়া উচিত।
- এই স্কুলৰ তলৰ শ্ৰেণীকেইটাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। অপচয় আৰু অনুন্নয়ণৰ মাত্ৰা যিহেতু এই শ্ৰেণীকেইটাতেই বেছি, গতিকে এইসমূহ কমাবলৈ চেষ্টা কৰা উচিত।
- প্ৰাথমিক স্কুলসমূহক কেন্দ্ৰ হিচাপে লৈ গাঁও উন্নয়নমূলক কাম হাতত লোৱা উচিত।



অগ্ৰগতি নিৰীক্ষণ

চমুকৈ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৫ ঃ প্ৰাথমিক শিক্ষাৰ বিকাশৰ পথত থকা বাধাসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ অপচয় আৰু অনুন্নয়ন

.....

.....

প্ৰশ্ন নং ৭ ঃ প্ৰাথমিক শিক্ষা উন্নতিকৰণৰ কাৰণে আগবঢ়োৱা পৰামৰ্শসমূহৰ চাৰিটা তালিকাভুক্ত কৰক।

.....

.....

১২.৬.২ মাধ্যমিক শিক্ষাৰ ওপৰত পৰামৰ্শ

হার্টগ কমিটিয়ে মাধ্যমিক শিক্ষাৰ বিভিন্ন দিশসমূহ অধ্যয়ন কৰি মত প্ৰকাশ কৰে যে ভাৰতৰ মাধ্যমিক স্কুলসমূহৰ অৱস্থা আগতকৈ কিছু উন্নত হৈছে যদিও এই শিক্ষাৰ ক্ষেত্ৰত ডাঙৰ আসোঁৱাহ ৰৈ গৈছে। মাধ্যমিক স্কুলত ভর্তি হোৱা প্ৰত্যেকজন ছাত্ৰই নিজকে বিশ্ববিদ্যালয়ত সোমাবলৈ প্ৰস্তুত কৰে আৰু বহুসংখ্যক ছাত্ৰই মেট্ৰিকুলেচন পৰীক্ষাত কৃতকার্য হ'ব নোৱাৰে আৰু বিশ্ববিদ্যালয়ত পৰীক্ষাসমূহে যথেষ্ট অপচয় হোৱাটো আঙুলিয়াই দিয়ে।

- *মাধ্যমিক শিক্ষাৰ দোষ-ত্ৰুটি ঃ* প্ৰাথমিক শিক্ষাৰ দৰে মাধ্যমিক শিক্ষাতো অপচয় হয় বুলি কমিটিয়ে অনুভৱ কৰে। তলত উল্লেখ কৰা দোষসমূহ মাধ্যমিক শিক্ষাত থকা বুলি কমিটিয়ে মন্তব্য কৰে—

- ছাত্ৰ-ছাত্ৰীয়ে যাতে মেট্ৰিকুলেচন পৰীক্ষাত কৃতকাৰ্য লাভ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিহে শিক্ষা দিয়া হয়। ইয়াৰ বাহিৰে আন কোনোধৰণৰ উদ্দেশ্য ইয়াত নাই।
- মেট্ৰিকুলেচন পৰীক্ষাৰ অকৃতকাৰ্যতাই অৰ্থ, সময়, চেষ্টাৰ অপচয় হোৱাটো আঙুলিয়াই দিয়ে।

➢ *মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে পৰামৰ্শ ঃ* ওপৰত উল্লেখ কৰা দোষসমূহৰ প্ৰতি লক্ষ্য ৰাখি কমিটিয়ে মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে তলত দিয়াধৰণে পৰামৰ্শ আগবঢ়াইছিল—

- মধ্য মাতৃভাষাৰ স্কুলৰ পাঠ্যক্ৰম উন্নত কৰিব লাগে। এইক্ষেত্ৰত গাঁৱৰ বৃত্তি উপযোগী বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত।
- হাইস্কুলসমূহৰ পাঠ্যক্ৰমত বাণিজ্য আৰু কাৰিকৰী পাঠ্যবিষয় অন্তৰ্ভুক্ত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলক এইসমূহ বিষয়ৰ শিক্ষাৰ প্ৰতি উৎসাহিত কৰিব লাগে।
- হাইস্কুলসমূহত বিভিন্নধৰণৰ বিষয় অন্তৰ্ভুক্ত কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ৰুচি অনুসৰি এইসমূহ বাছি ল'ব পাৰে।
- শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা উন্নত কৰিব লাগে। তেওঁলোকৰ দৰমহা বৃদ্ধি আৰু অন্যান্য সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা উচিত।
- মজলীয়া স্কুল পৰ্যায় শেষ হোৱাৰ পিছত পৰীক্ষা পাতিব লাগে। এনে পৰীক্ষাই উপযুক্ত ছাত্ৰসকলক নিৰ্বাচন কৰিব পাৰিব লাগে।
- শিক্ষক প্ৰশিক্ষণৰ বাবে উন্নত গুণমানৰ প্ৰশিক্ষণ কলেজ স্থাপন কৰি তুলিব লাগে। এই প্ৰশিক্ষণ কলেজে উন্নত পদ্ধতিবোৰৰ শিক্ষা দিব লাগে আৰু পুনৰুদ্দীপন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।
- শিক্ষকসকলৰ চাকৰিৰ অৱস্থা কেৱল উন্নত কৰাই নহয়, তেওঁলোকৰ সামাজিক মানদণ্ডও উন্নত কৰি তুলিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৮ ঃ মাধ্যমিক শিক্ষাৰ সমস্যাবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ হার্টগ কমিটিয়ে প্ৰস্তাৱ আগবঢ়োৱা বিকল্প পাঠ্যক্ৰম

.....

.....

প্ৰশ্ন নং ১০ ঃ শিক্ষকৰ সেৱাৰ অৱস্থা

.....

.....

১২.৬.৩ উচ্চশিক্ষাৰ সম্বন্ধে পৰামৰ্শাৱলী

ইতিমধ্যে হার্টগ কমিটিয়ে প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে জানিব পৰা গ'ল। কমিটিয়ে উচ্চ শিক্ষাৰ ওপৰটো কিছুমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ আগতে সেই সময়ত ভাৰতবৰ্ষৰ উচ্চশিক্ষাৰ অৱস্থাটো কেনেকুৱা আছিল তাৰ মূল্যায়ণ কৰিছে। কমিটিয়ে দোষসমূহ উনুকিয়াইছে আৰু তাৰ প্ৰতিকাৰৰ বাবে পৰামৰ্শ দিছে।

- *উচ্চশিক্ষাৰ দোষসমূহ ঃ* বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হোৱাত কমিটি সন্তুষ্ট হয় যদিওঁ কমিটিয়ে এই প্ৰসংগত কিছুমান ত্ৰুটিৰ কথাও আঙুলিয়াই দিয়ে; যেনে—
  - বিশ্ববিদ্যালয়সমূহ সংখ্যাত বৃদ্ধি হৈছিল, কিন্তু ইয়াৰ শিক্ষাৰ মানদণ্ড কমি আহিছিল।
  - বিশ্ববিদ্যালয়সমূহে সমাজৰ বাবে উপযুক্ত মানুহ সৃষ্টি কৰিব পৰা নাছিল। অৰ্থাৎ উচ্চশিক্ষাৰ প্ৰধান লক্ষ্য পূৰণ কৰিবলৈ সক্ষম হোৱা নাছিল।
  - গৱেষণাৰ কামত ভাল ফল দেখুৱালেও সন্মান পাঠ্যক্ৰম ভালদৰে সংগঠিত কৰা নাছিল।
  - কলেজসমূহত পুথিভঁৰালৰ সা-সুবিধাৰ অভাৱ।
  - উচ্চশিক্ষা লাভ কৰিবলৈ জধে-মধে ছাত্ৰ ভৰ্তিকৰণ।
- *উচ্চশিক্ষাৰ পৰামৰ্শাৱলী ঃ* উচ্চশিক্ষাৰ ক্ষেত্ৰত থকা বিভিন্ন দোষসমূহ আঁতৰাবলৈ কমিটিয়ে তলত দিয়াধৰণে পৰামৰ্শ আগবঢ়ায়—
  - উচ্চ শিক্ষাৰ বৰ্ধিত প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি আবাসিক বিশ্ববিদ্যালয়ৰ উপৰিও সংবদ্ধকৰণকাৰী বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।
  - শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে বিশ্ববিদ্যালয়ে স্বীকৃতিপ্ৰাপ্ত কলেজবোৰৰ শিক্ষক নিযুক্তি দিব লাগে।
  - বিশ্ববিদ্যালয়ে সুসজ্জিত পুথিভঁৰালৰ ব্যৱস্থা কৰিব লাগে আৰু ইয়াৰ যোগেদি শিক্ষকসকলক নতুন জ্ঞান আহৰণত সহায় কৰিব লাগে।
  - উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে মাধ্যমিক পৰ্যায়ৰ শিক্ষা উন্নত কৰি তুলিব লাগে।
  - বিশ্ববিদ্যালয়ৰ নাম ভৰ্তিকৰণৰ নীতি কঠোৰ হ'ব লাগে আৰু প্ৰকৃত আগ্ৰহ অভিৰুচি আৰু মেধাশক্তি থকা ছাত্ৰকহে অধ্যয়নৰ সুবিধা দিব লাগে।

অনার্চ বিষয়ক পাঠ্যক্ৰম সুসংগঠিত কৰি তুলিব লাগে আৰু যোগ্য ছাত্ৰকহে অধ্যয়ন কৰিবলৈ দিব লাগে।

- ছাত্ৰসকলে চাকৰিৰ প্ৰয়োজনীয় বা-বাতৰি লাভ কৰিবৰ বাবে বিশ্ববিদ্যালয়ত নিয়োগ বিভাগ স্থাপন কৰিব লাগে।
- বিশ্ববিদ্যালয় পৰীক্ষাৰ উপৰিও স্নাতকসকলক প্ৰশাসনীয় কাম-কাজত নিয়োগ কৰিবৰ বাবে বিভাগীয় পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰিব লাগে।
- সৰ্বসাধাৰণ লোক আৰু সমাজৰ চকুত উচ্চ শিক্ষাৰ মানদণ্ড উন্নত মানৰ কৰি তুলিবৰ বাবে স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰসকলক চাকৰিৰ সুবিধা দিব লাগে।
- জ্ঞানৰ বিকাশ সাধন কৰাটো বিশ্ববিদ্যালয় শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ব লাগে। সৰ্বসাধাৰণ লোকৰ মনত এই শিক্ষাই ৰাজনৈতিক আৰু সামাজিক সচেতনতা জগাই তুলিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

চমুকৈ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১১ ঃ ১৯২৯ চনৰ হার্টগ কমিটিয়ে বিশ্ববিদ্যালয় শিক্ষা সন্দর্ভত উনুকিয়াই দিয়া দোষ-ত্ৰুটিসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১২ ঃ উন্নতি সাধনৰ ক্ষেত্ৰত উচ্চ শিক্ষা সন্দর্ভত কমিটিখনে কি কি পৰামৰ্শ আগবঢ়াইছিল?

.....

.....

১২.৬.৪ স্ত্ৰী শিক্ষা

সেইসময়ত ছোৱালীৰ শিক্ষা ব্যৱস্থা যথেষ্ট পিছপৰি থকাটো কমিটিয়ে অনুভৱ কৰিছিল। গাঁও অঞ্চলত ছোৱালীৰ শিক্ষাৰ ভাল সুবিধা নাই। ল'ৰা আৰু ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ব্যৱধান আছিল। মাধ্যমিক স্তৰত ছোৱালীৰ শিক্ষা লাভৰ সুবিধা কম। এইসমূহৰ প্ৰতি লক্ষ্য ৰাখি কমিটিয়ে তলত দিয়াধৰণে পৰামৰ্শ আগবঢ়াইছিল—

- ল'ৰাৰ লগতে ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰতো সমানেই গুৰুত্ব দিব লাগে আৰু সমানেই খৰচ বহন কৰিব লাগে।
- অৰ্হতাসম্পন্ন আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগে।

- স্কুলত অধিক সংখ্যক পৰিদৰ্শিকা নিয়োগ কৰিব লাগে।
- ছোৱালীৰ শিক্ষাৰ সুবিধাৰ কাৰণে যথেষ্ট সংখ্যক প্ৰাথমিক আৰু মাধ্যমিক স্কুল স্থাপন কৰিব লাগে।
- ছোৱালীৰ পাঠ্যক্ৰমত তেওঁলোকৰ প্ৰয়োজনীয় বিষয়, যেনে— গাৰ্হস্থ্য বিজ্ঞান অন্তৰ্ভুক্ত কৰিব লাগে।
- প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ছোৱালী স্কুলৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে গ্ৰাম্য অঞ্চলত ছোৱালীৰ পৃথক স্কুল স্থাপন কৰিব লাগে।
- প্ৰাথমিক শিক্ষা ক্ৰমে ছোৱালীসকলৰ বাবেও বাধ্যতামূলক কৰি তুলিব লাগে।
- ছোৱালীসকলেই দেশৰ ভৱিষ্যত নাগৰিকসকলৰ মাতৃস্বৰূপে গঢ়ি তুলিবলৈ তেওঁলোকৰ শিক্ষাত অগ্ৰাধিকাৰ দিব লাগে।

১২.৬.৫ অন্যান্য পৰামৰ্শাৱলী

হার্টগ কমিটিয়ে শিক্ষাৰ আন কেতবোৰ দিশত দিয়া পৰামৰ্শসমূহ তলত দিয়াধৰণৰ—

- শিক্ষা বিষয়ৰ দায়িত্ব প্ৰাদেশিক চৰকাৰলৈ হস্তান্তৰ কৰি কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণ মুক্ত হ'ব নালাগে।
- দিল্লীত এখন কেন্দ্ৰীয় শিক্ষা কমিটি গঠন কৰিব লাগে।
- পৃথক স্কুলৰ ব্যৱস্থাই সাম্প্ৰদায়িক ভেদ ভাবৰ সৃষ্টি কৰালৈ চাই ইয়াক উৎসাহিত কৰিব নালাগে।
- শিক্ষাধিকাৰৰ কাৰ্যালয়ত কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে আৰু তেওঁক সহায় কৰিবৰ বাবে পৰিদৰ্শক আৰু উপ-পৰিদৰ্শক অধিকভাৱে নিয়োগ কৰিব লাগে।
- কেন্দ্ৰীয় প্ৰশাসন ব্যৱস্থা থকা অঞ্চলবোৰত একোজন শিক্ষা সচিব নিয়োগ কৰিব লাগে।

১২.৭ পৰামৰ্শাৱলীসমূহৰ মূল্যায়ন

হার্টগ কমিটিৰ শিক্ষা প্ৰতিবেদনখনক চৰকাৰী ক্ৰিয়াকলাপৰ এখন প্ৰশংসা-পত্ৰস্বৰূপেও সমালোচনা কৰা হয়। কাৰণ এই প্ৰতিবেদনে সাধাৰণভাৱে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰবোৰৰ শিক্ষা নীতি আৰু পদ্ধতিৰ প্ৰশংসা কৰি গৈছে। ৰাজকীয় শিক্ষানীতিৰ তেনে কোনো বিৰোধিতা কৰি আমূল পৰিবৰ্তনৰ পৰামৰ্শ দিয়া নাই। সেইবাবে প্ৰতিবেদনখনৰ পৰামৰ্শাৱলীত তেনে কোনো নতুনত্ব পাব পৰা নাযায়। অৱশ্যে সেই সময়ৰ পৰিস্থিতিত তেনে এক পৰিবৰ্তন প্ৰত্যাশিতবিধৰো নহয়। কাৰণ দ্বিতীয় মহাযুদ্ধৰ পৰিস্থিতি, অৰ্থনৈতিক সংকট, ৰাজনৈতিক

অস্থিৰতা আদিয়ে শিক্ষাৰ অনুকূল পৰিবেশ গঢ়ি তুলিব পৰা নাছিল। সেইবাবে চৰকাৰী শিক্ষা নীতি সুদৃঢ়কৰণ আৰু শিক্ষাৰ সম্প্ৰসাৰণ নীতিৰ পৰিবৰ্তে গুণগত মান উন্নত কৰিবলৈ বিচৰা চৰকাৰী নীতিকেই এই কমিটিয়ে সমৰ্থন কৰিছিল।

এই প্ৰসংগত উল্লেখযোগ্য যে শিক্ষাৰ গুণগতমান উন্নত কৰাতকৈ শিক্ষা সম্প্ৰসাৰণৰ ওপৰতহে স্বদেশী আন্দোলনৰ নেতাসকলে গুৰুত্ব দিছিল। সেইবাবে কমিটিয়ে গ্ৰহণ কৰা শিক্ষা নীতি ভাৰতীয়সকলৰ সমৰ্থনযোগ্য হৈ উঠা নাছিল। ইয়াৰ উপৰি হাৰটগ কমিটিয়ে শিক্ষাত লৰ্ড কাৰ্জনৰ নিয়ন্ত্ৰণ নীতিকেই সমৰ্থন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে শিক্ষা বিষয় হস্তান্তৰ কৰাটো নিবিচাৰিছিল। কমিটিয়ে গ্ৰহণ কৰা এনে নীতিয়েও ভাৰতীয়সকলৰ সমৰ্থন লাভ কৰিব পৰা নাছিল।

অৱশ্যে ভাৰতীয় শিক্ষাত এই কমিটিৰ পৰামৰ্শাৱলীৰ এক ঐতিহাসিক তাৎপৰ্য সমূলি অস্বীকাৰ কৰিব নোৱাৰি। বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এই কমিটিয়ে কেতবোৰ বাস্তব সমস্যা আৰু পৰিস্থিতিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে। এই পৰ্যায়ৰ শিক্ষাৰ অপচয় আৰু অনুন্নয়নৰ সমস্যাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। তাৰ উপযুক্ত সমাধানৰ বাবেও কেতবোৰ কাৰ্যকৰী আৰু সময়োপযোগী পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰি ভাৰতীয় শিক্ষাত সম্প্ৰসাৰণৰ নীতি গ্ৰহণে যে গুণগত মানৰ ক্ষতি সাধন কৰিব পাৰে আৰু সেইবাবে এই দিশটোৰ ওপৰত গুৰুত্ব প্ৰদানৰ যে প্ৰয়োজন হৈ পৰিছে তাক আঙুলিয়াই দিয়ে। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো কমিটিয়ে ইয়াৰ লক্ষ্য আদৰ্শৰ দিশত থকা পূৰ্বৰ ভ্ৰান্তি গুচাই সময়োপযোগী আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে।

১২.৮ পৰামৰ্শসমূহৰ পৰিণতি

হার্টগ কমিটি প্ৰতিবেদনৰ ফলস্বৰূপে দেশৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ অগ্ৰগতি ভিন ভিন হৈ উঠে। ইয়াৰ এক বিশ্লেষণমূলক অধ্যয়ন তলত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে—

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে সংখ্যাগত বিকাশতকৈও গুণগত বিকাশ সাধনত জোৰ দিছিল। স্থানীয় কৰ্তৃপক্ষবোৰে ভাল কাম কৰিব পৰা নাই বুলি জানি চৰকাৰী পৰিদৰ্শন আৰু নিয়ন্ত্ৰণৰ মত প্ৰকাশ কৰিছিল। শিক্ষকৰ দৰমহা আৰু অৱস্থাৰ উন্নতি কৰা, প্ৰশিক্ষণ দিয়া আৰু শিক্ষা পৰিদৰ্শন কৰাৰ ওপৰত গুৰুত্ব দিছিল। পাঠ্যক্ৰমত প্ৰয়োজনীয় বিষয় অধ্যয়নৰ বাবেও পৰামৰ্শ দিছিল। ইয়াৰ উপৰি স্কুলক গ্ৰাম্য উন্নয় কেন্দ্ৰত পৰিণত কৰি তোলাৰো মত প্ৰকাশ কৰিছিল। এনেবোৰ ব্যৱস্থাই প্ৰাথমিক শিক্ষাৰ গুণমান উন্নত কৰি তুলিব পাৰিছিল। কিন্তু আনহাতে জাতীয়তাবাদী নেতাসকলে বিচৰা মতে এই শিক্ষাৰ সম্প্ৰসাৰণ হৈ উঠা নাছিল। উল্লেখযোগ্য যে ১৯২৯ চনৰ ভিতৰতেই দেশৰ প্ৰায়বোৰ ৰাজ্যতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰি তোলা আইন প্ৰণয়ন কৰা হৈছিল। কিন্তু একমাত্ৰ পঞ্জাব ৰাজ্যৰ বাহিৰে আনবোৰ ৰাজ্যত এনে ব্যৱস্থাই সফলতা লাভ কৰি উঠিব নোৱাৰিলে। অসমৰ কোনো অঞ্চলতে বাধ্যতামূলক আইন প্ৰৱৰ্তন লাভ কৰা নহ'ল। সেয়েহে শিক্ষাৰ গুণমান উন্নতকৰণৰ চৰকাৰী নীতিয়ে প্ৰাথমিক স্কুলৰ সংখ্যা হ্ৰাস কৰিহে তুলিলে। পৰিসাংখিক তথ্যমতে ১৯৩১-৩২ চনত মুঠ স্কুলৰ সংখ্যা

আছিল ১,৯৬,৭০৮ খন। ১৯৩৬-৩৭ চনত সেই সংখ্যা কমি গৈ ১,৯২,২৪৪ খন হয়গৈ, এই ৫ বছৰৰ ভিতৰত প্ৰাথমিক স্কুলৰ সংখ্যা ৪,৪৬৪ খন কমি যোৱাটো হৈছে এক তাৎপৰ্যপূৰ্ণ ঘটনা।

প্ৰাথমিক শিক্ষাৰ তুলনাত মাধ্যমিক শিক্ষাৰ বিকাশৰ গতি আছিল সন্তোষজনক। নগৰ অঞ্চলৰ লোকে শিক্ষাৰ প্ৰয়োজন অনুভব কৰি উঠিছিল। চৰকাৰী স্কুলৰ সংখ্যা আৰু চৰকাৰৰ অৰ্থ সাহায্য যথেষ্ট নাছিল যদিও ব্যক্তিগত শিক্ষা উদ্যোগীসকলে এই পৰ্যায়ৰ শিক্ষা সম্প্ৰসাৰণ কৰি তুলিছিল। মেট্ৰিকুলেচন পৰীক্ষাত ছাত্ৰৰ অধিক ভীৰ হৈ উঠিছিল। অৱশ্যে মাধ্যমিক শিক্ষাৰ পৰ্যায়ত কাৰিকৰী শিক্ষাৰ বিকাশ হৈ উঠা নাছিল। ইয়াৰ ফলত মাধ্যমিক শিক্ষা বৃত্তিমুখী কৰি তুলিব পৰা নহৈছিল। এই পৰ্যায়ৰ শিক্ষা সম্প্ৰসাৰণ হৈ উঠাৰ আন এটা প্ৰধান কাৰণ হৈছে চেদলাৰ আয়োগৰ পৰামৰ্শ ক্ৰমে শিক্ষাৰ মাধ্যম মাতৃভাষা কৰি তোলাটো। ইয়াৰ ফলত সৰ্বসাধাৰণ শ্ৰেণী লোকৰ ল'ৰা-ছোৱালীয়েও এই শিক্ষা সহজে আয়ত্ব কৰি উঠিব পৰা হয়। এনেবোৰ কাৰণতেই দেখা যায় যে প্ৰায় ১৫ বছৰৰ ভিতৰত স্কুলৰ সংখ্যা আৰু ছাত্ৰৰ সংখ্যা প্ৰায় দুগুণলৈ বৃদ্ধি পায়। প্ৰাপ্ত পৰিসংখ্যা মতে ১৯২১-২২ চনত স্কুলৰ সংখ্যা আছিল ৭,৫৩০ খন আৰু ১৯৩৬-৩৭ চনত ই বাঢ়ি গৈ স্কুলৰ সংখ্যা হয় ১৩,০৫৬ খন হয়গৈ।

উচ্চ শিক্ষাৰ প্ৰসংগত হার্টগ কমিটিৰ প্ৰতিবেদনক চেদলাৰ আয়োগৰ পৰামৰ্শাৱলীৰ এক অনুসৰণ কাৰ্যস্বৰূপে বৰ্ণনা কৰিব পাৰি। ১৯১৭ চনৰ এই উচ্চ শিক্ষাৰ আয়োগখনৰ ফলস্বৰূপে দেশত বিশ্ববিদ্যালয়ৰ দ্ৰুত সম্প্ৰসাৰণ হৈ উঠে। দহ বছৰৰ ভিতৰত (১৯১৯-২৯) প্ৰায় ১০ খন নতুন বিশ্ববিদ্যালয় গঢ় লৈ উঠে। এই বিশ্ববিদ্যালয়বোৰৰ কাৰ্য পৰিসৰ বৃদ্ধি কৰা আৰু শৈক্ষিক মানদণ্ড উন্নত কৰি তোলা হয়। এই সময়ছোৱাক দেশৰ উচ্চ শিক্ষাৰ এক বিস্ফোৰণৰ কাল বুলিব পাৰি। হাৰটগ কমিটিয়ে এই বিশ্ববিদ্যালয়বোৰৰ দোষ-ত্ৰুটিসমূহ আঙুলিয়াই দিয়ে। ফলত সেইসমূহ গুচাবৰ বাবে প্ৰচেষ্টা চলোৱা হয়। কমিটিয়ে সংবদ্ধ কলেজবোৰৰ শিক্ষক নিযুক্তি বিশ্ববিদ্যালয়ে কৰাৰ পৰামৰ্শ দিয়ে। উচ্চশিক্ষাতো ক্ৰমে নিবনুৱা সমস্যাই দেখা দিয়া বাবে বিশ্ববিদ্যালয়ত নিয়োগ বিভাগ স্থাপনৰ পৰামৰ্শ দিয়ে। কমিটিৰ পৰামৰ্শক্ৰমে আবাসিক আৰু শিক্ষাদানকাৰী বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰি তোলা হয়। এনেবোৰ দিশৰ ব্যৱস্থা গ্ৰহণে উচ্চ শিক্ষাৰ বিকাশ সন্তোষজনক কৰি তোলে। এই সময়ছোৱাত কলেজৰ সংখ্যা আৰু ছাত্ৰ-ছাত্ৰীও প্ৰায় দুগুণলৈ বৃদ্ধি পাই উঠে। পৰিসাংখিক তথ্যমতে ১৯২১-২২ চনত বিশ্ববিদ্যালয়বোৰত শিক্ষাদান কৰা বিভাগ আৰু কলেজৰ সংখ্যা আছিল ২০৭ খন। ১৯৩৬-৩৭ চনত ৪৪৬ খন হয়গৈ।



অগ্ৰগতি নিৰীক্ষণ

চমু উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১৩ ঃ হার্টগ কমিটি আৰু স্ত্ৰী শিক্ষা

.....

.....

প্ৰশ্ন নং ১৪ ঃ কমিটিখনৰ পৰামৰ্শাৱলীৰ মূল্যায়ণ কৰক

.....

.....

প্ৰশ্ন নং ১৫ ঃ ভাৰতীয় শিক্ষাৰ ওপৰত হার্টগ কমিটিৰ পৰামৰ্শাৱলীৰ প্ৰভাৱ

.....

.....



১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ প্ৰথম অংশতে আমি কমিটিখন গঠন কৰাৰ ক্ষেত্ৰত ঐতিহাসিক আধাৰৰ বিষয়খিনি পোহৰলৈ আনিছো। দ্বৈত শাসনৰ সময়ত শিক্ষা ব্যৱস্থাৰ অৱস্থা আৰু সমালোচনাৰ পৰ্যায়ৰ বিষয়েও আলোচনা কৰা হৈছে।
- চাইমন আয়োগ গঠন কৰা হৈছিল ১৯১৯ চনৰ ভাৰত চৰকাৰৰ আইনৰ তলত কাম কৰি থকা প্ৰশাসনৰ বিষয়ে অনুসন্ধান কৰিবলৈ।
- চাইমন আয়োগে হার্টগ কমিটি নিযুক্তি দিছিল চাৰ ফিলিপ হাৰটগৰ সভাপতিত্বত এটা অতিৰিক্ত সমিটি হিচাপে। এই সমিতিৰ প্ৰধান কাম আছিল শিক্ষাৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰা।
- কমিটিখনে শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰি ১৯২৯ চনত এখন প্ৰতিবেদন দাখিল কৰিলে। আমি আয়োগে প্ৰাথমিক শিক্ষা সন্দৰ্ভত দিয়া পৰামৰ্শসমূহ আলোচনা কৰিলো আৰু পৰ্যবেক্ষণ কৰি পাইছো যে কমিটিখনে শিক্ষাৰ সংখ্যাগত বিকাশতকৈ গুণগত মানদণ্ড বিকাশৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে।
- কমিটিখনে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা আসোঁৱাহসমূহ আঙুলিয়াই দিছে আৰু প্ৰাথমিক বিদ্যালয়সমূহক সামূহিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিছিল।
- প্ৰথমতে কমিটিখনে সমস্যা হিচাপে অপচয় আৰু অনুন্নয়নকে উল্লেখ কৰিছে আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে পৰামৰ্শ দি চৰকাৰী পৰিদৰ্শন, গুণগত শিক্ষক নিয়োগ, আৰ্থিক স্বচ্ছলতা আদিৰ ওপৰত গুৰুত্ব দিছে।
- ইয়াৰ পিছত আমাৰ আলোচনাৰ বিষয়বস্তু হৈছে মাধ্যমিক শিক্ষাৰ পৰামৰ্শসমূহ। কমিটিয়ে পৰীক্ষাকেন্দ্ৰিক অৱস্থাটোৱে প্ৰৱেশিকা পৰীক্ষাত অধিকভাৱে অকৃতকাৰ্য হোৱা সমস্যাটো অধিক প্ৰকট কৰা বুলি চিহ্নিত কৰিছে আৰু ইয়াক মূল সমস্যা বুলি কৈছে।
- এইক্ষেত্ৰত কমিটিখনে মাধ্যমিক শিক্ষাত বিভাজিত পাঠ্যক্ৰম প্ৰয়োগ কৰাৰ কথা কৈছে আৰু শিক্ষকৰ চাকৰিৰ অৱস্থাৰ উন্নতকৰণ, চাকৰিৰ ৰক্ষণাবেক্ষণ, মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ কাৰণে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থাকৰণৰ কথা কৈছে।

- উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ বিষয়ে অধ্যয়ন কৰি কমিটিখনে কৈছে যে উচ্চশিক্ষাৰ মানদণ্ড নিম্ন মানলৈ গৈছে আৰু মূল্যায়ণ কৰি এই শিক্ষাই প্ৰকৃত উদ্দেশ্যত উপনীত হ'ব পৰা নাই বুলি উনুকিয়াইছে। বিশ্ববিদ্যালয়বোৰ অধিক ন-ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিছে আৰু পুথিভঁড়ালবোৰ শিক্ষাৰ্থীৰ উপযোগী নহয় বুলিও দোঁহাৰিছে।
- কমিটিখনে একক অৱস্থা আৰু আৱাসিক প্ৰকৃতিৰ লগতে সংবদ্ধতাসম্পন্ন বিশ্ববিদ্যালয় গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পুথিভঁড়ালৰ উন্নতি সাধন, অনাৰ্চ পাঠ্যক্ৰমৰ উন্নতি সাধন, দক্ষতাসম্পন্ন আৰু প্ৰৱণতাপূৰ্ণ শিক্ষাৰ্থীৰ নামভৰ্তিকৰণ, প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ ব্যৱস্থা আৰু বিশ্ববিদ্যালয় কৰ্মৰ উন্নতি সাধন ইত্যাদিক প্ৰাধান্যতা দিয়াৰ কথা কৈছিল।
- হার্টগ কমিটিয়ে স্ত্ৰী শিক্ষা, হৰিজনসকলৰ শিক্ষা, কাৰিকৰী শিক্ষা আৰু উদ্যোগিক শিক্ষা আদিকো সামৰি লৈ পৰামৰ্শ আগবঢ়াইছিল।
- অধ্যায়টোৰ সামৰণি খণ্ডত কমিটিৰ পৰামৰ্শাৱলীসমূহৰ মূল্যায়ন আৰু ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত পেলোৱা প্ৰভাৱে আমাক বাৰুকৈয়ে আকৰ্ষিত কৰিছে।



১২.১০ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
২) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৩) ডেকা, বীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী
৪) Rawat, P. L. ঃ *History of Indian Education*, Ram Prasad & Sons, Agra-3

১২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মন্টফৰ্ড সংস্কাৰ ঃ মন্টফৰ্ড সংস্কাৰ উদ্ভাৱন কৰিছিল ১৯১৯ চনৰ ভাৰত চৰকাৰৰ আইনে। এই সংস্কাৰে ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ষেত্ৰত দ্বৈত ব্যৱস্থা আনি দিছিল। এই ব্যৱস্থামতে কিছুমান বিষয় থাকিব কেন্দ্ৰৰ তলত আৰু কিছুমান বিষয় থাকিব প্ৰাদেশিক চৰকাৰৰ হাতত। সেইবোৰক সংৰক্ষণ আৰু বিষয়ান্তকৰণ বুলি কোৱা হৈছে। মন্টফৰ্ড সংস্কাৰে কেন্দ্ৰীয় চৰকাৰক আগতে কৰি থকাৰ দৰে শৈক্ষিক সংস্কাৰসমূহ কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বৈত শাসনৰ তলত শিক্ষা ঃ মন্টফৰ্ড সংস্কাৰে শিক্ষাৰ ক্ষেত্ৰখনত দ্বৈত শাসন ব্যৱস্থাৰ উদ্ভৱ কৰিছিল। শিক্ষা হ'ব এক স্থানান্তৰ বিষয়। সকলো ধৰণৰ শৈক্ষিক ক্ষমতা জন প্ৰতিনিধিসকললৈ স্থানান্তৰ কৰা হ'ব কিন্তু তেওঁলোকৰ সমলৰ সীমাবদ্ধতা থাকিব। আৰ্থিক দিশটো সংৰক্ষণৰ বিষয় হিচাপে থাকিব। সেয়েহে শিক্ষাৰ বাবে অধিক টকা খৰছ কৰাটো অসম্ভৱ হ'ব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চাইমন আয়োগ ঃ চাইমন আয়োগ গঠন কৰা হৈছিল ১৯১৯ চনত ভাৰত চৰকাৰৰ আইনৰ তলত প্ৰশাসন ব্যৱস্থাই কাম কৰি থকা সন্দৰ্ভত অনুসন্ধান কৰিবলৈ। চাইমন আয়োগক ভাৰতৰ শিক্ষাৰ বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰাৰ অৰ্থে এখন কমিটি নিযুক্তি দিয়াৰ বাবে কৰ্তৃত্ব দিয়া হৈছিল। চাৰ চাইমন এই আয়োগৰ সভাপতি আছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ ফিলিপ হার্টগ ঃ চাৰ ফিলিপ হার্টগ কমিটিৰ সভাপতি আছিল। হার্টগ কমিটিখন ভাৰতৰ শিক্ষাৰ ওপৰত এখন প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে নিযুক্তি দিয়া হৈছিল। চাৰ ফিলিপ হার্টগ ঢাকা বিশ্ববিদ্যালয়ৰ উপাচার্য আছিল। ফিলিপ হার্টগ কলিকতা বিশ্ববিদ্যালয়ৰো সদস্য আছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হার্টগ কমিটিয়ে পর্যবেক্ষণ কৰিছিল যে প্ৰাথমিক শিক্ষাৰ সমস্যা চহৰ অঞ্চলতকৈ গ্ৰাম্যাঞ্চলতহে অধিক। গাঁওবোৰ দুখীয়া, ৰক্ষণশীল আৰু ব্যক্তিসকল নিৰক্ষৰ। গাঁওবোৰৰ শাৰীৰিক আৰু ভৌগোলিক অৱস্থাওঁ বেয়াধৰণৰ। ৰাস্তা-ঘাটৰ দুৰাৱস্থাৰ বাবে যোগাযোগ ব্যৱস্থা ৰৱষুণৰ বতৰত বেয়া হয় আৰু বছৰটোৰ অধিক সময় শিক্ষাৰ বাবে গ্ৰহণযোগ্য হৈ নেথাকে। ইয়াৰ উপৰিওঁ অর্থনৈতিক দুর্বলতা, কৃষি, জাতিগত বাধা, ধর্ম, ভেদাভেদৰ অনুভূতি আদিৰ দৰে কাৰণবোৰে ভাৰতবর্ষৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ পথত হেঙাৰস্বৰূপে থিয় দিয়ে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ 'অপচয়' হ'ল প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম সম্পূৰ্ণ নকৰাকৈ যিকোনো সময়তে শিক্ষা লাভৰ পৰা বঞ্চিত কৰি শিশুসকলক বিদ্যালয়ৰ পৰা এৰাই অনা আৰু 'অনুন্নয়ণ' হ'ল এটা শ্ৰেণীত বাৰে বাৰে উত্তীর্ণ নোহোৱাকৈ থকা আৰু পাঠ্যক্ৰমৰ গতিৰ লগত নিজকে অগ্ৰসৰ কৰিব নোৱাৰা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (১) প্ৰাথমিক শিক্ষা ক্ষীপ্ৰতীত সম্প্ৰসাৰণ কৰাৰ পৰিবর্তে গুণগত বিকাশ সম্ভৱ কৰি তোলা উচিত।

(২) প্ৰাথমিক শিক্ষাৰ সময় চাৰি বছৰ হ'ব লাগে।

(৩) শিক্ষকৰ মানদণ্ড উন্নত কৰিব লাগে।

(৪) প্ৰাথমিক বিদ্যালয়ৰ তলৰ শ্ৰেণীবোৰত অধিক মনোযোগ দি অপচয় আৰু অনুন্নয়নৰ সম্প্ৰসাৰণ কমাই পেলাব লাগে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ হার্টগ কমিটিৰ মতে মাধ্যমিক শিক্ষা ব্যৱস্থাটো পৰীক্ষাকেন্দ্ৰিক আছিল আৰু প্ৰৱেশিকা পৰীক্ষাৰ অনুত্তীর্ণৰ হাৰ অধিক তথা বহু বেছি। ই সময়, প্ৰচেষ্টা আৰু শক্তি ক্ষয় কৰিছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ হার্টগ কমিটিয়ে পৰামর্শ দিছিল যে হাইস্কুলীয়া শিক্ষাত বিকল্প পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা উচিত। এই ব্যৱস্থাই শিক্ষার্থীসকলক বিষয় বাচনীৰ ক্ষেত্ৰত সহায় কৰিব আৰু নিজৰ ৰুচি তথা প্ৰৱণতা অনুযায়ী বিষয় নির্বাচন কৰি ল'ব পাৰিব।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কমিটিয়ে প্ৰকৃত দক্ষতাসম্পন্ন ব্যক্তি যাতে শিক্ষকতা বৃত্তি লৈ আকর্ষিত হয় তাৰবাবে শিক্ষকৰ দৰমহা আৰু সেৱাৰ অৱস্থা উন্নত কৰাৰ বাবে পৰামর্শ আগবঢ়ায়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নিম্ন মানদণ্ডৰ শিক্ষা (খ) উদ্দেশ্যত উপনীত হোৱাৰ অক্ষমতা (গ) শিক্ষার্থীৰ সংখ্যা বৃদ্ধি (ঘ) সন্মান পাঠ্যক্ৰমৰ প্ৰতি অৱহেলা (ঙ) পুথিভঁড়ালৰ সুবিধাহীনতা (চ) অস্বাস্থ্যকৰ প্ৰতিযোগিতা।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ কমিটিয়ে পৰামর্শ দিছিল যে একক ধাৰণাৰ সৈতে সংবদ্ধক্ষমতাসম্পন্ন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে, সংবদ্ধ মহাবিদ্যালয়ৰ বাবে বিশ্ববিদ্যালয়ে শিক্ষক নিয়োগ কৰিব লাগে, সন্মান পাঠ্যক্ৰম অধিক আগবঢ়াধৰণৰ হ'ব লাগে, বিশ্ববিদ্যালয়ত নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিব লাগে, বিশ্ববিদ্যালয়ত নামভর্তিকৰণৰ ক্ষেত্ৰত বাধা নিষেধ থাকিব লাগে, পুথিভঁড়ালৰ অৱস্থা উন্নত কৰিব লাগে আৰু প্ৰশাসনিক সেৱাত স্নাতক নিয়োগৰ ক্ষেত্ৰত বিভাগীয় পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে পৰামর্শ দিছিল যে ল'ৰা-ছোৱালী উভয়ৰে ক্ষেত্ৰত শিক্ষাৰ গুৰুত্ব সমপর্যায়ৰ হ'ব লাগে, ছোৱালীৰ বাবে অধিক সংখ্যক প্ৰাথমিক বিদ্যালয় খুলিব লাগে, পাঠ্যক্ৰমত স্বাস্থ্যবিজ্ঞান অন্তর্ভুক্ত কৰিব লাগে, স্কুলত গার্হস্থ্য বিজ্ঞান আৰু সংগীত বিষয়ৰ শিক্ষা দিব লাগে আৰু মহিলাসকলক শিক্ষকতা বৃত্তিত নিয়োগৰ বাবে অধিক শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ হার্টগ কমিটিৰ প্ৰতিবেদনখনে ভাৰতবর্ষৰ শিক্ষাৰ ইতিহাসত এটি সুন্দৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰাথমিক শিক্ষা সন্দর্ভত কমিটিটোৱে আগবঢ়োৱা পৰামর্শসমূহ গুৰুত্বপূর্ণ আৰু চিন্তাকর্ষক। কমিটিৰ পৰামর্শত প্ৰাথমিক শিক্ষাৰ সংখ্যাগত মানতকৈ গুণগত মানৰ উন্নতিত গুৰুত্ব আৰোপ কৰিছে। এনেধৰণৰ পৰামর্শৰ বাবে প্ৰাথমিক শিক্ষাৰ পৰামর্শখিনি সমালোচিত হৈছে আৰু প্ৰাকশিত হৈছে যে চৰকাৰে গণ শিক্ষা সম্প্ৰসাৰণত ৰাজনৈতিকভাৱে বাধা দান কৰিছে। মাধ্যমিক শিক্ষা সন্দর্ভত হার্টগ কমিটিয়ে উদ্যোগীক আৰু ব্যৱসায়িক বিষয়সমূহ অন্তর্ভুক্ত কৰাৰ লগতে শিক্ষকসকলৰ দৰমহা আৰু সেৱাৰ অৱস্থা উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। উচ্চ শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত দায়িত্ব ল'ব পৰা ব্যক্তি সৃষ্টি কৰাৰ বাবে যি শিক্ষাৰ প্ৰয়োজন তেনে শিক্ষা প্ৰবর্তন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

১৫ নং প্রশ্নৰ উত্তৰ ঃ হার্টগ কমিটিৰ প্রতিবেদনৰ ফলত প্রাথমিক শিক্ষাৰ গুণগত দিশটোৰ উন্নতি হৈছিল যদিওঁ সংখ্যাগত সম্প্রসাৰণ বেয়াধৰণে ব্যাহত হৈছিল।

চৰকাৰে বহুসংখ্যক প্রাথমিক বিদ্যালয় বন্ধ কৰি দিছিল ফলত বিভিন্ন ৰাজ্যত বিকাশৰ অৱস্থা বাধাপ্রাপ্ত হৈছিল। সেই সময়ত মাধ্যমিক শিক্ষাৰ অৱস্থা প্রাথমিক শিক্ষাতকৈ উন্নত আছিল বিদ্যালয়ৰ সংখ্যাওঁ বৃদ্ধি হৈছিল। ব্যক্তিগত খণ্ডটো স্বাস্থ্যকৰ প্রতিযোগিতা আৰম্ভ হৈ নতুন নতুন মাধ্যমিক বিদ্যালয় স্থাপন হৈছিল। মাধ্যমিক শিক্ষাৰ শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত উচ্চ শিক্ষাৰ ক্ষেত্রখনৰো উন্নতি সাধন হৈছিল আৰু দেশৰ বিভিন্ন প্রান্তত সংবদ্ধ কলেজৰ সংখ্যা বৃদ্ধি হৈছিল। এনে অৱস্থাৰ বাবে উচ্চশিক্ষাৰ প্রতি শিক্ষার্থীসকলৰ আকর্ষণ বৃদ্ধি হৈছিল।



১২.১২ আহি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীবর্ষৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হার্টগ আয়োগৰ তাৎপর্য্য কি আছিল?

প্রশ্ন ২ ঃ ভাৰতীবর্ষৰ শিক্ষা সংস্কাৰৰ বাবে কেনেধৰণৰ পৰামর্শ গ্রহণ কৰা হৈছিল বুলি আপুনি ভাৱে?

প্রশ্ন ৩ ঃ ভাৰতীবর্ষৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত অপচয় আৰু অৱৰোধ কমাবৰ বাবে কেনেধৰণৰ পৰামর্শ হার্টগ আয়োগ আগবঢ়াইছিল?

প্রশ্ন ৪ ঃ প্রাথমিক শিক্ষা বিকাশৰ ক্ষেত্রত বাধাৰ প্রাচীৰ দৃষ্টি কৰা কাৰণসমূহ কি কি?

খ) ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হার্টগ কমিটিৰ পর্যবেক্ষণ আৰু পৰামর্শ চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ কি অৱস্থা বা পৰিস্থিতিত হার্টগ কমিটি গঠন কৰা হৈছিল? প্রাথমিক শিক্ষা সন্দর্ভত ইয়াৰ প্রধান পৰামর্শসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ হার্টগ কমিটিয়ে উল্লেখ কৰাধৰণে অপচয়ৰ সমস্যাটো বর্ণনা কৰক। এইক্ষেত্রত কমিটিৰ পৰামর্শ কি আছিল?

প্রশ্ন ৪ ঃ শিক্ষা সংশোধনৰ ক্ষেত্রত হার্টগ কমিটিৰ পৰামর্শৱলীৰ মূল্যায়ন কৰক।

প্রশ্ন ৫ ঃ ১৯২১ চনৰপৰা ১৯৩৯ চনলৈ ভাৰতবর্ষৰ শৈক্ষিক বিকাশৰ এটি টোকা দিয়ক।

*** ***** ***

অধ্যায় ১৩ ঃ বুনিয়াদী শিক্ষাৰ ৰাৰ্ধা আঁচনি ১৯৩৭

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ঐতিহাসিক পটভূমি

১৩.৪ ৰাৰ্ধা শিক্ষা আঁচনি

১৩.৪.১ জাকিৰ হুছেইন কমিটি

১৩.৫ বুনিয়াদী শিক্ষাৰ অর্থ আৰু দর্শন

১৩.৬ বুনিয়াদী শিক্ষাৰ প্রধান সাংগঠনিক বৈশিষ্ট্যসমূহ

১৩.৭ বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম

১৩.৮ বুনিয়াদী শিক্ষাৰ সুবিধাসমূহ

১৩.৯ বুনিয়াদী শিক্ষাৰ অসুবিধা বা অকৃতকার্যতাৰ কাৰণসমূহ

১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১১ অধিক জানিবলৈ

১৩.১২ অগ্রগতিৰ খতিয়ান

১৩.১৩ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বুনিয়াদী শিক্ষাৰ ঐতিহাসিক পটভূমি জানিবলৈ সমর্থ হ'ব।
- ৰাৰ্ধা শিক্ষা সম্মিলনৰ প্রস্তাৱসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।
- বুনিয়াদী শিক্ষাৰ অর্থ আৰু দর্শন বুজিব পাৰিব।
- বুনিয়াদী শিক্ষাৰ প্রধান সাংগঠনিক বৈশিষ্টসমূহ আলোচনা কৰিব পাৰিব।
- বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম ব্যাখ্যা কৰিব পাৰিব।
- আঁচনিখনৰ সুবিধাসমূহ বর্ণনা কৰিবলৈ সমর্থ হ'ব।
- আঁচনিখনৰ আসোঁৱাহসমূহৰ লগতে আমাৰ দেশত বুনিয়াদী শিক্ষা ব্যৱস্থাটো অকৃতকার্য্য হোৱাৰ কাৰণসমূহ বুজিবলৈ সক্ষম হ'ব।

১৩.২ পৰিচয়

ৰাৰ্ধা শিক্ষা আঁচনিখনক জনপ্রিয়ভাবে 'বুনিয়াদী শিক্ষা' বুলি জনা যায়। এই শিক্ষা আঁচনিখনে ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ দিশত সুন্দৰ ঠাই দখল কৰিবল সক্ষম হৈছে। এই

আঁচনিখন ইংৰাজ শাসিত ভাৰতবৰ্ষত জাতিৰ পিতা মহাত্মা গান্ধীয়ে থলুৱা শিক্ষাৰ আঁচনি হিচাপে বিকশিত কৰিবলৈ বিচৰা প্ৰথমখন আঁচনি আছিল। এগৰাকী জাতীয়তাবাদী নেতা হিচাপে তেওঁ সম্পূৰ্ণৰূপে অনুভৱ কৰিছিল যে ইংৰাজৰ শিক্ষা ব্যৱস্থাটোৱে আমাৰ দেশৰ আৰ্থসামাজিক দিশত কোনোধৰণেৰে সেৱা কৰিব নোৱাৰে। ১৯৩১ চনৰ লণ্ডনত বহা এখন ঘূৰণীয়া মেজমেলত আঙুলিয়াই দিছিল যে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ অফলপ্ৰসূতাই জনসাধাৰণৰ মাজত স্বাক্ষৰতাৰ হাৰ নিম্নগামী হোৱাত অৰিহণা যোগাইছে। গণ শিক্ষাৰ ক্ষেত্ৰখনত এনে দুখলগা অৱস্থা হোৱা বাবে ইংৰাজ চৰকাৰেই দায়ী বুলি অভিহিত কৰিছিল। তেওঁ কৈছিল "মই বিশ্বাস কৰিছো যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাটো অকল অবক্ষয়েই নহয় ই প্ৰত্যক্ষভাৱে অন্যায়কাৰী।" তেনেকুৱা এটা ধাৰণা মহাত্মা গান্ধীৰ মনত ঠাই পোৱা বাবে বুনিয়াদী শিক্ষাৰ পৰিকল্পনাটো তেওঁ মনলৈ আহিছিল। এই অধ্যায়টোত আমি ৰাৰ্ধা শিক্ষা আঁচনিৰ ঐতিহাসিক পটভূমি, বুনিয়াদী শিক্ষাৰ সাংগঠনিক বৈশিষ্টসমূহ, পাঠ্যক্ৰম আৰু এই শিক্ষা ব্যৱস্থাটোৰ সুফল-কুফলসমূহ আলোচনা কৰিম।

১৩.৩ ঐতিহাসিক পটভূমি

আধুনিক ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত গান্ধীজীৰ বুনিয়াদী শিক্ষাক সমগ্ৰ ভাৰতবাসীৰ বাবে এটা বহুমূলীয়া উপহাৰ হিচাপে চিহ্নিত কৰিব পাৰি। ভাৰতীয় সমাজ জীৱনৰ পৰিবৰ্তনৰ বাবে গান্ধীয়ে প্ৰস্তুত কৰি উলিওৱা এই বুনিয়াদী শিক্ষাৰ ধাৰণা প্ৰধানত তেওঁৰ দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ ফলশ্ৰুতিৰ পৰা সৃষ্টি হৈছিল। দক্ষিণ আফ্ৰিকাত থকা সময়ছোৱাতে গান্ধীয়ে এনে কিছু বাস্তৱ আৰ্থ-সামাজিক অভিজ্ঞতা লাভ কৰিছিল, যিবোৰে পৰবৰ্তী অৱস্থাত তেওঁৰ চিন্তাৰ দিশ আৰু জীৱনৰ কাৰ্যপ্ৰণালীৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। বৰ্ণ বৈষম্যৰ গভীৰ প্ৰভাৱে আফ্ৰিকাৰ সমাজখনত তেতিয়া ক'লা মানুহসকলৰ জীৱন প্ৰক্ৰিয়া দুৰ্বিসহ কৰি তুলিছিল। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ভাৰতীয় বংশোদ্ভূত এই ক'লাকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰা হৈছিল। একেখন সমাজৰ এচাম লোকে অন্য এচাম লোকৰ প্ৰতি প্ৰদৰ্শন কৰা এনে ভয়ানক অমানবীয় আচৰণে গান্ধীজীক বিদ্ৰোহী কৰি তোলে। ফলস্বৰূপে, এনে অমানৱীয় কাৰ্যৰ বিপক্ষে অহিংস পন্থাৰে প্ৰতিৰোধ আন্দোলন গঢ়ি তোলাৰ বাবে গান্ধীয়ে ১৮৯৪ চনত 'নাটাল ইণ্ডিয়া কংগ্ৰেছ' (Natal India Congress) প্ৰতিষ্ঠা কৰে ১৯০৩ চনত তেওঁ 'ট্ৰান্সভাল'লৈ ইয়াৰ স্থান পৰিবৰ্তন কৰে। ইয়াত তেওঁ 'টলষ্টয় ফাৰ্ম'ত (Tolstoy Farm) মানৱীয় অধিকাৰ আৰু আচৰণৰপৰা বঞ্চিতসকলক শিক্ষিত কৰি নিজৰ অধিকাৰৰ প্ৰতি সচেতন আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যেৰে পৰীক্ষামূলকভাৱে বিশেষ কিছু শৈক্ষিক কাৰ্য হাতত লয়। দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে আত্মনিৰ্ভৰশীলতাৰ শিক্ষা লাভ কৰিব পৰাকৈ এই টলষ্টয় ফাৰ্মতে গান্ধীয়ে বিশেষ কিছু নিৰ্বাচিত বিত্তীয় বিষয়বস্তুৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা লয়। নিৰ্বাচিত শৈক্ষিক বিষয়বস্তুৰ শিক্ষা প্ৰদানৰ উপৰিও সহযোগিতাৰে জীৱন নিৰ্বাহ, আত্মসহায়, আত্মবিশ্বাস, শ্ৰমৰ প্ৰতি মৰ্যদা আদি বিশেষ মানৱীয় গুণাৱলীৰ বিকাশৰ বাবে প্ৰয়োজনীয় অভিজ্ঞতা লাভৰ শিক্ষা

প্রদানত তেওঁ বিশেষভাৱে গুৰুত্ব প্রদান কৰে। শাৰীৰিক শ্রমভিত্তিক শিক্ষাৰ সহায়ত ছাত্র-ছাত্রীসকলৰ শাৰীৰিক বিকাশ আৰু শৈক্ষিক অধ্যয়ন অর্থাৎ মননাত্মক অধ্যয়নৰ সহায়ত সম্পূর্ণ ব্যৱহাৰিকভাৱে ছাত্র-ছাত্রীসকলৰ চৰিত্র গঠনৰ প্রতিও বিশেষভাৱে মনোযোগ দিয়া হয়। ছাত্র-ছাত্রীসকলৰ ব্যক্তিত্বৰ সর্বাত্মক দিশৰ বিকাশৰ বাবে পৰীক্ষামূলকভাৱে প্রচলন কৰা 'টলষ্টয়' ফার্মৰ এই শিক্ষা অভিজ্ঞতাই গান্ধীৰ আর্থ-সামাজিক চিন্তাত গভীৰ সাঁচ বহুৱায়। টলষ্টয় ফার্মত লাভ কৰা শিক্ষণ সম্পর্কীয় এনে অভিজ্ঞতাৰ ওপৰত ভেটি কৰিয়েই পৰৱর্তী অৱস্থাত গান্ধীয়ে 'ৱার্ধা শিক্ষা পৰিকল্পনা' প্রস্তুত কৰি উলিয়ায়।

১৯১৫ চনত ভাৰতলৈ উভতি আহি গান্ধীয়ে ৰবীন্দ্রনাথ ঠাকুৰৰ শান্তি নিকেতনলৈ যাত্রা কৰে। দক্ষিণ আফ্রিকাৰ সামাজিক জীৱন প্রক্রিয়াত আহৰণ কৰা শৈক্ষিক অভিজ্ঞতা আৰু শান্তি নিকেতনৰ আদর্শনীয় পৰিৱেশত লাভ কৰা উৎসাহ-উদ্দীপনাৰ সহায়ত তেওঁ সাবৰমতিত এখন আশ্রম প্রতিষ্ঠা কৰে। এই আশ্রমত গান্ধীজীয়ে তেওঁৰ অনুগামীসকলক সত্য অন্বেষণ আৰু অহিংসাৰ নীতি অনুসৰণ, অস্পৃশ্যতা, সৎ জীৱন-যাপনৰ নীতি অনুসৰণ আদি সম্পর্কীয় শিক্ষা আৰু প্রশিক্ষণ প্রদান কৰিবলৈ লয়। ইয়াৰ কিছুকাল পিছত ১৯৩৫ চনত সেৱাগ্রাম, ৱার্ধাত অন্য এখন আশ্রম প্রতিষ্ঠা কৰে আৰু ইয়াতেই গান্ধীয়ে তেওঁৰ প্রখ্যাত বুনিয়াদী শিক্ষা আঁচনিৰ প্রস্তাৱনা প্রস্তুত কৰি উলিয়ায়। ইয়াৰ পৰৱর্তী অৱস্থাত ১৯৩৭ চনত ৱার্ধাত অনুষ্ঠিত সর্বভাৰতীয় জাতীয় শিক্ষা সম্মিলনত এই আঁচনিৰ চূড়ান্ত ৰূপ প্রদান কৰা হয়।

১৩.৪ ৱার্ধা শিক্ষা সম্মিলন, ১৯৩৭

গান্ধীজীয়ে সর্বভাৰতীয় নেতাসকলৰ লগত তেওঁ এই নতুন স্বাৱলম্বিতা নীতি সম্বলিত শিক্ষা পদ্ধতিৰ সম্বন্ধে আলোচনা-বিলোচনা কৰে। এই উদ্দেশ্যে ৱার্ধাত ১৯৩৭ চনৰ ২২ আৰু ২৩ অক্টোবৰত দুদিনীয়াকৈ এখন সর্বভাৰতীয় শিক্ষা সম্মিলন আহ্বান কৰে। এই সম্মিলনত বিশিষ্ট শিক্ষাবিদসকল, কংগ্রেছ নেতা কর্মীসকল আৰু কংগ্রেছ শাসিত ৭ খন ৱাজ্যৰ শিক্ষা মন্ত্রীসকল উপস্থিত আছিল। গান্ধীজীয়ে নিজে এই সম্মিলনৰ অধ্যক্ষতা কৰিছিল। সভাৰ কার্যসূচীও আছিল চমু আৰু ব্যৱসায়িকবিধৰ।

এই শিক্ষা সম্মিলনতেই দেশৰ প্রাথমিক শিক্ষা সম্বন্ধে চাৰিটা গুৰুত্বপূর্ণ প্রস্তাৱ গ্রহণ কৰা হয়। এইকেইটা হৈছে এনেধৰণৰ—

- সর্বভাৰতীয় ভিত্তিত ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈকে ৭ বছৰৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিব লাগে।
- শিক্ষাদানৰ মাধ্যম মাতৃভাষা হ'ব লাগে।
- এই সময়ছোৱাৰ শিক্ষা ব্যৱস্থা উৎপাদনমুখী কৰি তুলিব লাগে আৰু ইয়াৰ বাবে এবিধ প্রয়োজনীয় হস্ত শিল্পৰ শিক্ষা ল'বলৈ দিব লাগে।
- এই শিক্ষাই শিক্ষকসকলৰ পাৰিশ্রমিকৰো কিছু অংশ যোগান ধৰিব পাৰিব লাগে।

প্রথম তিনিওটা প্রস্তাৱ সর্বসন্মতভাৱে গ্রহণ কৰা হয়। কিন্তু শিক্ষাত স্বাবলম্বী হ'বলৈ বিচৰা শেষৰ প্রস্তাৱটোত সর্বসন্মত সিদ্ধান্ত গ্রহণ কৰিব পৰা নহ'ল। ৱার্ধাৰ সন্মিলনত গ্রহণ কৰা গান্ধীজীৰ শিক্ষাৰ এই আঁচনিক 'ৱার্ধা আঁচনি' (Wardha Scheme) নামে জনা যায় আৰু ইয়াক জাতীয় শিক্ষা আঁচনিস্বৰূপে অভিহিত কৰা হয়।

১৩.৪.১ জাকিৰ হুছেইন কমিটি

এই ৱার্ধা শিক্ষা সন্মিলনতেই ড০ জাকিৰ হুছেইনক অধ্যক্ষস্বৰূপে লৈ এখন কমিটি গঠন কৰা হয়। সেই সময়ত তেওঁ দিল্লীৰ জামিয়া মিলিয়া ইচলামিয়া বিশ্ববিদ্যালয়ৰ উপাচার্য আছিল। এই কমিটিৰ উদ্দেশ্য আছিল সন্মিলনত গ্রহণ কৰা প্রস্তাৱৰ ওপৰত ভিত্তি কৰি শিক্ষা আঁচনি প্রস্তুত কৰি তোলা আৰু পাঠ্যক্রম ৰচনা কৰা। এই কমিটিৰ আন ৯ জন সদস্য আছিল। তেওঁলোকৰ ভিতৰত আচার্য্য বিনোৱা ভাবে, কাকা কালেলকাৰ, আর্য্য নায়কম্, জে. চি. কুমাৰাপ্পা আদিৰ নাম বিশেষ উল্লেখযোগ্য।

এই কমিটিয়ে অতি কম সময়ৰ ভিতৰত দুটা খণ্ডত ক্রমে ১৯৩৭ চনৰ ডিচেম্বৰ মাহত আৰু ১৯৩৮ চনৰ এপ্রিল মাহত প্রতিবেদন দাখিল কৰে। প্রথম খণ্ডত কমিটিয়ে প্রস্তাৱিত শিক্ষা নীতি আৰু আদর্শ, লক্ষ্য, উদ্দেশ্য, শিক্ষক প্রশিক্ষণ, পৰিদর্শন, প্রশাসনীয় ব্যৱস্থা আদিৰ সম্বন্ধে পৰামর্শ দিয়ে। দ্বিতীয় খণ্ডত হস্ত শিল্পৰ বিষয়সমূহৰ ওপৰত ভিত্তি কৰি পাঠ্যক্রম প্রস্তুতকৰণ আৰু সহঃ সম্বন্ধ নীতিৰে শিক্ষাদানৰ ব্যৱস্থা আদিৰ বর্ণনা কৰে।

বুনিয়াদী শিক্ষাৰ নীতি আৰু পদ্ধতি নির্ধাৰণ কৰি জাকিৰ হুছেইন কমিটিয়ে তলৰ কথাকেইটা দাঙি ধৰে—

- শিক্ষা পুথিগত আৰু পৰীক্ষাপ্রধান হ'ব নালাগে।
- ধর্মীয় শিক্ষা দিয়াটো ইয়াৰ উদ্দেশ্য নহয়।
- এটা হস্ত শিল্পক কেন্দ্র কৰি সহঃ সম্বন্ধ নীতিৰে শিক্ষা দিব লাগে। এই সহঃ সম্বন্ধ হস্ত শিল্পৰ লগত, প্রাকৃতিক পৰিৱেশৰ লগত আৰু সামাজিক পৰিবেশৰ লগত স্থাপন কৰা হ'ব লাগে।
- ছাত্রসকলৰ উৎপাদিত হস্ত শিল্পৰ যোগেদি শিক্ষকসকলৰ পাৰিশ্রমিকৰ কিছু অংশ পূৰণ কৰিব লাগে।
- হস্ত শিল্প স্থানীয় লোকৰ সাংস্কৃতিক আৰু অর্থনৈতিক জীৱনৰ প্রয়োজন পূৰণ কৰাবিধৰ হ'ব লাগে।
- হস্ত শিল্পত নিহিত থকা শৈক্ষিক তাৎপর্যৰ সৎ ব্যৱহাৰ কৰিব লাগে।
- শিশুসকলক হস্ত শিল্পী কৰি তোলাটো ইয়াৰ উদ্দেশ্য নহয়। শিশু শ্রমিকৰ উৎসাহিত কৰি তুলিব নালাগে।



অগ্রগতি নিৰীক্ষণ

চমু উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ বুনিয়াদী শিক্ষাৰ উদ্ভাৰক কোন আছিল?

.....

.....

প্রশ্ন নং ২ ঃ ৱার্ধা শিক্ষা সন্মিলনৰ উদ্দেশ্য কি আছিল? ইয়াৰ প্রস্তাৱসমূহ কি কি আছিল?

.....

.....

প্রশ্ন নং ৩ ঃ ৱার্ধা শিক্ষা সন্মিলনৰ প্রস্তাৱসমূহৰ তালিকা প্রস্তুত কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ জাকিৰ হুছেইন কমিটিৰ মূল উদ্দেশ্য উল্লেখ কৰক।

.....

.....

'Basic' শব্দটো 'Base' নামৰ শব্দটোৰ পৰা অনা হৈছে। তাৰ অর্থ হ'ল 'আধাৰ'। বুনিয়াদী শিক্ষা হ'ল শিল্পক আধাৰ হিচাপে লৈ প্রৱর্তিত হোৱা শিক্ষা। প্রাথমিক শিক্ষা হ'ল সকলো শিক্ষা ব্যৱস্থাৰ আধাৰ। সয়েহে গান্ধীজীয়ে ইয়াক 'বুনিয়াদী' শিক্ষা নামেৰে অভিহিত কৰিছিল।

বুনিয়াদী শিক্ষা হৈছে সমগ্র ব্যক্তিত্বৰ শিক্ষা। ব্যক্তিত্বৰ তিনিটা বহল দিশ— দেহ, মন আৰু আত্মা এই শিক্ষাই সামৰি লয়। এই ধাৰণা গান্ধীজীয়ে দিয়া শিক্ষাৰ সংজ্ঞাত স্পষ্টভাৱে প্রকাশ পায়। 'হৰিজন' নামে কাকতত প্রকাশ কৰা প্রৱন্ধত সেয়েহে তেওঁ ব্যক্ত কৰে, "শিশু আৰু মানুহৰ দেহ, মন আৰু আত্মাৰ সর্বোৎকৃষ্ট গুণৰাশি সর্বাত্মকভাৱে উদঘাটিত কৰি তোলাকেই মই শিক্ষা বুলি বুজো। (By education I mean an all round drawing out of the best in child and man – body, mind and spirit)" শিক্ষাৰ এই ধাৰণা তেওঁ বুনিয়াদী শিক্ষাৰ যোগেদি বাস্তৱত কার্যকৰী কৰি তুলিছিল। ব্যক্তিৰ দেহ, মন আৰু আত্মাৰ অন্তর্নিহিত গুণৰাশি তাৰ স্বাভাৱিক ৰূপত উদঘাটন কৰি তুলিবৰ বাবে তেওঁ গ্রহণ কৰা শিক্ষাৰ মাধ্যম আছিল হস্তশিল্প। এই হস্তশিল্পৰ প্রয়োগে শিশুৰ হাত-ভৰি আদি দেহৰ অংগ-প্রত্যংগ, স্নায়ু আৰু গ্রহনেন্দ্রিয়সমূহ সক্ষম আৰু কর্মক্ষম কৰি তুলিব পাৰে। দেহৰ গ্রহনেন্দ্রিয়সমূহৰ উপযুক্ত প্রয়োগেৰে পৰিৱেশৰ শুদ্ধ আৰু সঠিক জ্ঞান ধাৰণা লাভ কৰি উঠি শিশুৰ মানসিক আৰু বৌদ্ধিক শক্তি-ক্ষমতাসমূহ বিকশাই তুলিব পাৰে। হস্তশিল্পৰ যোগেদি পোৱা শিক্ষাই শিশুক

উৎপাদনশীল, স্বাৱলম্বী আৰু আত্মনির্ভৰশীল কৰি তুলিব পাৰে। এনে এটা অৱস্থাই ব্যক্তি মনত অহিংসা নীতিৰ নৈতিক আদর্শ গঢ় দি তুলি আত্মিক অনুভূতিসমূহৰ বিকাশ সাধন কৰিব পাৰে। সেয়েহে দেহ-মন আৰু আত্মাৰ সর্বাত্মক বিকাশৰ এক স্বাভাৱিক উপায় বা শিক্ষাৰ মাধ্যম হৈছে হস্তশিল্প। এই হস্তশিল্পৰ যোগেদি শিক্ষা হৈছে এক সুচিন্তিত আৰু সুপৰিকল্পিতভাৱে কৰা সমগ্ৰ ব্যক্তিত্ব বিকাশৰ আঁচনি। এনে কাৰণতে বুনিয়াদী শিক্ষাক শিল্পকেন্দ্রিক শিক্ষা বুলিও জনা যায়।

বুনিয়াদী শিক্ষা কি পৰিমাণে 'বুনিয়াদী' অথবা ভাৰতীয় আর্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ ভেটি এই শিক্ষাই কিদৰে স্থাপন কৰিব পাৰিছে সি আমাৰ বিচার্য্য বিষয়। উল্লেখযোগ্য যে বুনিয়াদী শিক্ষা আছিল ইংৰাজসকলৰ ব্যয় বহুল ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্রতি প্রত্যাহ্বানস্বৰূপ এক বিকল্প শিক্ষা ব্যৱস্থা। এই শিক্ষাই ভাৰতৰ সামাজিক জীৱনৰ বুনিয়াদ ৰচনা কৰাৰ সম্ভাৱনীয়তা বহন কৰিছে। মাতৃভাষাক এই শিক্ষাৰ মাধ্যমস্বৰূপে লোৱা হৈছে। হস্তশিল্প আমাৰ ভাৰতীয় গ্রাম্য জীৱনৰ লোকৰ অতি পৰিচিত কুটীৰ শিল্পস্বৰূপে জনা যায়। এই হস্তশিল্পই হৈছে তেওঁলোকৰ অর্থনৈতিক জীৱনৰ আধাৰ, সাংস্কৃতিক জীৱনৰ পৰিচয় আৰু সাম্প্রদায়িক জীৱনৰ ঐক্য সাধনকাৰী। গাঁৱৰ নিৰক্ষৰ লোকসকলে তেওঁলোকৰ অৱসৰ সময় হস্তশিল্পৰ যোগেদিয়ে উৎপাদনশীলভাবে কটায়। জীয়ৰী-বোৱাৰীসকলে সূতা কটা আৰু কাপোৰ বোৱাৰ যোগেদি সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি চলি আহিছে। হস্তশিল্পৰ শিক্ষাই সেয়েহে তেওঁলোকৰ আর্থিক আৰু সাংস্কৃতিক দিশৰ বুনিয়াদী প্রয়োজন পূৰণ কৰিব পাৰে। এই শিক্ষাই তেওঁলোকৰ গ্রাম্য জীৱনৰ আর্থিক আৰু সাংস্কৃতিক পৰিবেশৰ লগত সুস্থ সমাযোজন স্থাপনতো সহায় কৰিব পাৰে। স্কুলৰ শিক্ষা অভিজ্ঞতা হস্তশিল্পৰ যোগেদি ছাত্রসকলৰ জীৱনৰ ওচৰ চপাই নিব পাৰি আৰু তাক অর্থপূর্ণ কৰি তুলিব পাৰি। ইয়াৰ উপৰি বুনিয়াদী শিক্ষাই শিশুৰ গঠনাত্মক প্রবৃত্তিৰ মৌলিক প্রয়োজন পূৰণ কৰিব পাৰে। এনেবোৰ কথাৰ বিবেচনাৰে সেয়েহে এই শিক্ষাক 'বুনিয়াদী'স্বৰূপে নামাকৰণ কৰাটো তাৎপর্যপূর্ণ হৈ উঠিছে।

বুনিয়াদী শিক্ষাৰ আদর্শ আধুনিক শিক্ষাৰ সময়োপযোগী শিক্ষা দর্শনৰ ওপৰত প্রতিস্থিত। শিক্ষাৰ প্রায়োগিকতা, উপযোগিতা আৰু উৎপাদনশীলতাৰ আদর্শেৰে এই শিক্ষা পৰিপুষ্টি। শিক্ষাৰ এইকেইটা দার্শনিক আদর্শহিহে আজিৰ মানুহৰ শিক্ষাৰ প্রয়োজন উপযুক্তভাৱে পূৰণ কৰি তুলিব পাৰে। বুনিয়াদী শিক্ষা প্রয়োগবাদ দর্শনৰ এই আদর্শকেইটাৰ ওপৰত প্রতিস্থিত। সেইবাবে এই শিক্ষা আওপুৱণি আৰু বর্তমানৰ অনুপযোগীস্বৰূপে বিবেচনা কৰিব নোৱাৰি। আমেৰিকাৰ দৰে পশ্চিমীয়া দেশৰ এই শিক্ষা দর্শনে বর্তমান ভাৰতীয় শিক্ষাও অধিকভাৱে প্রভাবিত কৰি তুলিছে। বর্তমানৰ 'কর্ম অভিজ্ঞতা' আৰু সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্রিয়া আদিৰ ধাৰণা বুনিয়াদী শিক্ষা দর্শনৰ পৰাই উৎপত্তি হৈ উঠিছে।



অগ্রগতি নিৰীক্ষণ

চমুকৈ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৫ ঃ 'বুনিয়াদী' শব্দটোৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ গান্ধীজীয়ে শিক্ষাৰ ওপৰত দিয়া সংজ্ঞাটো লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ ভাৰতবর্ষত গান্ধীজীয়ে কেনেকুৱাধৰণৰ সমাজ সৃষ্টি কৰিবলৈ বিছাৰিছিল?

.....

.....

১৩.৬ ৰাৰ্ধা আঁচনিৰ প্রধান বৈশিষ্টসমূহ

এতিয়া আমি ৰাৰ্ধা আঁচনিৰ প্রধান বৈশিষ্টসমূহ আলোচনা কৰিম।

- **মুক্ত আৰু বাধ্যতামূলক শিক্ষা ঃ** মহাত্মা গান্ধীয়ে ৭ বছৰৰপৰা ১৪ বছৰলৈ সকলো শিশুৰ বাবে মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্রৱর্তন হোৱাটো বিছাৰিছিল। তেওঁ শিক্ষাৰ এখন আঁচনি প্রস্তুত কৰিছিল যিখনে ভাৰতীয় মানুহৰ মনত সংস্কৃতি আৰু সভ্যতাৰ সমঞ্জয় আনি দিব পাৰে। তেওঁৰ লক্ষ্য আছিল ব্যৱহাৰিক পদ্ধতিৰ মাধ্যমেৰে গণশিক্ষাৰ সমস্যা সমাধান কৰা।
- **হস্তশিল্পৰ মাধ্যমেৰে শিক্ষা ঃ** হস্তশিল্পক কেৱল আর্থিক উৎপাদনৰ দৃষ্টিভংগীৰে আৰু ছাত্রসকলক উৎপাদনকাৰী আহিলাস্বৰূপে ইয়াত বিবেচনা কৰা হোৱা নাই। বুনিয়াদী শিক্ষা সম্বন্ধে বহুতেই গ্রহণ কৰিবলৈ বিচৰা এই ধাৰণা হৈছে ভ্রান্তিমূলক। জাকিৰ হুছেইন কমিটিত এইকথা স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে হস্তশিল্পৰ প্রয়োগৰ যোগেদি যন্ত্রচালিতভাৱে কেতবোৰ হস্তশিল্পী সৃষ্টি কৰি তোলাটো অথবা শিশু শ্রমিক গঢ় দি তোলাটো ইয়াৰ উদ্দেশ্য নহয়। প্রকৃতপক্ষে হস্তশিল্পত শিক্ষাদানৰ প্রচুৰ সম্ভাৱনীয়তা নিহিত হৈ আছে আৰু ইয়াৰ পূর্ণ উপযোগ কৰাটোহে মুখ্য উদ্দেশ্য। সেয়েহে এই কথা মন কৰিবলগীয়া যে হস্তশিল্পক শিক্ষাদানৰ মাধ্যম বা অৱলম্বনস্বৰূপেহে প্রয়োগ কৰা হয়, মাথো অর্থ উপার্জনৰ আহিলাস্বৰূপে নহয়।
- **বুনিয়াদী শিক্ষাত স্বাৱলম্বিতা ঃ** আধুনিক শিক্ষাত স্বাৱলম্বিতাৰ দিশ অস্বীকাৰ কৰিব নোৱাৰি। আমি যি শিক্ষা লাভ কৰো সেই শিক্ষাই আমাৰ অন্ন-বস্ত্রৰ মৌলিক প্রয়োজন পূৰণ কৰি অর্থনৈতিক আত্ম-নির্ভৰশীলতা প্রদান কৰিব পাৰিব লাগে। তাৰবাবে শিক্ষা

বৃত্তীয় জীৱনৰ প্ৰয়োজন পূৰণমুখী কৰি তুলিব লাগে। বুনিয়াদী শিক্ষা এই বৃত্তীয় লক্ষ্যৰ দ্বাৰা প্ৰভাবিত। গান্ধীজীয়ে মত প্ৰকাশ কৰিছিল, "বৃত্তিমূলক প্ৰশিক্ষণৰ অভাৱে আমাৰ শিক্ষিত শ্ৰেণীৰ লোকসকলক উৎপাদনমূলক ক্ৰিয়াৰ প্ৰায় অনুপযোগী কৰি তুলিছে আৰু দৈহিকভাৱে ক্ষতি সাধন কৰি তুলিছে।" সেইবাবে বুনিয়াদী শিক্ষাৰ এক প্ৰধান উদ্দেশ্য হৈছে শিশুক বৃত্তীয় যোগ্যতা আৰু অৰ্থনৈতিক স্বাৱলম্বিতা প্ৰদান কৰা। ইয়াৰ যোগেদি ছাত্ৰই কৰ্ম নিযুক্তি আৰু আত্ম নিযুক্তি লাভ কৰি উঠিব পাৰে।

- **মাধ্যমস্বৰূপে মাতৃভাষা ঃ** মাতৃভাষাৰ অবিহনে শিশু শিক্ষা স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত হৈ উঠিব নোৱাৰে। মাতৃভাষা হৈছে শিশুৰ আত্মপ্ৰকাশৰ সহজ মাধ্যম। ইয়াৰ অবিহনে আন বিদেশী ভাষাই শিশু মনৰ ভাব-অনুভূতি, চিন্তা আৰু ক্ৰিয়া অভিজ্ঞতাৰ প্ৰকাশ লাভত বাধাৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ ফলত শিশু ব্যক্তিত্বৰ বিকাশ স্বাভাৱিক হৈ উঠিব নোৱাৰে। বিদেশী ভাষাৰ মাধ্যমে শিক্ষাত অপচয় আৰু অনুন্নয়নৰ সমস্যাৰো সৃষ্টি কৰি তোলে। সেয়েহে প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তুলিবৰ বাবে গান্ধীজীয়ে মাতৃভাষাৰ অধ্যয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। শিক্ষাত মাতৃভাষাৰ প্ৰয়োগেহে ভাৰতীয় শিশুসকলৰ মনত জাতীয় চেতনাৰ ভাব জগাই তুলিব পাৰে। এই উদ্দেশ্যেৰে ৱার্ধা শিক্ষা সন্মিলনত মাতৃভাষা বুনিয়াদী শিক্ষাৰ মাধ্যমস্বৰূপে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।
- **সুনাগৰিকতাৰ আদৰ্শ ঃ** এই শিক্ষাত সুনাগৰিকতাৰ শিক্ষা উপাদানো নিহিত হৈ আছে। হস্তশিল্পৰ শিক্ষাই শিশুক সুনাগৰিকতাৰ প্ৰয়োজনীয় গুণসমূহ আয়ত্ব কৰিবলৈ শিকায়। ধৰ্মীয়, সামাজিক আৰু সাম্প্ৰদায়িক ভেদভাব গুচাই এই শিক্ষাই শিশুৰ মনত সহযোগিতা, সহৃদয়তা আৰু পাৰস্পৰিক নিৰ্ভৰতাৰ ভাব গঢ়ি তুলিব পাৰে। হস্তশিল্পৰ কাৰ্যকৰী শিক্ষাই বুদ্ধিজীৱি আৰু শ্ৰমজীৱিসকলৰ মাজৰ কৃত্ৰিম ভেদভাব গুচাই সমতা স্থাপন কৰিব পাৰে। সমাজত সুনাগৰিকস্বৰূপে অহিংস নীতিৰে সন্মানজনকভাৱে জীৱন-যাপন কৰিবলৈ ই শিকায়। জাকিৰ হুছেইন কমিটিত এই কথাক উল্লেখ কৰা হয় যে এই শিক্ষা আঁচনিয়ে এনে এবিধ শ্ৰমিকৰ উৎপাদন কৰি তুলিব পাৰে, যি পথৰ ময়লা পৰিষ্কাৰ কৰাকে আদি কৰি সকলোধৰণৰ দৈহিক শ্ৰমযুক্ত ক্ৰিয়া সন্মানজনকভাবে আৰু ইচ্ছাকৃতভাবে কৰি নিজৰ ভৰিত ঠিয় দিব পাৰে।
- **নমনীয় পাঠ্যক্ৰম আৰু মুক্ত পৰিবেশ ঃ** বুনিয়াদী শিক্ষাৰ আন এটি উল্লেখযোগ্য দিশ হ'ল নমনীয় পাঠ্যক্ৰম আৰু মুক্ত পৰিবেশ। শিশুৱে মুক্ত পৰিবেশৰ মাধ্যমত তেওঁলোকৰ নিজৰ দক্ষতা অনুযায়ী কৰ্ম সম্পাদন কৰিব বিচাৰে। এই আঁচনিৰ তলত শিক্ষক আৰু শিক্ষাৰ্থীসকলে তেওঁলোকৰ নিজস্ব আগ্ৰহ আৰু অভিৰুচি অনুসাৰে কৰ্ম কৰাত মুক্ত পৰিবেশ পায়। এইক্ষেত্ৰত তেওঁলোকে পৰীক্ষাৰ ভয়ত কৰ্ম সম্পাদন কৰাৰ প্ৰয়োজনীয়তা নাথাকে আৰু কৰ্ম সম্পাদন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বাধ্যবাধকতাওঁ নাই। পৰিস্থিতি অনুযায়ী আৰু অৱস্থাভেদে পাঠ্যক্ৰমৰ পৰিবৰ্তন সাধন কৰাৰ ব্যৱস্থাও আছে। শিশুসকলে

যদি শিক্ষা লাভ নিজৰ আগ্রহ আৰু দক্ষতা অনুসাৰে কৰিবলৈ সক্ষম হয় তেতিয়া সেই শিক্ষাই তেওঁলোকৰ মনত স্থায়ীভাৱে ৰেখাপাত কৰিব। শিশুসকলৰ বিকাশৰ বাবে শিক্ষকেওঁ প্রয়োজনীয় পৰিবেশ গঢ়ি তুলিব পাৰে।

১৩.৭ বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম

বুনিয়াদী শিক্ষা যিহেতু ৭ বছৰ বয়সৰ পৰা ১৪ বছৰলৈ প্রস্তুত কৰি তোলা হয় সেইমর্মে পাঠ্যক্রম সমূহো প্রস্তুত কৰি তোলা উচিত।

জাকিৰ হুছেইন কমিটিয়েই বুনিয়াদী শিক্ষাৰ অধ্যয়নৰ বিষয়সূচী প্রস্তুত কৰি তোলে। এই পাঠ্যক্রমক ক্রিয়াভিত্তিক পাঠ্যক্রমস্বৰূপে জনা যায়। এই পাঠ্যক্রমে স্কুলৰ শিক্ষা পৰিবেশক কর্মক্ষেত্রলৈ আৰু পৰীক্ষণ তথা নতুনৰ উদ্ভাৱন ক্ষেত্রলৈ পৰিণত কৰি তোলে। ইয়াৰ অধ্যয়নৰ নির্দিষ্ট বিষয়সমূহ তলত দাঙি ধৰা হৈছে—

- **মৌলিক হস্তশিল্প ঃ**
  - সূতা কটা আৰু কাপোৰ বোৱা
  - কাঠৰ কাম
  - কৃষি
  - মীন শিল্প
  - ফলমূল সংৰক্ষণ আৰু বাগান পৰিচালনা
  - চামৰাৰ কাম
  - মৃন্ময় পাত্র শিল্প (Pottery) আৰু পুতলা সজা
  - ছোৱালীৰ বাবে গার্হস্থ্য বিজ্ঞান
  - স্থানীয় ভৌগোলিক পৰিস্থিতি অনুসৰি আন যিকোনো এবিধ হস্তশিল্প।
- **মাতৃভাষা**
- **গণিত**
- **সমাজবিদ্যা ঃ**
  - বুৰঞ্জী
  - ভূগোল
  - পৌৰ বিজ্ঞান
- **সাধাৰণ বিজ্ঞান ঃ**
  - উদ্ভিদবিদ্যা
  - ৰসায়ণবিদ্যা
  - শৰীৰবিদ্যা
  - প্রাথমিক স্বাস্থ্য বিজ্ঞান
  - জ্যোতির্বিদ্যা

- ➢ প্ৰকৃতি পাঠ
- ➢ জীৱনী অধ্যয়ন।

- **শৰীৰ শিক্ষা আৰু খেলা-ধূলা**
- **কলা ঃ** সংগীত অথবা চিত্ৰাংকণ
- **গাৰ্হস্থ্য বিজ্ঞান** (কেৱল ছোৱালীৰ বাবে)

বুনিয়াদী পাঠ্যক্ৰমৰ বৈশিষ্ট্য বা বিশেষত্বসমূহ তলত দিয়াধৰণৰ বুলি ক'ব পাৰি—

- ➢ ইংৰাজী ভাষাক অধ্যয়নৰ বিষয়স্বৰূপে অন্তৰ্ভুক্ত কৰা হোৱা নাই।
- ➢ শিক্ষাৰ মাধ্যম মাতৃভাষা যদিও সকলো ছাত্ৰই হিন্দী ভাষা অধ্যয়ন কৰিব লাগে।
- ➢ ধৰ্মীয় আৰু নৈতিক শিক্ষা অধ্যয়নৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই।
- ➢ হস্তশিল্পক যান্ত্ৰিকভাৱে শিকোৱাৰ পৰিবৰ্তে ইয়াৰ সামাজিক আৰু বৈজ্ঞানিক তাৎপৰ্যৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তুলিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

চমুকৈ লিখক ঃ

প্ৰশ্ন নং ৮ ঃ হস্তশিল্পৰ মাধ্যমেৰে শিক্ষা

.....

.....

প্ৰশ্ন নং ৯ ঃ বুনিয়াদী শিক্ষাত স্বাৱলম্বিতা

.....

.....

প্ৰশ্ন নং ১০ঃ বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমৰ বৈশিষ্ট্যসমূহ

.....

.....

১৩.৮ বুনিয়াদী শিক্ষাৰ সুবিধাসমূহ

প্ৰতিবিধ নতুন শিক্ষা ব্যৱস্থাৰেই সুবিধা আৰু অসুবিধা থকাটো স্বাভাৱিক আৰু বুনিয়াদী শিক্ষাও ইয়াৰ ব্যতিক্ৰম নহয়। গান্ধীজীয়ে উদ্ভাৱন কৰা এই 'নতুন শিক্ষা' বা 'নই তালিম' সম্বন্ধে আমাৰ সম্যক ধাৰণা লাভ কৰি উঠিবৰ বাবে ইয়াৰ সবলতাসমূহৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাটো প্ৰয়োজন। এই প্ৰসংগত তলৰ দিশসমূহ আমাৰ বিবেচনাযোগ্য—

- বুনিয়াদী শিক্ষা শিশুকেন্দ্ৰিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। ই শিশুৰ গঠনাত্মক প্ৰবৃত্তি প্ৰশিক্ষণৰ ওপৰত বিশ্বাস কৰে।
- এই শিক্ষা পদ্ধতিৰে গতানুগতিক শিক্ষা ব্যৱস্থাৰ জড়তা আৰু নিষ্ক্ৰিয়তা গুচাই শিশুক সক্ৰিয় আৰু ক্ৰিয়া জড়িত কৰি তুলিব পাৰে।

- শিশুৱে নিজৰ হাত দুখনৰ ক্রিয়া পটুতাৰে ব্যৱহাৰ কৰি সৃষ্টিৰ আনন্দ পাব পাৰে। এনে ক্রিয়াই বৌদ্ধিক শক্তি ক্ষমতাসমূহো অধিক সক্ষম কৰি তুলিব পাৰে।
- এই শিক্ষাই শিশুক মাতৃভাষাত শিক্ষাত অগ্রাধিকাৰ প্রদান কৰে, যাৰ বাবে ইয়াক প্রকৃত ৰূপত ভাৰতীয় বুলি ক'ব পাৰি।
- এই শিক্ষা জীৱনৰ বাবে অর্থপূর্ণ আৰু উদ্দেশ্য প্রণোদিত কৰি তোলা হৈছে, যাৰ ফলত প্রাথমিক শিক্ষাৰ অপচয় ৰোধ কৰিব পৰা যায়।
- বুনিয়াদী শিক্ষা ভাৰতৰ আর্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ ওপৰত প্রতিষ্ঠিত, যি এনেবোৰ দিশৰ প্রয়োজন পূৰণ কৰি তুলিব পাৰে।
- দেশৰ নিৰনুৱা সমস্যা সমাধান কৰিব পৰাকৈ ইয়াত বৃত্তিমূলক শিক্ষাৰ সম্ভাৱনীয়তা নিহিত হৈ আছে।
- ই গান্ধীজীৰ অহিংসা নীতিৰ ওপৰত প্রতিষ্ঠিত হোৱা বাবে ভাৰতীয় লোকৰ নৈতিক জীৱন গঢ় দি তুলিব পাৰে।
- এই শিক্ষাই এহাতে ভাৰতীয় পৰম্পৰা আৰু আনহাতে বর্তমান সমাজৰ বৈষয়িক প্রয়োজনৰ মাজত যোগসূত্র স্থাপন কৰি তুলিব পাৰে।
- বুনিয়াদী শিক্ষা হৈছে প্রকৃত অর্থত সমগ্র ব্যক্তিত্বৰ শিক্ষা। ইয়াৰ যোগেদি ব্যক্তিৰ দেহ-মন আৰু আত্মাৰ উৎকর্ষ সাধন কৰি তুলিব পৰা যায়।

১৩.৯ বুনিয়াদী শিক্ষাৰ অসুবিধা বা অকৃতকার্যতাৰ কাৰণ

এতিয়া আমি বুনিয়াদী শিক্ষা কি কি কাৰণত অকৃতকার্য্য হ'ল তাক তলত ফহিয়াই চাও আহক—

১৯৩৭ চনৰ বুনিয়াদী শিক্ষাই সাময়িকভাৱে সফলতা লাভ কৰিলেও ইয়াৰ প্রভাৱ সুদূৰপ্রসাৰী নোহোৱা তথা আশানুৰূপ সফলতা লাভ কৰিব নোৱাৰা কথা ভূতপূর্ব ৰাষ্ট্রপতি ড° জাকিৰ হুছেইনে নিজেই স্বীকাৰ কৰি গৈছে। বুনিয়াদী শিক্ষা কৃতকার্য নোহোৱাৰ মূল কাৰণসমূহ তলত উল্লেখ কৰাধৰণে আলোচনা কৰিব পাৰি—

- এই শিক্ষা গাঁৱলীয়া পিছপৰা অঞ্চলৰ বাবে উপযোগী আছিল যদিও নগৰবাসী বা চহৰীয়া জীৱনৰ লগত ইয়াৰ কোনো সংগতি নাছিল।
- উপযুক্ত আৰু প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অভাৱে বুনিয়াদী শিক্ষাৰ পাঠ্যক্রমসমূহৰ উপযুক্ত শিক্ষা প্রদানত বাধাৰ সৃষ্টি কৰিছিল।
- এই শিক্ষাত ধর্মীয় আৰু নৈতিক শিক্ষাৰ বিশেষ ব্যৱস্থা নথকা বাবে ভাৰতীয় সাংস্কৃতিক আৰু ধর্মীয় পৰম্পৰা ব্যাহত হ'ব বুলি ধাৰণা কৰা হৈছিল।
- এই শিক্ষাৰ প্রতি সমগ্র দেশবাসীৰ আন্তৰিকতাৰ অভাৱ দেখা গৈছিল। গান্ধীজীৰ প্রতি থকা শ্রদ্ধা আৰু ভক্তিৰ বাবেহে দেশবাসীয়ে ইয়াক সাময়িকভাৱে গ্রহণ কৰিছিল। শিক্ষাৰ মূল বিষয়বস্তুৰ প্রতি দেশবাসীৰ সৰহ সংখ্যকৰে বিশেষ কোনো আকর্ষণ নাছিল।

- এই শিক্ষা পদ্ধতিত প্ৰাথমিক তথা কৰ্মকেন্দ্ৰিক শিক্ষাৰ ওপৰতহে বিশেষ গুৰুত্ব দিয়া হৈছিল। মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল।
- আধুনিক বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ প্ৰচুৰ অগ্ৰগতিৰ সময়ত অকল সূতা কটা আৰু কাপোৰ বোৱা বা তেনে হস্তশিল্পৰ শিক্ষা প্ৰদানৰ দ্বাৰা দেশৰ শিল্প উদ্যোগৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হ'ব বুলি ধাৰণা কৰা হৈছিল।
- কিছুমান শিক্ষাবিদে এই শিক্ষানীতি অতি কাল্পনিক বুলি সমালোচনা কৰি ইয়াৰ কোনো ব্যৱহাৰিক মূল্য নাই বুলি মন্তব্য কৰিছিল। কোনো নিৰ্দিষ্ট দৰ্শন নথকা বাবে এই শিক্ষানীতি অতি আবেগিক বুলি ধাৰণা কৰা হৈছিল। যিসকলে এই শিক্ষানীতি গ্ৰহণ কৰিছিল তেওঁলোকে একমাত্ৰ গান্ধীৰ লগত থকা সম্পৰ্ক আৰু অন্যান্য কাৰণতহে ইয়াক গ্ৰহণ কৰিছিল।
- শিশুসকলৰ দেহ-মানসিক প্ৰয়োজন অনুযায়ী খেলা-ধূলাৰ প্ৰতি সম্পূৰ্ণৰূপে উদাসীনতাৰ ভাৱ এই শিক্ষানীতিত প্ৰকট হৈ উঠিছিল।
- কিছু পৰিমাণৰ বুনিয়াদী কলা-কৌশল প্ৰয়োগ কৰি সকলো বিষয়ৰ শিক্ষা প্ৰদান কৰাটো অতি টান হোৱা বাবে শিশুৰ সৰ্বাত্মক ব্যক্তিত্ব গঠনত বাধাৰ সৃষ্টি হৈছিল।
- শিল্পকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই স্কুলৰ শিক্ষাৰ পৰিৱেশ কাৰখানাৰ পৰিৱেশলৈ আৰু শিক্ষাৰ্থীসকলক অৰ্থ উপাৰ্জনকাৰী একো একোটা যন্ত্ৰলৈ পৰিণত কৰাৰ আশংকা কৰা হৈছিল।

সাম্প্ৰতিক শিক্ষা জগতত বহুতো ন ন শিক্ষা পদ্ধতি উদ্ভাৱন কৰা হৈছে আৰু তাৰ পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। কিন্তু ইয়াৰ কোনোটোৱেই সম্পূৰ্ণ দোষমুক্ততা দাবী কৰিব নোৱাৰি। গান্ধীজীয়ে তেওঁৰ বুনিয়াদী শিক্ষা ভাৰতৰ সেই সময়ৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিত পৰীক্ষামূলকভাৱে ৰচনা কৰিছিল। সেইবাবে তেওঁ নিজেও এই শিক্ষা পদ্ধতি সম্পূৰ্ণৰূপে নিৰ্ভুল বুলি দাবী কৰা নাছিল। ইয়াৰ দোষ-দুৰ্বলতা আছিল আৰু এইসমূহ গুচাই আৱশ্যকীয় সংস্কাৰ সাধনৰ উপায় নথকাও নহয়। গান্ধীজীয়েও বুনিয়াদী শিক্ষাৰ প্ৰচলনৰ ক্ষেত্ৰত স্থান, কাল আৰু পৰিস্থিতিৰ প্ৰভাৱ অনুসৰি আৱশ্যকীয় সালসলনি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেওঁ মত প্ৰকাশ কৰিছিল যে এই শিক্ষা স্থানীয় প্ৰয়োজন অনুসৰি সংশোধন আৰু সমাযোজন কৰি তোলা উচিত। তেওঁ এই শিক্ষা গতিশীল আৰু পৰিবৰ্তনশীল কৰি তোলাটো বিচাৰিছিল।

প্ৰকৃতপক্ষে ক'বলৈ গলে বুনিয়াদী শিক্ষা ইয়াৰ ভুল নীতিৰ বাবে এই দেশত ব্যৰ্থ হোৱা নাই, বৰং ইয়াৰ ভুল কাৰ্যকৰী কৰণৰ বাবে ব্যৰ্থ হৈছিল। বৰ্তমান আমাৰ পাশ্চাত্য শিক্ষাৰ প্ৰতি অত্যুৎসাহী শাসকবৰ্গৰ এক শ্ৰেণী ক্ষমতাপ্ৰিয় আৰু আত্মসচেতন লোকৰ ভ্ৰান্তিমূলক ধাৰণা আৰু সংকীৰ্ণ মনোভাবেহে এই শিক্ষা ব্যৰ্থ কৰি তুলিলে। অপ্ৰিয় হ'লেও এই কথা স্বীকাৰ কৰিব লাগিব যে দেশৰ বৰ্তমান শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে গণতান্ত্ৰিক আৰু সৰ্বসাধাৰণ লোকৰ প্ৰয়োজনমুখী হৈ উঠা নাই। অবাঞ্ছিতভাৱে হ'লেও ভাৰতৰ শিক্ষা ব্যৱস্থাত এক সুবিধাবাদী শাসক বৰ্গৰ লোকে বিশেষ সা-সুবিধা ভোগ কৰি আহিছে। স্বাধীনতাৰ

অৰ্ধশতিকা সময় অতিক্ৰম কৰি উঠিও বৰ্তমান আমাৰ সামাজিক জীৱনত শিক্ষাৰ ক্ষেত্ৰত বৈষম্য, অনগ্ৰসৰতা আৰু অসমতা বৰ্তি আছে। বুনিয়াদী শিক্ষা কেৱল হস্তশিল্পপ্ৰধান, আৰ্থিক উৎপাদনমুখী আৰু দুখীয়া, গাঁৱলীয়া পিচপৰা শ্ৰেণী লোকৰ বাবেহে উপযোগীস্বৰূপে বিবেচনা কৰা হ'ল। গান্ধীজীৰ এই শিক্ষাত নিহিত থকা অহিংস, গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ গভীৰ উপলব্ধি আৰু বাস্তৱ মূল্যায়ণ কৰি উঠিব পৰা নহ'ল।

গান্ধীজীয়ে নিজেই কৈছিল, "বুনিয়াদী শিক্ষাক সাধাৰণতে হস্তশিল্পৰ যোগেদি শিক্ষাস্বৰূপে ব্যাখ্যা কৰা হয়। ই কিছু পৰিমাণেহে সত্য, সম্পূৰ্ণ সত্য নহয়। নই তালিমৰ মূল উৎস ইয়াতকৈ গভীৰ। ই ব্যক্তিগত আৰু সামূহিক জীৱনত সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত।"

বৰ্তমান তেওঁৰ এই শিক্ষা ব্যৱস্থাৰ ওপৰত বিস্তৃত অধ্যয়ন আৰু গৱেষণা কাৰ্য কৰা হৈছে। এনে অধ্যয়নৰপৰা অনুভৱ কৰি উঠা হৈছে যে দেশৰ বৰ্তমান সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত বুনিয়াদী শিক্ষাৰ নীতিতকৈ আন অধিক উপযুক্ত নীতি আৰু পদ্ধতি আমাৰ নাই। সেইবাবে বুনিয়াদী শিক্ষা সময়ৰ উপযোগীকৈ প্ৰয়োগৰ ব্যৱস্থা নিৰ্দ্ধাৰণ কৰাটো প্ৰয়োজন। মন কৰিবলগীয়া যে স্বাধীনোত্তৰ কালৰ দেশৰ শিক্ষা আয়োগকেইখনে গান্ধীজীৰ শিক্ষা আঁচনিৰ মৌলিকতা অস্বীকাৰ কৰিব পৰা নাই। ৰাধাকৃষ্ণণ আয়োগে পৰামৰ্শ দিয়া গ্ৰাম্য বিশ্ববিদ্যালয় মুডালিয়াৰ আয়োগে পৰামৰ্শ দিয়া বহুমুখী বিদ্যালয় আৰু **কোঠাৰী আয়োগে দিয়া কৰ্ম অভিজ্ঞতা আঁচনি** মূলতে গান্ধীজীৰ শিল্পকেন্দ্ৰিক বুনিয়াদী শিক্ষা আঁচনিৰ দ্বাৰা অনুপ্ৰাণিত। শেহতীয়াকৈ ১৯৭৭ চনৰ ঈশ্বৰ ভাই পেটেল কমিটিয়ে 'কৰ্ম অভিজ্ঞতাৰ' এক নতুন সংস্কৰন আৰু নামাকৰণ কৰি তুলিছে। ইয়াক **'সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্ৰিয়া'** "Social Useful Productivity Work" (SUPW) স্বৰূপে জনা যায়। ইয়াৰ মৌলিক ধাৰণা, অনুপ্ৰেৰণা আৰু কাৰ্যসূচী গান্ধীজীৰ বুনিয়াদী শিক্ষা আঁচনিৰপৰাই লোৱা হৈছে। নবেল পুৰস্কাৰপ্ৰাপ্ত বিখ্যাত লেখক ড° গুণাৰ মার্ডেলে মত প্ৰকাশ কৰে যে ভাৰতীয় স্কুলবোৰত বুনিয়াদী প্ৰাথমিক শিক্ষাদান পদ্ধতিৰ আদৰ্শ সংস্কাৰ সাধনৰ উপায়স্বৰূপ হৈ উঠিব পাৰে।

সেয়েহে ক'ব পাৰি যে গান্ধীজীৰ বুনিয়াদী শিক্ষা ব্যৱস্থা এই দেশত ভুল পৰিচালনাৰ বাবে অকৃতকাৰ্য হ'ল যদিও ইয়াৰ মৌলিক ধাৰণা আৰু আদৰ্শই বৰ্তমানেও ভাৰতীয় শিক্ষাক অনুপ্ৰেৰণা যোগাই আহিছে। দেশৰ শিক্ষাৰ সম্ভাৱনীয়তাপূৰ্ণ ভৱিষ্যত গান্ধীজীৰ বুনিয়দা শিক্ষাইহে আমাক দিব পাৰে। স্বাধীনোত্তৰ কালৰ শিক্ষা অগ্ৰগতিয়ে এইকথা প্ৰতিপন্ন কৰি তোলে।



অগ্ৰগতি নিৰীক্ষণ

চমুকৈ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১১ ঃ বুনিয়াদী শিক্ষাৰ চাৰিটা সবলতা উল্লেখ কৰক।

.....

.....



প্ৰশ্ন নং ১২ ঃ আমাৰ দেশত বুনিয়াদী শিক্ষা কিয় অকৃতকাৰ্য হ'ল?

.....

.....

প্ৰশ্ন নং ১৩ ঃ কোঠাৰী আয়োগৰ কৰ্ম অভিজ্ঞতা

.....

.....

প্ৰশ্ন নং ১৪ ঃ 'সামাজিকভাৱে উপযোগী উৎপাদনমূলক ক্ৰিয়া'

.....

.....



১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত আমি জাতিৰ পিতা মহাত্মা গান্ধীয়ে বিকশিত কৰা ৰাৰ্ধা শিক্ষা আঁচনি সম্বন্ধে আলোচনা কৰিছোহক।
- সেই সময়ত মহাত্মা গান্ধীয়ে নেতৃত্ব দিব পৰা ৰাজনৈতিক নেতা আছিল। তেওঁ আমাৰ দেশৰ দুখ লগা শিক্ষা ব্যৱস্থাৰ কথা উপলব্ধি কৰিছিল। তেওঁ 'হৰিজন' নামৰ বাতৰি কাকতখনত এলানি লিখনিৰ মাধ্যমত নিজৰ মতামত ব্যক্ত কৰিছিল ইয়েই শেষত বুনিয়াদী শিক্ষা হিচাপে বিকশিত হয়।
- বুনিয়াদী শিক্ষাৰ বিভিন্ন দিশ সম্বন্ধে আলোচনা কৰিবলৈ ৰাৰ্ধাত এখন সৰ্বভাৰতীয় সম্মিলন অনুষ্ঠিত হৈছিল আৰু তাত চাৰিটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল— মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা ৰাষ্ট্ৰভিত্তিকভাৱে প্ৰবৰ্তন কৰা হ'ব, শিক্ষাৰ মাধ্যম হ'ব মাতৃভাষা, শিক্ষা প্ৰক্ৰিয়াটোৱে কিছুমান শিল্পক কেন্দ্ৰ কৰি লৈছিল।
- শিল্পবিলাকৰ মাধ্যমেৰে উৎপাদিত সামগ্ৰীসমূহ বিক্ৰি কৰি শিক্ষকৰ দৰমহা দিয়াৰ ব্যৱস্থা থাকিব। ৰাৰ্ধা সম্মিলনে ড০ জাকিৰ হুছেইনৰ অধ্যক্ষতাত এখন শিক্ষা আঁচনি প্ৰস্তুত কৰিবলৈ এটা কমিটি গঠন কৰি দিছিল।
- কমিটিখনে নিয়ম অনুসাৰে কেইটামান প্ৰস্তাৱ সন্নিবিষ্ট কৰি তেওঁলোকৰ প্ৰতিদেন দাখিল কৰিছিল। প্ৰস্তাৱসমূহ হ'ল—
  - ৭ বছৰৰ পৰা ১৪ বছৰলৈ ল'ৰা-ছোৱালীবোৰৰ কাৰণে মুক্ত আৰু বাধ্যতামূলক শিক্ষা
  - শিক্ষাদানৰ মাধ্যম হিচাপে মাতৃভাষাৰ প্ৰয়োগ

- শিক্ষা ব্যৱস্থাটোৱে কেইটামান মূল শিল্পক কেন্দ্ৰ কৰি ল'ব
- শিল্পবোৰ যান্ত্ৰিকভাৱে নিশিকায় বিজ্ঞানসম্মতভাৱে শিকোৱা হ'ব।
- সকলো বিষয়ৰ শিক্ষা নিৰ্বাচিত শিল্পৰ লগত সম্বন্ধিত আৰু সংযোগী হ'ব।

- আমি বুনিয়াদী শিক্ষাৰ অৰ্থ আৰু দৰ্শনৰ বিষয়টো আলোচনাৰ মাধ্যমেৰে পোহৰলৈ আনিছো আৰু বুনিয়াদী মানে তৈয়াৰ কৰা বস্তুটোৰ পূৰ্ণতাৰ আধাৰ বুলি অৰ্থ নিৰ্ণয় কৰিছো।
- গান্ধীজীয়ে আমাৰ শিক্ষা ব্যৱস্থাটোৰ আধাৰ শক্তিশালী হোৱাটো বিছাৰিছিল। মহাত্মা গান্ধীৰ মতে 'প্ৰকৃত শিক্ষা মানে হ'ল শৰীৰ, মন আৰু উদ্যমৰ সৰ্বাঙ্গীন বিকাশ।' তেওঁ এগৰাকী ব্যৱহাৰিক শিক্ষাৰ দাৰ্শনিক আছিল। তেওঁৰ শিক্ষা ব্যৱস্থাটো সমগ্ৰ জীৱন দৰ্শনৰ গতিশীল ধাৰা বা দিশ।
- বুনিয়াদী শিক্ষাৰ মূল দিশবোৰ হ'ল— ৭-১৪ বছৰৰ শিশুসকলৰ বাবে মুক্ত আৰু বাধ্যতামূলক শিক্ষা, শিল্পৰ মাধ্যমেৰে শিক্ষা, আত্মনিৰ্ভৰশীলতাৰ শিক্ষা, শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা, আদৰ্শ নাগৰিকতাৰ শিক্ষা আৰু নমনীয় পাঠ্যক্ৰম।
- আমাৰ আলোচনাৰ শেষ অংশত আমি বুনিয়াদী শিক্ষাৰ সুবিধাসমূহৰ লগতে আমাৰ দেশত ইয়াৰ অকৃতকাৰ্যতা হোৱাৰ কাৰণসমূহ ওঁ জানিব পাৰিছো। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে বুনিয়াদী শিক্ষাৰ গুৰুত্বতাক স্বীকৃতি প্ৰদান কৰিছে আৰু ইয়াৰ পৰামৰ্শত 'কৰ্ম অভিজ্ঞতা' নামেৰে এটা বিষয় সন্নিবিষ্ট কৰি বিদ্যালয়ৰ শিক্ষাক কৰ্মকেন্দ্ৰিক কৰিবলৈ প্ৰচেষ্টা চলাইছে।



১৩.১১ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
২) ডেকা, বীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী
৩) বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৪) Rawat, P. L. ঃ *History of Indian Education*, Ram Prasad & Sons, Agra-3

১৩.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জাতিৰ পিতা মহাত্মা গান্ধী বুনিয়াদী শিক্ষাৰ উদ্ভাৰক আছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ৱার্ধা শিক্ষা সন্মিলনৰ উদ্দেশ্য আছিল নতুন শিক্ষা ব্যৱস্থটোৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা, যিটোক বুনিয়াদী শিক্ষা হিচাপে জনা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইয়াৰ প্রস্তাৱসমূহ আছিল—

(ক) ৰাষ্ট্রভিত্তিক হাৰত মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

(খ) শিক্ষাৰ মাধ্যম হ'ব লাগিব মাতৃভাষা

(গ) শিক্ষা প্রক্রিয়াটোৱে কিছুমান শাৰীৰিক উৎপাদনমুখী কর্মক কেন্দ্রীভূত কৰি ল'ব লাগিব আৰু

(ঘ) শিক্ষা ব্যৱস্থাটোৱে ক্রমাগতভাৱে শিক্ষকৰ দৰমহা ব্যৱস্থাটোক সামৰি ল'ব।

৪ নং প্রশ্নৰ উত্তৰ ঃ জাকিৰ হুছেইন কমিটিৰ উদ্দেশ্য আছিল এখনি বিস্তৃত শিক্ষা আঁচনি প্রস্তুত কৰা আৰু ৱার্ধা শিক্ষা সন্মিলনৰ ধাৰাত পাঠ্যক্রম প্রস্তুত কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'Basic' শব্দটো 'Base' নামৰ শব্দটোৰ পৰা অনা হৈছিল। 'Base' মানে হ'ল আধাৰ। বুনিয়াদী শিক্ষা হ'ল শিল্পক আধাৰ হিচাপে লৈ প্রৱর্তিত হোৱা শিক্ষা। প্রাথমিক শিক্ষা হ'ল সকলো শিক্ষা ব্যৱস্থাৰ আধাৰ বা শিক্ষা গাঁঠনিটোৰ আধাৰ। সেয়েহে গান্ধীজীয়ে ইয়াক বুনিয়াদী শিক্ষা নামেৰে নামাকৰণ কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ গান্ধীজীৰ মতে শিক্ষা হ'ল "By Education I mean an all round drawing out of the best in child and man body mind and spirit (শিশু আৰু মানুহৰ দেহ-মন আৰু আত্মাৰ সর্বোৎকৃষ্ট গুণৰাশি সর্বাত্মকভাৱে উদঘাটিত কৰি তোলাটোকেই মই শিক্ষা বুলি বুজো।)."

৭ নং প্রশ্নৰ উত্তৰ ঃ গান্ধীজীয়ে সত্য আৰু অহিংসাক আধাৰ হিচাপে লৈ এটা সামাজিক নির্দেশ সৃষ্টি কৰিবলৈ বিচাৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষাৰ ক্ষেত্রত সৃষ্টি কৰা বৈপ্লৱিক পৰিবর্তনে সমাজলৈ বৈপ্লৱিক পৰিবর্তন অনাত সহায় কৰিব আৰু এখন নতুন সমাজ সৃষ্টি হ'ব।

৮ নং প্রশ্নৰ উত্তৰ ঃ "শিল্পৰ মাধ্যমেৰে শিক্ষা" মানে কিছুমান শিল্প বা উৎপাদনমুখী কর্মৰ মাধ্যমেৰে শিক্ষা সম্প্রসাৰণ কৰা। বুনিয়াদী শিক্ষা ব্যৱস্থাত 'শিল্পই' হ'ল সকলো শিক্ষাৰ মূল কেন্দ্রবিন্দু। গান্ধীজীয়ে মত পোষণ কৰিছিল যে যদি শিশুসকলক জীৱনৰ আৰম্ভণিৰপৰাই গ্রাম্য হস্তশিল্পৰ ধাৰণা মনত সোমাই দিয়া হয় তেতিয়াহ'লে তেওঁলোকৰ মনত সত্য আৰু অনুশাসিত বিকাশে স্থান পাব।

৯ নং প্রশ্নৰ উত্তৰ ঃ বুনিয়াদী আঁচনিৰ মূল আদর্শ আছিল যে যদি বাচি লোৱা শিল্পটোৰ শিক্ষা সুন্দৰভাৱে দিয়া হয় তাৰ উৎপাদিত মূল্যই শিক্ষকসকলৰ পাৰিতোষিক পোৱাটো সহায় হ'ব। এইটোৱে ৰাষ্ট্রক মুক্ত আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রবর্তনত সহায় কৰিব।

১০ নং প্রশ্নৰ উত্তৰ ঃ বুনিয়াদী পাঠ্যক্রমৰ মূল বৈশিষ্ট্যবোৰ আছিল— ইংৰাজীক অধ্যয়নৰ বিষয় হিচাপে সামৰি লোৱা নহ'ব, শিক্ষাৰ মাধ্যম হ'ব মাতৃভাষা কিন্তু সকলো

শিশুৱে হিন্দী ভাষাটো শিকিব লাগিব, নৈতিক বা ধর্মীয় শিক্ষা নাথাকিব, শিশুৱে বাচি লোৱা শিল্পটো পদ্ধতিগত আৰু বিজ্ঞানসন্মতভাৱে শিকোৱা হ'ব।

১১ নং প্রশ্নৰ উত্তৰ ঃ বুনিয়াদী শিক্ষাৰ চাৰিটা সুবিধা হ'ল—

(ক) আঁচনিখন অর্থনৈতিকভাৱে স্বচ্ছল আৰু ভাৰতৰ দৰে দুখীয়া দেশৰ বাবে গ্রহণযোগ্য।

(খ) ই কর্মৰ নীতিৰ ওপৰত আধাৰিত আৰু অর্থনৈতিকভাৱে উৎপাদনমুখী।

(গ) এই ব্যৱস্থাটো জাত-পাতৰ ধাৰণা আঁতৰাই পেলাব আৰু

(ঘ) ই কর্মকেন্দ্রিক শিক্ষা আৰু 'কর্মৰ মাজেৰে শিক্ষাৰ' নীতিৰ দ্বাৰা উদ্বুদ্ধ।

১২ নং প্রশ্নৰ উত্তৰ ঃ বুনিয়াদী শিক্ষা অকৃতকার্য হোৱাৰ কাৰণ হ'ল—

(ক) স্বাৱলম্বনৰ বাবে শিক্ষাৰ ধাৰণাটোৱে বহলভাৱে সমালোচনাৰ সন্মুখীন হৈছে।

(খ) শিল্পৰ প্রতি থকা অধিক গুৰুত্বতাই মুক্ত শিক্ষাক অৱহেলা কৰিছে।

(গ) বুনিয়াদী শিক্ষাক গ্রাম্যাঞ্চলৰ দুখীয়া লোকৰ শিক্ষা বুলি কৈ চহৰ অঞ্চলক বাদ দিয়াটো।

(ঘ) আর্থিক দুৰাৱস্থা আৰু উপযুক্ত প্রশাসনিক নীতিৰ অভাৱ আৰু

(ঙ) প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অভাৱ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে প্রৱর্তন কৰা স্কুলীয়া পাঠ্যক্রমৰ 'কর্ম অভিজ্ঞতাৰ' ধাৰণাটোৰ আধাৰ প্রকৃততে বুনিয়াদী শিক্ষা।

১৪ নং প্রশ্নৰ উত্তৰ ঃ 'সামাজিকভাৱে উপযোগী উৎপাদনমুখী কর্ম'ৰ ধাৰণা উদ্ভাৱন কৰিছিল 'ঈশ্বৰ ভাই পেটেল' কমিটিয়ে। এইটোৰ বিদ্যালয় পাঠ্যক্রমত কেন্দ্রীয় স্থান দিব লগাটো এটা অন্য পাঠ্যক্রমিক দিশ হিচাপে সুচাইছে।



১৩.১৩ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সর্বজনীন শিক্ষাৰ বাবে বুনিয়াদী শিক্ষাৰ গুৰুত্ব কি?

প্রশ্ন ২ ঃ বাধা শিক্ষা সন্মিলনৰ উদ্দেশ্য কি আছিল? ইয়াৰ প্রস্তাৱসমূহ কি আছিল?

প্রশ্ন ৩ ঃ ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত জাকিৰ হুছেইন কমিটীৰ প্রধান উদ্দেশ্যসমূহৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ৪ ঃ বুনিয়াদী শিক্ষা কি? এই শিক্ষাই ভাৰতীয় মানুহৰ কিমান দূৰ শিক্ষাৰ প্রয়োজনীয়তা পূৰণ কৰিছে?

খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বুনিয়াদী শিক্ষাৰ মূল নীতি সমূহ কি কি? আপুনি ভাবে নেকি আঁচনিখন সম্পূৰ্ণৰূপে অকৃতকাৰ্য হৈছে? যুক্তি দৰ্শাওক।

প্ৰশ্ন ২ ঃ বুনিয়াদী শিক্ষাৰ সুবিধাসমূহ আৰু অসুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বুনিয়াদী শিক্ষাৰ সাধাৰণ বৈশিষ্ট্য সমূহৰ বিষয়ে উল্লেখ কৰক। এই শিক্ষা ব্যৱস্থাৰ প্ৰধান দূৰ্বলতা সমূহ কি কি?

প্ৰশ্ন ৪ ঃ বুনিয়াদী শিক্ষাৰ স্বৰূপ আৰু গঠন প্ৰক্ৰিয়া বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ বুনিয়াদী শিক্ষাৰ আদৰ্শ সমূহ কি কি? ভাৰতবৰ্ষত এই শিক্ষা ব্যৱস্থা ব্যৱহাৰৰ ক্ষেত্ৰত কিমানদূৰ সফল হৈছিল?

প্ৰশ্ন ৬ ঃ ভাৰতবৰ্ষত বুনিয়াদী শিক্ষা কিয় অকৃতকাৰ্য হ'ল? বৰ্তমান ইয়াৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা আছেনে?

*** ***** ***

অধ্যায় ১৪ ঃ চার্জেন্টৰ শিক্ষা প্রতিবেদন, ১৯৪৪

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ কমিটিৰ গঠন

১৪.৪ জাতীয় শিক্ষা আঁচনি স্বৰূপে কমিটিৰ প্রধান প্রস্তাৱসমূহ

১৪.৫ চার্জেন্ট কমিটিৰ পৰামর্শসমূহ

- ১৪.৫.১ প্রাক প্রাথমিক শিক্ষা সম্বন্ধে
- ১৪.৫.২ প্রাথমিক বা বুনিয়াদী শিক্ষা সম্বন্ধে
- ১৪.৫.৩ মাধ্যমিক শিক্ষা সম্বন্ধে
- ১৪.৫.৪ বিশ্ববিদ্যালয়ৰ শিক্ষা সম্বন্ধে
- ১৪.৫.৫ কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা সম্বন্ধে
- ১৪.৫.৬ অন্যান্য পৰামর্শসমূহ

১৪.৬ চার্জেন্ট প্রতিবেদনৰ মূল্যায়ন

১৪.৭ পৰামর্শসমূহৰ প্রয়োগ

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্রগতিৰ খতিয়ান

১৪.১১ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯৪৪ চনৰ চার্জেন্ট কমিটিখনৰ নিযুক্তিৰ কাৰণ বুজিবলৈ সমর্থ হ'ব।
- প্রতিবেদনখনত আগবঢ়োৱা শিক্ষা গাঁথনিৰ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব।
- কমিটিখনে শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত আগবঢ়োৱা পৰামর্শসমূহ বর্ণনা কৰিবলৈ সমর্থ হ'ব।
- পৰামর্শখিনিৰ মূল্যায়ণ কৰিবলৈ সমর্থ হ'ব।
- পৰামর্শসমূহ প্রয়োগ কৰিবলৈ চৰকাৰে লোৱা প্রচেষ্টাৰ সৈতে চিনাকি হ'বলৈ সক্ষম হ'ব।

১৪.২ পৰিচয়

আমি আগৰ অধ্যায়টোত ১৯৩৭ চনৰ গান্ধীজীৰ ৰাৰ্ধা শিক্ষা আঁচনিৰ বিষয়ে আলোচনা কৰিলো। সেই আঁচনিৰ আগতে বিভিন্ন সমিতি আৰু আয়োগবোৰে জাতীয় বিকাশৰ উদ্দেশ্যে শৈক্ষিক উদ্দেশ্য সাধনৰ বাবে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰস্তাৱক অনুসৰণ কৰি ১৯১৭ চনৰ চেদলাৰ আয়োগ, ১৯২৯ চনৰ হাৰ্টগ কমিটিৰ প্ৰতিবেদন তাৰ পিছত ৰাৰ্ধা আঁচনি ১৯৩৭ গঠিত হৈছিল। এনেধৰণেৰে সকলোবোৰ প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শসমূহৰ গুৰুত্বতালৈ লক্ষ্য কৰি ইংৰাজ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰখনৰ কথা ভাবিবলৈ বাধ্য হৈছিল। শেষত ভাৰত চৰকাৰে চল্লিশৰ দশকৰ মাজভাগত উপলব্ধি কৰিছিল যে আমি ভাৰতীয়সকলে শিক্ষাৰ ক্ষেত্ৰত অধিক সময় অন্যমনস্ক হৈ থাকিব নোৱাৰিম কাৰণ শিক্ষাৰ সকলো ক্ষেত্ৰতে সংস্কাৰৰ প্ৰয়োজনীয়তা আহি পৰিছে। ইংৰাজসকলে দ্বিতীয় বিশ্বযুদ্ধত জয় লাভ কৰাৰ আশা কৰিছিল আৰু সেই আশাই শিক্ষাৰ ক্ষেত্ৰখনত ভাৰতীয়সকলৰ বাবে কিছু কাম কৰাৰ মনোযোগ দিয়াইছিল। সেয়েহে ভাৰত চৰকাৰৰ শিক্ষা উপদেষ্টা চাৰজন চার্জেন্টক ভাৰতবৰ্ষৰ শিক্ষা সংস্কাৰৰ অৰ্থে এখন প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে উপদেশ দিছিল।

অধ্যায়টোত আমি ১৯৪৪ চনৰ চাৰজেন্ট প্ৰতিবেদনৰ প্ৰাক-প্ৰাথমিক শিক্ষা, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা আৰু শিক্ষাৰ অন্যান্য দিশত আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰিমহক। ইয়াৰ লগতে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শসমূহৰ মূল্যায়ন কৰিম।

১৪.৩ কমিটিখনৰ গঠন

আমি আগতে উল্লেখ কৰিছো যে ভাৰতবৰ্ষৰ শিক্ষা উপদেষ্টা চাৰ জন চার্জেন্টক শিক্ষাৰ ক্ষেত্ৰখনৰ ওপৰত এখনি বোধগম্য হোৱা প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ দিয়া হৈছে। সেই উদ্দেশ্যেৰে চৰকাৰে ২২ জনীয়া সদস্যৰ এটি অনুসন্ধান সমিতি গঠন কৰি দিয়ে। কমিটিখনে তেওঁলোকৰ প্ৰতিবেদন ১৯৪৪ চনত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ *(CABE)* হাতত দাখিল কৰে। পৰিষদে নিয়ম অনুসাৰে সেইখন গ্ৰহণ কৰে আৰু প্ৰয়োগৰ বাবে চৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰে। চাৰজন ছার্জেন্টৰ সমিতিখনে প্ৰতিবেদনখন প্ৰস্তুত কৰিছিল বাবে আঁচনিখনক 'চার্জেন্টৰ শিক্ষা আঁচনি' নামেৰে জনা যায়। ইয়াক 'কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ' প্ৰতিবেদন আৰু ভাৰতবৰ্ষৰ 'যুদ্ধোত্তৰ শৈক্ষিক পুনৰ গঠন আঁচনি' বুলিও জনা যায়।

আঁচনিখনৰ ঐতিহাসিক গুৰুত্বতা আছে কাৰণ এইখনেই আছিল ভাৰতবৰ্ষত জাতীয় শিক্ষা ব্যৱস্থাৰ বিকাশৰ অৰ্থে কৰা প্ৰথম প্ৰচেষ্টা। কমিটিখনৰ প্ৰতিবেদনত প্ৰাক-প্ৰাথমিক শিক্ষাৰ পৰা বিশ্ববিদ্যালয় শিক্ষাক সামৰি লৈ ১২টা বিভিন্ন পৰ্যায়ৰ অধ্যায় সন্নিবিষ্ট কৰিছে। এইখনেই ভাৰতবৰ্ষৰ ভৰিষ্যত শৈক্ষিক পুনৰ গঠনৰ বাবে প্ৰস্তুত হোৱা পূৰ্ণ পৰ্যায়ৰ শৈক্ষিক আঁচনি আছিল। প্ৰতিবেদনখনে প্ৰত্যেকটো সমস্যা সমালোচনাত্মক দৃষ্টিভংগীৰে চিনাক্ত কৰিছে



CABE: *Central Advisory Board of Education*

আৰু প্ৰত্যেকটোৰে নিৰ্দিষ্ট সমাধানৰ উপায় দিছে। প্ৰতিবেদনখন ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ লোকৰ বাবে সকলো পৰ্যায়ৰ শিক্ষাৰ সৈতে সংশ্লিষ্ট হৈছে। এইখনেই সেই সময়ত আমাৰ দেশত প্ৰথমবাৰৰ বাবে উপস্থাপন কৰা শিক্ষা সন্দৰ্ভৰ বোধগম্য ছবিসদৃশ প্ৰতিবেদন। নিঃসন্দেহে প্ৰতিবেদনখন হ'ল আমাৰ দেশৰ এটি মূল্যবান দলিল। সেইবাবে ইয়াক সাৱধানভাবে অধ্যয়নৰ প্ৰয়োজন।

এইটো আমি উল্লেখ কৰিব লাগিব যে এই আঁচনিখনক একেবাৰে নতুন আঁচনি বুলি ক'ব পৰা নেযায়। ই আছিল ১৯৩৬ চনৰ পৰা কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ পৰামৰ্শ, নীতি আৰু কাৰ্য বিৱৰণীসমূহৰ সংক্ষিপ্তসাৰ।

১৪.৪ জাতীয় শিক্ষা আঁচনিস্বৰূপে কমিটিৰ প্ৰধান প্ৰস্তাৱসমূহ

এতিয়া আমি কমিটিখনৰ প্ৰধান প্ৰস্তাৱসমূহ আলোচনা কৰিম।

প্ৰতিবেদনত কোৱা হৈছে ভাৰতবৰ্ষই ইংলণ্ডৰ সমপৰ্যায় পাবলৈ শিক্ষাৰ ক্ষেত্ৰত ৪০ বছৰ লাগিব। জাতীয় শিক্ষাই আমাৰ নতুন প্ৰজন্মসকলক শাৰীৰিক আৰু মানসিকভাৱে সুস্থ সমন্বয় সাধন কৰি চৰিত্ৰ গঠন কৰি তুলিব লাগিব। জাতীয় বিকাশৰ বাবে জাতীয় শিক্ষা ব্যৱস্থা গঢ় দি তুলিবলৈ প্ৰতিবেদনত তলত দিয়াধৰণে প্ৰস্তাৱ গ্ৰহণ কৰা হয়—

- ৩ বছৰৰ পৰা ৬ বছৰ বয়সলৈকে প্ৰাক-প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- প্ৰাথমিক বা বুনিয়াদী শিক্ষা দুটা পৰ্যায়ত বিভক্ত কৰিব লাগে, যেনে— নিম্ন বুনিয়াদী (৬-১১ বছৰ) আৰু উচ্চ বুনিয়াদী (১১-১৪ বছৰ)।
- হাইস্কুলৰ শিক্ষা নিৰ্বাচিতভাবে ১১-১৭ বছৰৰ ভিতৰত দিব লাগে।
- ইন্টাৰমিডিয়েট পৰ্যায়ৰ শিক্ষা সম্পূৰ্ণ কৰাৰ পিছত ডিগ্ৰী পাঠ্যক্ৰম তিনি বছৰীয়া কৰিব লাগে।
- কাৰিকৰী, বাণিজ্য আৰু সুকুমাৰ কলা আদি বিষয়ৰ শিক্ষা পূৰ্ণকালীন আৰু অংশকালীনভাবে প্ৰদান কৰিব লাগে।
- ২০ বছৰ সময়সীমাৰ ভিতৰত প্ৰাপ্তবয়স্ক লোকৰ নিৰক্ষৰতা গুচাব লাগে।
- শিক্ষকৰ নিযুক্তি, প্ৰশিক্ষণ আৰু চাকৰিৰ অৱস্থা উন্নত কৰিব লাগে।
- দৈহিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত লোকৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিব লাগে।
- নিয়োগ বিষয়া নিযুক্ত কৰি চাকৰিৰ অৱস্থা উন্নত কৰি তুলিব লাগে।
- সমাজৰ লোকসকলৰ বাবে অৱসৰ সময়ৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- বাধ্যতামূলকভাৱে ছাত্ৰসকলৰ শৰীৰ শিক্ষা, শৰীৰ পৰীক্ষা আৰু চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে।
- কেন্দ্ৰ আৰু ৰাজ্যবোৰত সুসংগঠিত শিক্ষা বিভাগ স্থাপন কৰি তুলিব লাগে।
- সকলো হাইস্কুলত মাতৃভাষা শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হ'ব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) চার্জেন্ট কমিটিখন —— সদস্যৰে গঠিত হৈছিল।

(খ) কমিটিৰ প্রতিবেদনখনে মুঠ —— অধ্যায় সামৰি লৈছে।

(গ) চার্জেন্টৰ প্রতিবেদনখন —— হিচাপেওঁ জনা যায়।

(ঘ) প্রাক প্রাথমিক শিক্ষা —— শিশুৰ কাৰণে।

(ঙ) —— সম্পূর্ণ কৰাৰ পিছত স্নাতক পর্যায়ৰ সময় হ'ল ৩ বছৰীয়া।

(চ) শাৰীৰিক আৰু মানসিকভাৱে —— শিশুসকলৰ বাবেওঁ শিক্ষাৰ ব্যৱস্থা কৰা হৈছে।

(ছ) সকলো মাধ্যমিক বিদ্যালয়ত —— শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হ'ব।

১৪.৫ চার্জেন্ট কমিটিৰ উপদেশসমূহ

১৪.৫.১ প্রাক-প্রাথমিক শিক্ষা

আমি ইতিমধ্যে কমিটিখনৰ গঠন সম্পর্কে বিশদভাৱে আলোচনা কৰিলো। এতিয়া আমি কমিটিখনে শিক্ষাৰ অন্যান্য দিশত দিয়া পৰামর্শাৱলী সমূহৰ বিষয়ে এটা এটাকৈ আলোচনা কৰিম।

ইংৰাজসকলৰ শিক্ষাত প্রথমবাৰৰ বাবে প্রাক-প্রাথমিক শিক্ষাৰ প্রতি মনোনিবেশ কৰা হয়। ইংলণ্ডত এই পর্যায়ৰ শিক্ষাৰ বিকাশৰ প্রতি লক্ষ্য ৰাখি ভাৰতটো ইয়াৰ সম্ভাৱনীয়তা আৰু প্রয়োজনীয়তা অনুভৱ কৰা হয়। এই দিশত দিয়া প্রতিবেদনৰ পৰামর্শসমূহ তলত উল্লেখ কৰা হৈছে—

- জাতীয় শিক্ষা আঁচনিত নার্চাৰী স্কুলসমূহ অন্তর্ভুক্ত কৰিব লাগে। প্রচলিত ব্যৱস্থাত এই শিক্ষাৰ অৱস্থা তেনেই উপেক্ষণীয়।
- ৩-৬ বছৰ বয়সৰ শিশুক এই স্কুলত ভর্তি কৰিব লাগে।
- নগৰ অঞ্চলত য'ত অধিক সংখ্যক শিশু পোৱা যায় তাত এই স্কুলৰ পৃথক ব্যৱস্থা কৰিব লাগে।
- গ্রাম্য অঞ্চলত এই নার্চাৰী স্কুলবোৰ নিম্ন বুনিয়াদী স্কুলৰ লগত সংযোগ কৰিব লাগে।
- এই স্কুলবোৰত কণ কণ শিশুহঁতৰ ভাল আচৰণ, অভ্যাস গঠন আৰু সামাজিক জ্ঞান অভিজ্ঞতা আদি প্রদানৰ ব্যৱস্থা কৰিব লাগে।
- সাধাৰণ শিক্ষাৰ দ্বাৰা এই পর্যায়ৰ শিক্ষা ব্যৱস্থা গধুৰ কৰি তুলিব নালাগে।
- প্রাক-প্রাথমিক শিক্ষা বিনামূলীয়া কৰি তুলিব লাগে।

- এই শিক্ষা বাধ্যতামূলক কৰি তুলিব নোৱাৰিলেও শিশুসকল স্বেচ্ছাই স্কুললৈ যাবৰ বাবে অভিভাৱকসকলক প্ৰৰোচিত কৰিব লাগে।
- নাৰ্চাৰী স্কুলৰ শিক্ষকসকল মহিলা হোৱাটো নিয়ম কৰিব লাগে আৰু তেওঁলোক এই দিশত প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগে।
- এই শিক্ষা সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হৈ উঠিলে মুঠ খৰছ ৩ কোটি ১৮ লাখ ৪০ হেজাৰ টকা হৈ উঠিব।

১৪.৫.২ প্ৰাথমিক শিক্ষা বা বুনিয়াদী শিক্ষা

ভাৰতৰ জাতীয় শিক্ষা ব্যৱস্থা কমিটিয়ে বুনিয়াদী শিক্ষাক স্বীকৃতি প্ৰদান কৰে। গান্ধীজীৰ হস্তশিল্পৰ যোগেদি ক্ৰিয়াৰ মাধ্যমেৰে দিয়া শিক্ষা নীতিকেই জাতীয় শিক্ষা বিকাশৰ বাবে উপযুক্তস্বৰূপে বিবেচনা কৰি ইয়াৰ কিছু সংস্কাৰ সাধনৰ পৰামৰ্শ দিয়ে। অৱশ্যে হস্তশিল্পৰ উৎপাদনেৰে শিক্ষাৰ খৰছ বহন কৰা নীতি চাৰজেন্ট কমিটিয়ে অগ্ৰাহ্য কৰে। এইদিশত দিয়া কমিটিৰ পৰামৰ্শসমূহ তলত উল্লেখ কৰাধৰণৰ—

- বুনিয়াদী স্কুলবোৰক নিম্ন আৰু উচ্চ বুনিয়াদীস্বৰূপে দুটা ভাগত বিভক্ত কৰিব লাগে।
- নিম্ন বুনিয়াদী শিক্ষা ৬-১০ বছৰ বয়সৰ বাবে আৰু উচ্চ বুনিয়াদী ১১-১৪ বছৰ বয়সৰ বাবে হ'ব লাগে।
- এই পৰ্যায়ৰ শিক্ষা দ্ৰুত গতিৰে বাধ্যতামূলক, বিনামূলীয়া আৰু সাৰ্বজনীন কৰি তুলিব লাগে।
- নিম্ন বুনিয়াদী স্কুলত প্ৰতি ৩০ জন ছাত্ৰৰ বাবে, উচ্চ বুনিয়াদী স্কুলত প্ৰতি ২৫ জন ছাত্ৰৰ বাবে আৰু হাইস্কুলত প্ৰতি ২০ জন ছাত্ৰৰ বাবে এজনকৈ শিক্ষক নিযুক্ত হ'ব লাগে।
- নিম্ন বুনিয়াদী স্কুলত ইংৰাজী ভাষা শিকাব নালাগে, কিন্তু উচ্চ বুনিয়াদী পৰ্যায়ত ৰাজ্যিক চৰকাৰৰ অনুমোদন ক্ৰমে ইংৰাজী শিকোৱাৰ ব্যৱস্থা কৰিব লাগে। ইংৰাজীৰ অধ্যয়ন ঐচ্ছিকবিধৰ কৰি তুলিব নালাগে।
- শিক্ষাৰ মাধ্যম ছাত্ৰসকলৰ মাতৃভাষা হ'ব লাগে।
- শাৰীৰিক শিক্ষা আৰু সংগঠিত খেলা-ধূলা আদিৰ ব্যৱস্থা কৰিব লাগে।
- হস্তশিল্পৰ যোগেদি শিক্ষাৰ খৰছ বহন কৰা নীতি পৰিহাৰ কৰিব লাগে।
- বুনিয়াদী শিক্ষাৰ পৰা অ-বুনিয়াদী স্কুললৈ ছাত্ৰৰ শিক্ষাৰ পৰিবৰ্তন পঞ্চম শ্ৰেণীৰ পিছত কৰা হ'ব লাগে আৰু ইয়াৰ বাবে প্ৰমাণ পত্ৰ প্ৰদান কৰিব লাগে।
- কোনো শিক্ষকৰেই মাহিলী দৰমহা ২০ টকাৰ কম হ'ব নালাগে।
- প্ৰশিক্ষণপ্ৰাপ্ত মহিলা শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি তুলিব লাগে।
- উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক থাকিলেহে বুনিয়াদী স্কুল স্থাপন কৰিব লাগে।

- বুনিয়াদী শিক্ষাদানৰ আঁচনি প্ৰথমে গাঁও অঞ্চলত আৰম্ভ কৰিব লাগে।
- এই পৰ্যায়ত শিক্ষাত বহিঃ পৰীক্ষাৰ পৰিবৰ্তে আভ্যন্তৰীণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- উচ্চ বুনিয়াদী পৰ্যায়ৰ পাঠ্যক্ৰমত ছোৱালীৰ বাবে উপযুক্ত বিষয়, যেনে— ৰন্ধন, লন্দ্ৰিৰ কাম, বেজীৰ কাম, শিশু যতন, প্ৰাথমিক চিকিৎসা আদি বিষয় অন্তৰ্ভুক্ত কৰিব লাগে।
- এইবিধ শিক্ষাৰ সম্বন্ধে পৰীক্ষা-নিৰীক্ষা আৰু অধ্যয়ন কৰিবৰ বাবে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে এখন তদৰ্থ কমিটি প্ৰস্তুত কৰি তুলিব লাগে আৰু ইয়াত হিন্দুস্থানী তালিমী সংঘৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰিব লাগে।
- কেন্দ্ৰীয় চৰকাৰে প্ৰতিখন ৰাজ্যত বুনিয়াদী শিক্ষাত হোৱা পৌনঃপুনিক খৰছৰ অৰ্ধেক পৰিমাণ বহন কৰিব লাগে।
- স্কুলত উৎপাদন কৰা হস্তশিল্পৰ দ্ৰৈব্যসমূহ বজাৰত বিক্ৰী কৰিবৰ বাবে প্ৰতিখন ৰাজ্যতে একোখন কেন্দ্ৰীয় কাৰ্যালয় গঠন কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ প্ৰাক-প্ৰাথমিক শিক্ষা কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ প্ৰাক-প্ৰাথমিক শিক্ষাৰ বয়সৰ পৰ্যায় উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰাথমিক বিদ্যালয়সমূহৰ ভাগবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ প্ৰাথমিক বিদ্যালয়ত শিক্ষক-শিক্ষাৰ্থীৰ হাৰ কিমান হোৱা উচিত?

.....

.....

প্ৰশ্ন নং ৬ ঃ ছোৱালীবোৰৰ বাবে কি বিষয়সমূহৰ পৰামৰ্শ দিছে?

.....

.....

১৪.৫.৩ মাধ্যমিক শিক্ষা

কমিটিয়ে মত প্ৰকাশ কৰি কয় যে হাইস্কুলৰ শিক্ষা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ

বাবে প্ৰস্তুতি মাথোন বুলি বিবেচনা কৰিব নালাগে। ইয়াক এক স্বয়ংসম্পূৰ্ণ শিক্ষা পৰ্যায়স্বৰূপে গণ্য কৰিব লাগে। এই সম্বন্ধে দিয়া কমিটিৰ পৰামৰ্শসমূহ তলত উল্লেখ কৰা হৈছে—

- যিসকল ছাত্ৰৰ উচ্চ শিক্ষাৰ বাবে বিশেষ যোগ্যতা আৰু অভিৰুচি থাকে তেনে ছাত্ৰকহে এই পৰ্যায়ৰ শিক্ষাৰ বাবে অন্তৰ্ভুক্ত কৰিব লাগে।
- এই পৰ্যায়ৰ শিক্ষা ৬ বছৰীয়া হ'ব লাগে আৰু ই ছাত্ৰ-ছাত্ৰীৰ ১১-১৭ বছৰ বয়সৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগে। ১১ বছৰৰ কম বয়সৰ ল'ৰা-ছোৱালীক এই শিক্ষাৰ বাবে অন্তৰ্ভুক্ত কৰিব নালাগে।
- ছাত্ৰৰ নামভৰ্তিকৰণৰ বেলিকা যোগ্যতা আৰু আগ্ৰহ অভিৰুচি আদিৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।
- হাইস্কুল প্ৰধানকৈ শৈক্ষিক আৰু কাৰিকৰী এই দুইধৰণৰ হ'ব লাগে আৰু ইয়াৰ পাঠ্যক্ৰম সেইমতে প্ৰস্তুত কৰিব লাগে।
- এই পৰ্যায়ৰ বাবে শিক্ষা মাচুল গ্ৰহণ কৰিব লাগে।
- দুখীয়া ছাত্ৰক বৃত্তি প্ৰদান কৰিব লাগে, যাতে তেওঁলোকে এই শিক্ষাৰ পৰা বঞ্চিত হ'বলগা নহয়।
- নিম্ন মাধ্যমিক পৰ্যায়ৰ ছাত্ৰই এখন স্কুলৰ পৰা আন এখন স্কুললৈ স্থানান্তৰিত হোৱাৰ সুবিধা পাব লাগে।
- এই পৰ্যায়ৰ শিক্ষাত ছোৱালীৰ বাবে গাৰ্হস্থ্য বিজ্ঞান বিষয় অধ্যয়নৰ সুবিধা থাকিব লাগে।
- মাধ্যমিক শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে আৰু ইংৰাজী ভাষাকো দ্বিতীয় বাধ্যতামূলক ভাষাস্বৰূপে শিক্ষা দিব লাগে।
- ছাত্ৰসকলক নিজৰ ওপৰত ঠিয় দিব পৰাকৈ আত্মনিৰ্ভৰশীল কৰি তোলাটো এই পৰ্যায়ৰ শিক্ষাৰ লক্ষ্য হ'ব লাগে।
- উপযুক্ত শিক্ষকৰ আকৰ্ষণ কৰি তুলিবৰ বাবে সকলোবোৰ স্বীকৃতিপ্ৰাপ্ত স্কুলৰ শিক্ষকৰ দৰমহা কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে অনুমোদন কৰা অনুসৰি হ'ব লাগে।
- এই পৰ্যায়ৰ শিক্ষাৰ বাবে নুন্যতম বাৰ্ষিক ব্যয় ৫০ কোটি টকা হ'ব লাগে।

১৪.৫.৪ বিশ্ববিদ্যালয়ৰ শিক্ষা

আমি ইতিমধ্যে কমিটিখনে প্ৰাক-প্ৰাথমিক, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সম্বন্ধে দিয়া বিভিন্ন পৰামৰ্শাৱলী সমূহৰ বিষয়ে অৱগত হ'লো। এইবাৰ আমি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত দিয়া পৰামৰ্শাৱলীসমূহ আলোচনা কৰিম।

উচ্চ শিক্ষাৰ সম্বন্ধে কমিটিয়ে মত প্ৰকাশ কৰি কয় যে বিশ্ববিদ্যালয়বোৰৰ

বহুতো প্ৰশংসনীয় দিশ থকা স্বত্বেও ই দেশৰ জাতীয় শিক্ষাৰ প্ৰয়োজন পূৰণ কৰিব পৰা নাই। এই প্ৰসংগত কমিটিয়ে দিয়া পৰামৰ্শসমূহ তলত উল্লেখ কৰা হ'ল—

- স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম তিনি বছৰীয়া হ'ব লাগে।
- ইন্টাৰমিডিয়েট পৰ্যায় তুলি দিব লাগে। একাদশ শ্ৰেণী হাইস্কুলৰ লগত সংযোগ কৰিব লাগে আৰু দ্বাদশ শ্ৰেণী বিশ্ববিদ্যালয়ত অন্তৰ্ভুক্ত কৰিব লাগে।
- বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰাৰ বেলিকা কঠোৰ নীতি-নিয়ম গ্ৰহণ কৰিব লাগে। যিকোনো ছাত্ৰকেই উচ্চ শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কৰিব নালাগে।
- উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে উপযুক্ত শিক্ষকক নিযুক্তি দিব লাগে।
- শিক্ষকৰ দৰমহা আৰু চাকৰিৰ অৱস্থা উন্নত কৰি তুলিব লাগে।
- এই পৰ্যায়ৰ শিক্ষাত ছাত্ৰ আৰু শিক্ষকৰ মাজত নিকট সম্বন্ধ স্থাপন কৰিব লাগে।
- টিউটৰিয়েল শ্ৰেণী আৰু উন্নত গৱেষণাৰ ব্যৱস্থা এই পৰ্যায়ত কৰিব লাগে।
- চার্জেন্ট কমিটিৰ প্ৰতিবেদনে বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission) গঠনৰ পৰামৰ্শ দিয়ে।
- এই পৰ্যায়ৰ শিক্ষাৰ বাৰ্ষিক ব্যয় ৬ লাখ ৭২ হেজাৰ টকা ধাৰ্য কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ হাইস্কুলসমূহত কেনেধৰণৰ শিক্ষাৰ্থীৰ নামভৰ্তি কৰিব লাগে?

.....

.....

প্ৰশ্ন নং ৮ ঃ হাইস্কুলৰ ধৰণসমূহ আৰু তেওঁলোকৰ কামবোৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৯ ঃ বিশ্ববিদ্যালয় শিক্ষাৰ আসোঁৱাহবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ অৰ্থে কমিটিখনে কি কি পৰামৰ্শ আগবঢ়াইছিল?

.....

.....

১৪.৫.৫ কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা

কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ বিকাশৰ বাবে চার্জেন্টৰ প্ৰতিবেদনত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ অৰ্থনৈতিক যোগ্যতাৰ বিকাশ সাধনৰ মাজেৰে তেওঁলোকক আত্মনিৰ্ভৰশীলতাৰ শিক্ষা প্ৰদান কৰাটো শিক্ষাৰ প্ৰধান লক্ষ্য হিচাপে বিবেচনা কৰা হৈছিল।

ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক পৰিপ্ৰেক্ষিতত অনুধাৱন কৰি এই আঁচনিয়ে শিল্প আৰু বৃত্তীয় ক্ষেত্ৰত অধিক সংখ্যক উন্নত কাৰিকৰী শিক্ষাৰে শিক্ষিত শ্ৰমিকৰ প্ৰয়োজন অনুভৱ কৰিছিল। এনে কাৰণতে আৰ্থ-সামাজিক ক্ষেত্ৰৰ প্ৰয়োজন অনুসৰি শিল্প অথবা কাৰিকৰী ক্ষেত্ৰৰ প্ৰয়োজনমতে সাধাৰণ প্ৰশাসক, কাৰখানাৰ মুখ্যকৰ্মী, তত্বাৱধায়ক আদি পদবীসমূহত সেৱা আগবঢ়াবৰ বাবে কিছু সংখ্যক কাৰিকৰী দক্ষতাসম্পন্ন লোক গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়ে। এনে লোকসকলৰ প্ৰয়োজনীয় কাৰিকৰী শিক্ষা 'কাৰিকৰী হাইস্কুল'ৰ সহায়ত প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে। প্ৰয়োজনমতে এওঁলোকৰ দক্ষতাৰ অধিক বিকাশৰ বাবে উন্নত কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা উচিত যাতে উচ্চ পৰ্যায়ৰ কৰ্মী হ'ব পাৰে।

আনহাতে কাৰিকৰী আৰু শিল্পক্ষেত্ৰৰ উচ্চ পদবী যেনে মুখ্য প্ৰশাসক, গৱেষণা বিশেষজ্ঞ আৰু গৱেষণা কৰ্মী আদিৰ শিক্ষাৰ বাবে বিশেষ ব্যৱস্থা কৰাৰ সপক্ষে চাৰজেন্টে যুক্তি দাঙি ধৰে। এইক্ষেত্ৰত 'কাৰিকৰী হাইস্কুল' পাৰদৰ্শিতাৰে শিক্ষা সমাপ্ত কৰা লোকসকলক উচ্চ শিক্ষাৰ কাৰিকৰী অনুষ্ঠান আৰু বিশ্ববিদ্যালয়ৰ কাৰিকৰী শিক্ষা বিভাগ আদিত উচ্চ শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা ল'ব লাগে। এনে পৰ্যায়ত কঠোৰ নিয়ম অনুসৰণ কৰি নিৰ্বাচিতভাৱে অধিক কাৰিকৰী দক্ষতাসম্পন্ন লোকক শিক্ষা প্ৰদানৰ পৰামৰ্শ আগবঢ়োৱা হয়। উচ্চ পৰ্যায়ৰ শ্ৰমিক, নিম্ন পৰ্যায়ৰ শ্ৰমিক, দক্ষ শিল্পকৰ্মী, অৰ্ধ দক্ষ শিল্পকৰ্মীৰ লগতে উচ্চ বুনিয়াদী শিক্ষানুষ্ঠানত বিশেষ কিছু বুনিয়াদী হস্তশিল্পৰ শিক্ষা প্ৰদান কৰি শিল্প প্ৰতিষ্ঠানৰ সাধাৰণ শ্ৰমিকৰ পদসমূহ পূৰণ কৰিব পৰাকৈ কিছুসংখ্যক লোকক উপযুক্ত কৰি তোলা উচিত।

১৪.৫.৬ অন্যান্য পৰামৰ্শসমূহ

- *প্ৰাপ্তবয়স্ক শিক্ষা ঃ* দেশৰপৰা নিৰক্ষৰতা আঁতৰ কৰাৰ বাবে নিৰক্ষৰ প্ৰাপ্তবয়স্কসকলক শিক্ষিত কৰি তোলাৰ প্ৰয়োজনীয়তা চাৰজেন্টে বাৰুকৈ উপলব্ধি কৰিছিল। তাৰোপৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে জীৱন পৰিচালিত কৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হোৱা হেতুকে এই শিক্ষা আঁচনিত ১০ বছৰ বয়সৰ পৰা ৪০ বছৰ বয়সৰ ভিতৰত সকলো নিৰক্ষৰ লোককে শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ বাবে পৰামৰ্শ আগবঢ়োৱা হয়। এনে কাৰণতে

দেশৰ নিৰক্ষৰ বয়স্কসকলক স্বাক্ষৰ কৰি তোলাৰ বাবে চাৰজেন্টৰ আঁচনিত প্ৰাপ্তবয়স্ক শিক্ষা প্ৰক্ৰিয়াৰ বিকাশত গুৰুত্ব প্ৰদান কৰা হয়। বয়স্ক লোকসকলৰ প্ৰয়োজন অনুসৰি প্ৰাপ্তবয়স্ক শিক্ষাত প্ৰাথমিক শিক্ষাৰ অন্তৰ্ভুক্তিৰ বাবেও পৰামৰ্শ আগবঢ়োৱা হয়।

বয়স্ক লোকসকলৰ শিক্ষাৰ বাবে সাধাৰণ আৰু কাৰিকৰী (General and Technical) এই দুই প্ৰকাৰৰ শিক্ষাৰ ওপৰতে চার্জেন্টৰ আঁচনিয়ে গুৰুত্ব প্ৰদান কৰে। এনে শিক্ষাৰ বিকাশৰ বাবে বয়সৰ ভিন্নতা অনুসৰি পৃথক পৃথক অনুষ্ঠান স্থাপনৰ ওপৰতো এই আঁচনিয়ে গুৰুত্ব প্ৰদান কৰে। তাৰোপৰি এনে লোকসকলৰ শিক্ষাৰ পাঠ্যক্ৰমত পঢ়া, লিখা আৰু গণনা কৰা কাৰ্যৰ সাধাৰণ শিক্ষা প্ৰদানৰ বাবে তেনে বিষয়বস্তু নিৰ্বাচন কৰাৰ উপৰিও ভূগোল, বুৰঞ্জী, পৌৰবিজ্ঞান, অৰ্থনীতি, স্বাস্থ্য বিজ্ঞান আদিৰ বিষয়বস্তুও অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ দিয়া হয়।

- *শিক্ষক প্ৰশিক্ষণ ঃ* শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নতিৰ বাবে শিক্ষকসকলৰ প্ৰশিক্ষণ অতি প্ৰয়োজনীয়। চার্জেন্ট কমিটিৰ মতে শিক্ষাৰ গতিশীল বিকাশ আৰু শিক্ষা আঁচনিসমূহৰ ফলপ্ৰসূ বাস্তৱ কাৰ্য ৰূপায়ণৰ বাবে শিক্ষকসকল প্ৰশিক্ষণপ্ৰাপ্ত হোৱা উচিত। শিক্ষাৰ বিভিন্ন পৰ্যায়ত নিয়োজিত স্নাতক ডিগ্ৰীধাৰী আৰু প্ৰাক-স্নাতক পৰ্যায়ৰ শিক্ষকসকলৰ উপযুক্ত প্ৰশিক্ষণৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে এই আঁচনিয়ে বিশেষ পৰামৰ্শ আগবঢ়ায়।

  এইক্ষেত্ৰত প্ৰাক-স্নাতক পৰ্যায়ৰ শিক্ষক অৰ্থাৎ (ক) পূৰ্ব প্ৰাথমিক (খ) বুনিয়াদী আৰু (গ) হাইস্কুল পৰ্যায়ৰ শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে প্ৰধানতঃ তিনি প্ৰকাৰৰ প্ৰশিক্ষণৰ অনুষ্ঠান স্থাপনৰ বাবে চার্জেন্ট কমিটিয়ে পৰামৰ্শ আগবঢ়ায়।

  - বিশ্ববিদ্যালয়ত শিক্ষা বিভাগ খোলাকে আদি কৰি নতুন প্ৰশিক্ষণ কলেজ স্থাপন কৰিব লাগে। ইয়াৰ যোগেদি হাইস্কুলৰ বাবে প্ৰয়োজন হোৱা প্ৰায় ১ লাখ ৮০ হেজাৰ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সৃষ্টি কৰিব লাগে।
  - হাইস্কুলৰ শিক্ষাৰ শেষৰফালে এই উদ্দেশ্যে উপযুক্ত ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰিব লাগে। বিশেষকৈ মহিলা শিক্ষকৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি এনে কৰিব লাগে।
  - প্ৰাক-স্নাতক (Under graduate) শিক্ষকসকলৰ বাবে তিনিবিধ প্ৰশিক্ষণ অনুষ্ঠান থাকিব লাগে। সেইবোৰ হৈছে— প্ৰাক-প্ৰাথমিক, বুনিয়াদী আৰু উচ্চ বুনিয়াদী পৰ্যায়ৰ শিক্ষক।

- শিক্ষকসকলৰ দৰমহা আৰু চাকৰিৰ অন্যান্য সা-সুবিধা থাকিব লাগে। সকলো পৰ্যায়ৰ শিক্ষকৰ বাবেই পুনৰুদ্দীপন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে। শিক্ষক প্ৰশিক্ষণ বিনামূলীয়া কৰি তুলিব লাগে।

➢ *স্বাস্থ্য শিক্ষা ঃ* শিশুসকলৰ স্বাস্থ্য ৰক্ষা জাতীয় শিক্ষা আঁচনিৰ অন্তৰ্ভুক্ত। বিশেষকৈ ভাৰতীয় গ্ৰাম্য অঞ্চলৰ শিশুসকলৰ স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত কৰা বিবেচনা অধিক তাৎপৰ্যপূৰ্ণ। এই সম্বন্ধে কমিটিৰ পৰামৰ্শ আছিল এনেধৰণৰ—

- m সকলো ছাত্ৰ-ছাত্ৰীৰে দৈহিক কল্যান সাধন নিশ্চিত কৰি তুলিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। স্কুলত এই উদ্দেশ্যে এখন আঁচনি গঠন কৰি তুলিব লাগে।
- m প্ৰতিটো শিশুৰে শৰীৰ পৰীক্ষা সম্বন্ধে একোখন কার্ড প্ৰস্তুত কৰি তাত প্ৰয়োজনীয় তথ্য লিপিবদ্ধ কৰি ৰাখিব লাগে।
- m স্কুলৰ পৰিবেশ শিশু স্বাস্থ্য ৰক্ষাৰ উপযোগী কৰি তুলিব লাগে।
- m চিকিৎসা সেৱাৰ বাবে স্কুলৰ মুঠ ব্যয়ৰ ১০ শতাংশ নিৰ্ধাৰণ কৰিব লাগে।

➢ *শাৰীৰিকভাৱে অক্ষম লোকসকলৰ শিক্ষা ঃ* অন্যান্য শিক্ষাৰ লগতে শাৰীৰিকভাৱে অক্ষম লোকসকলৰ শিক্ষাৰ বিকাশৰ ওপৰতো চার্জেন্টৰ আঁচনিয়ে গুৰুত্ব প্ৰদান কৰে। এই আঁচনিয়ে শাৰীৰিক আৰু মানসিক দিশৰপৰা অক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ বাবে বিশেষ ধৰণৰ শিক্ষানুষ্ঠান স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়ায়। এনে শিক্ষানুষ্ঠানবোৰত এই অক্ষম ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ বাবে প্ৰয়োজনীয় উৎপাদনমুখী শিক্ষা প্ৰদানৰ ওপৰত চার্জেন্ট আঁচনিয়ে বিশেষভাৱে গুৰুত্ব দিয়ে।

➢ *নিয়োগ ব্যৱস্থা ঃ* আঁচনিখনে যিবোৰ শিক্ষার্থীয়ে নিয়োগ বিচাৰে তেওঁলোকক নিয়োজিত কৰাৰ বাবে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়ায়—

- m শিক্ষা বিভাগৰ নিয়ন্ত্ৰনত কিছুমান নিয়োগ কার্যালয় খুলিব লাগে।
- m বিশ্ববিদ্যালয়ৰ নিজা নিয়োগ কার্যালয় থাকিব লাগে।
- m সেই কার্যালয়বোৰে তলত উল্লেখ কৰা কামসমূহ সম্পাদন কৰিব—
  - (ক) শিক্ষানুষ্ঠানসমূহৰ লগত চুক্তিবদ্ধ হ'ব
  - (খ) অনুষ্ঠানৰ পৰা আঁতৰি যোৱা শিক্ষার্থীবোৰক উপদেশ আগবঢ়াব।
  - (গ) নিয়োগকাৰীৰ লগত চুক্তিবদ্ধ হ'ব আৰু বাণিজ্য প্ৰশিক্ষণৰ ব্যৱস্থাপনা কৰিব।

➢ *শিক্ষাৰ প্ৰশাসন ঃ* শিক্ষাৰ প্ৰশাসনিক ব্যৱস্থাৰ উন্নতিৰ ওপৰতো চার্জেন্ট কমিটিয়ে গুৰুত্ব প্ৰদান কৰে। যিহেতু, এটা উপযুক্ত প্ৰশাসনিক ব্যৱস্থা

নাথাকিলে শিক্ষাৰ ক্ষেত্ৰত কোনো আঁচনিয়ে কৃতকাৰ্য হ'ব নোৱাৰে, গতিকে সামগ্ৰিক শৈক্ষিক প্ৰক্ৰিয়াৰ প্ৰশাসন যন্ত্ৰটোক শক্তিশালী কৰি তোলাৰ বাবে চার্জেন্ট আঁচনিয়ে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়ায়—

- m প্ৰতিখন প্ৰদেশেই শৈক্ষিক প্ৰশাসনৰ প্ৰধান গোট (Unit) হিচাপে বিবেচিত হোৱা উচিত।
- m বিশ্ববিদ্যালয় আৰু উচ্চ কাৰিকৰী শৈক্ষিক গোটসমূহৰ বিভিন্ন কাৰ্য সৰ্বভাৰতীয় ভিত্তিত সমতুল্য কৰি তোলা উচিত।
- m শিক্ষাৰ ক্ষেত্ৰত অৰ্থাৎ শৈক্ষিক প্ৰক্ৰিয়াৰ বিভিন্ন কাৰ্য সম্পাদনত চৰকাৰৰ মাজত এটা অতি ঘনিষ্ঠ সম্পৰ্ক বজাই ৰখা উচিত।
- m প্ৰতিখন প্ৰদেশতে প্ৰয়োজনমতে শিক্ষা উপদেষ্টা বোৰ্ড থকা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ চার্জেন্ট প্ৰতিবেদনত উল্লেখ কৰা শ্ৰমিকসকলৰ ভাগবোৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১২ ঃ চমুটোকা লিখক—

(ক) বয়স্ক শিক্ষা

.....

.....

(খ) শাৰীৰিক আৰু মানসিকভাৱে অক্ষমসকলৰ বাবে শিক্ষা

.....

.....

(গ) নিয়োগ বিনিময় কেন্দ্ৰ

.....

.....

১৪.৬ চার্জেন্ট প্ৰতিবেদনৰ মূল্যায়ন

ভাৰতবৰ্ষৰ সকলো পৰ্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত চাৰজেন্ট প্ৰতিবেদনত আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে আমি ইতিমধ্যে আলোচনা কৰিলো। এতিয়া আমি প্ৰতিবেদনখনৰ মূল্যায়ণ কৰাৰ প্ৰচেষ্টা হাতত লৈছোহক।

চাৰজেন্ট প্ৰতিবেদনখন হ'ল ইংৰাজ চৰকাৰৰ অভিজ্ঞতাৰ ফলশ্ৰুতি যে ভাৰতবৰ্ষ বিশ্বৰ আগশাৰীৰ দেশসমূহৰ তুলনাত শিক্ষাৰ ক্ষেত্ৰত পিচপৰি আছে। প্ৰতিবেদনখনৰ মূল

সুবিধাসমূহ তলত দিয়াধৰণৰ —

- চার্জেন্ট আঁচনিখন হ'ল প্ৰথম বোধগম্য আঁচনি য'ত শিক্ষাৰ সকলো দিশক সামৰি লোৱা হৈছে। যেনে— প্ৰাক প্ৰাথমিক শিক্ষা, প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা, কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা, বয়স্ক শিক্ষা, শিক্ষক প্ৰশিক্ষণ ইত্যাদি। এইক্ষেত্ৰত পৰামৰ্শ দিয়াৰ লগতে উন্নতি সাধনৰ উপায়ো দিছিল।
- চার্জেন্ট প্ৰতিবেদনত শিক্ষাৰ সকলো স্তৰৰ শিক্ষাৰ্থীৰ বাবে সমপৰ্যায়ৰ সুবিধা প্ৰদানৰ ব্যৱস্থাৰ পৰামৰ্শ দিয়া হৈছে।
- প্ৰতিবেদনত শিক্ষকতা বৃত্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে লগতে শিক্ষকৰ দৰমহা, সেৱাৰ অৱস্থা আদিৰো উন্নতি সাধনৰ পৰামৰ্শ দিছে।
- চার্জেন্ট প্ৰতিবেদনত প্ৰথমবাৰৰ বাবে চৰকাৰে মনোযোগ দিছে অক্ষম ব্যক্তিসকলৰ শিক্ষাৰ উন্নতি সাধন কৰিবলৈ।
- চার্জেন্ট প্ৰতিবেদনত নিয়োগৰ সমস্যা সমাধান কৰাৰ বাবেওঁ পৰামৰ্শ দিছে। শিক্ষাই এইক্ষেত্ৰত অৰিহণা যোগাব বুলি মত পোষণ কৰিছে।
- এই প্ৰতিবেদনৰ পৰামৰ্শাৱলীয়ে ভাৰতৰ পৰৱৰ্তী কালৰ শিক্ষা জাতীয় জীৱনৰ প্ৰয়োজনমুখী কৰি তোলাত বিশেষ সহায় কৰে। স্বাধীনোত্তৰ কালৰ শিক্ষা আয়োগকেইখনে ইয়াৰপৰা বিশেষ প্ৰেৰণা লাভ কৰিছে।

আমি এতিয়া প্ৰতিবেদনৰ দুৰ্বলতা তথা অসুবিধাসমূহ পৰীক্ষা কৰিম —

ভাৰতীয় সমালোচকসকলৰ দৃষ্টিৰে কোৱা হয় যে এই শিক্ষা প্ৰতিবেদন এক মৌলিক প্ৰতিবেদন নহয়। ইয়াক ইংৰাজসকলে ইতিপূৰ্বে প্ৰদান কৰা শিক্ষা আয়োগ আৰু শিক্ষা কমিটিবোৰৰ পৰামৰ্শাৱলীৰ এক জোৰা-তাপলি মৰা ব্যৱস্থা বুলিহে ক'ব পাৰি।

- ভাৰতীয় শিক্ষা বিকাশৰ বাবে ইয়াত ধাৰ্য কৰা ৪০ বছৰ সময় যথেষ্ট অধিক। ইমান দীৰ্ঘদিনৰ বাবে শিক্ষা বিকাশ কৰিবলৈ দেশে অপেক্ষা কৰিব নোৱাৰে। আমাৰ দ্ৰুত বিকাশৰ বাবে এখন খৰতকীয়া আঁচনিৰহে প্ৰয়োজন আছিল।
- সমালোচনাৰ দৃষ্টিৰে কোৱা হয় যে প্ৰতিবেদনখনে ভাৰতীয় শিক্ষাক ইংলেণ্ডৰ শিক্ষা অগ্ৰগতিতকৈ প্ৰায় অৰ্ধ শতিকা পিছুৱাই ৰখাৰহে অভিসন্ধি কৰিছিল। কাৰণ ৪০ বছৰত সেই দেশৰ শিক্ষাই আৰু অধিক আগুৱাই যাব, যাৰ ফলত ভাৰতীয় শিক্ষা পিছুৱাই ৰব।
- জাতীয় শিক্ষা আঁচনিৰ অন্তৰ্ভুক্ত কৰিবলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ দিশ ইয়াত বাদ পৰিছে। সেইবোৰৰ ভিতৰত স্ত্ৰী শিক্ষা, সমাজৰ পিছপৰা আৰু দূৰ্বল শ্ৰেণীৰ শিক্ষা, জাতীয় সংহতিৰ শিক্ষা আদি বিশেষ উল্লেখযোগ্য।

১৪.৭ পৰামৰ্শসমূহৰ প্ৰয়োগ ব্যৱস্থা

চার্জেন্ট কমিটিৰ প্ৰতিবেদনৰ পৰামৰ্শাৱলীসমূহ কেনেকৈ কাৰ্যকৰী কৰা হৈছিল তাক বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজন হ'ব।

ভাৰত চৰকাৰে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শসমূহ নীতিগতভাৱে গ্ৰহণ কৰিছিল আৰু তাৰ ভিতৰত কিছুমান কাৰ্যকৰী কৰিবলৈ চেষ্টা চলাইছিল তলত দিয়া ধৰণৰে—

- ১৯৪৫ চনত কেন্দ্ৰত এটা শিক্ষা বিভাগ স্থাপন কৰিছিল যাতে প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰিব পৰা যায়।
- কমিটিখনৰ পৰামৰ্শ অনুসাৰে আঁচনিখনৰ কিছুমান দিশ কাৰ্যকৰী কৰিবলৈ প্ৰাদেশিক চৰকাৰক ৪০ কোটি টকা দিছিল।
- প্ৰাদেশিক চৰকাৰসমূহক শিক্ষাৰ বাবে ৫ বছৰীয়া পৰিকল্পনা প্ৰস্তুত কৰিবলৈ উপদেশ দিয়া হৈছিল। কিছুমান প্ৰদেশত ১৯৪৬ চনত পৰিকল্পনা প্ৰস্তুত হৈছিল।
- কমিটিখনৰ পৰামৰ্শ অনুসাৰে ১৯৪৫ চনত বিশ্ববিদ্যালয় অনুদান কমিটি গঠন কৰা হৈছিল, পৰৱৰ্তী সময়ত ১৯৫৬ চনত ই বিশ্ববিদ্যালয় অনুদান আয়োগ হিচাপে পৰিগণিত হয়।
- চৰকাৰে সিদ্ধান্ত লৈ আহে যে আঁচনিখন ৪০ বছৰৰ পৰিবৰ্তে ১৬ বছৰৰ ভিতৰত কাৰ্যকৰী কৰা হ'ব।
- শিশুসকলক ৬-১১ বছৰৰ ভিতৰত মুক্তভাৱে বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াৰ লক্ষ্যটো চৰকাৰে গ্ৰহণ কৰি লয়।
- বয়স্কসকলৰ শিক্ষাৰ কাৰণে প্ৰচেষ্টা হাতত লোৱাৰ লগতে শিক্ষকসকলৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰা দেখা গৈছিল।
- পলিটেকনিক বিদ্যালয় কমিটি আৰু সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা সমিতি দিল্লীত গঠন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ চার্জেন্টৰ প্ৰতিবেদনৰ সুবিধা আৰু অসুবিধাসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ১৪ ঃ প্ৰতিবেদনখনৰ পৰামৰ্শসমূহ কিমানদূৰ কাৰ্যকৰী হৈছে?

.....

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ আৰম্ভণিতে আমি মনোযোগ আকৰ্ষণ কৰিছো চার্জেন্ট কমিটিৰ গঠন সন্দৰ্ভত। কমিটিখনৰ মুঠ সদস্যৰ সংখ্যা আছিল ২২ জন আৰু ভাৰত চৰকাৰৰ শিক্ষা

উপদেষ্টা জন চার্জেন্ট আছিল সমিতিখনৰ মূৰব্বী।

- প্ৰথমবাৰৰ কাৰণে কমিটিখনে ভাৰতবৰ্ষত জাতীয় শিক্ষা ব্যৱস্থাৰ উন্নতি কৰিবলৈ প্ৰচেষ্টা চলাইছিল। কমিটিখনে যিখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল ই সম্পূৰ্ণৰূপে নতুন আঁচনি নাছিল। কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ কাৰ্য বিৱৰণীসমূহ আৰু প্ৰস্তাৱসমূহৰ ই সংক্ষিপ্তসাৰহে আছিল।
- ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে প্ৰাক-প্ৰাথমিক শিক্ষাৰ ওপৰত এই প্ৰতিবেদনতে গুৰুত্ব আৰোপ কৰা হৈছে আৰু ৩-৬ বছৰৰ শিশুক নামভৰ্তি কৰাৰ নিৰ্দেশনা দিছে।
- প্ৰতিবেদনখনে বুনিয়াদী শিক্ষা আঁচনিক সামৰি লৈছিল আৰু কিছু সংশোধন কৰি বুনিয়াদী শিক্ষাক নিম্ন বুনিয়াদী আৰু উচ্চ বুনিয়াদী বিদ্যালয় হিচাপে দুটা ভাগত ভাগ কৰাৰ কথা কৈছিল।
- হাইস্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত কমিটিখনে কৈছে যে হাইস্কুল দুই ধৰণৰ হ'ব— বিদ্যায়তনিক আৰু কাৰিকৰী। বিদ্যায়তনিক হাইস্কুলবোৰে কলা আৰু প্ৰকৃত বিজ্ঞানৰ শিক্ষা দিব আনহাতে কাৰিকৰী বিদ্যালয়বোৰে উদ্যোগিক প্ৰশিক্ষণ আৰু বানিজ্যিক বিষয়বোৰৰ শিক্ষা দিব। পাঠ্যক্ৰমসমূহ যিমান পাৰি বিভাজিতধৰণৰ হ'ব আৰু হাইস্কুলীয়া শিক্ষাৰ মূল উদ্দেশ্য হ'ব শিক্ষাৰ্থীসকলক আত্মনিৰ্ভৰশীল কৰি নিজৰ ভৰিত নিজে ঠিয় দিব পৰা কৰি তোলা।
- বিশ্ববিদ্যালয় শিক্ষা সন্দৰ্ভত প্ৰতিবেদনত কোৱা হৈছে যে উচ্চশিক্ষাৰ কাৰ্যসূচীসমূহে সমাজৰ ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ স্থাপন কৰিব পৰা নাই আৰু প্ৰকৃত নিৰ্বাচন ব্যৱস্থা নথকা বাবে দূৰ্বল শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সুযোগ লাভ কৰিছে। পৰীক্ষাৰ ওপৰত অধিকভাৱে গুৰুত্ব আৰোপ কৰা হৈছে আৰু অকৃতকাৰ্যৰ হাৰ উচ্চধৰণৰ হৈছে।
- এইক্ষেত্ৰত উন্নতি সাধনৰ অৰ্থে প্ৰতিবেদনত কোৱা হৈছে যে বিশ্ববিদ্যালয় শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগিব, নামভৰ্তিৰ ব্যৱস্থা সংশোধন কৰিব লাগিব, দক্ষতাসম্পন্ন শিক্ষক নিযুক্তি দিব লাগিব, ইয়াৰ লগতে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত সুসম্পৰ্ক গঢ়ি তোলাৰ বাবে টিউটৰিয়েল (সহজ শিক্ষা) ব্যৱস্থা সম্প্ৰসাৰণ কৰিব লাগিব। এখন বিশ্ববিদ্যালয় অনুদান কমিটি গঠন কৰা উচিত হ'ব।
- কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে পৰামৰ্শ দিছে যে উদ্যোগীক ক্ষেত্ৰৰ সকলো পৰ্যায়ৰ শ্ৰমিকৰ কাৰণে পূৰ্ণ সময় আৰু অংশকালীন শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। কমিটিৰ মতে শ্ৰমিকৰ ভাগবোৰ হ'ল— মুখ্য প্ৰশাসক, গৱেষণা কৰ্মী, ফোৰমেন, শিল্পকৰ্মী, দক্ষতাসম্পন্ন কৰ্মী, কম দক্ষতাসম্পন্ন কৰ্মী ইত্যাদি। এইবোৰৰ লগতে প্ৰতিবেদনত বয়স্কসকলক প্ৰকৃত শিক্ষা দিয়া শিক্ষক প্ৰশিক্ষণ, স্বাস্থ্য শিক্ষা, শাৰীৰিক আৰু মানসিকভাৱে অক্ষমবোৰৰ শিক্ষা আৰু নিয়োগ বিনিময় কেন্দ্ৰ আদি স্থাপনৰ পৰামৰ্শও দিছে।

- সৰ্বশেষত প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শসমূহৰ মূল্যায়ন কৰা হৈছে, সুবিধা-অসুবিধাসমূহৰ আলোচনা কৰা হৈছে আৰু পৰামৰ্শসমূহ কিমানদূৰ প্ৰয়োগ কৰা হৈছে সেই বিষয়েওঁ বিশ্লেষণ কৰা হৈছে।



১৪.৯ অধিক জানিবলৈ

১) Rawat, P. L.: *History of Indian Education*, Ram Prasad & Sons, Agra-3

২) Barua, J. : *Bharator Siksha Itihasar Adhyayan*; Lawyers

৩) Deka, B. : *Bharatar Sikshar Itihash*; A. B. Depot., Gauhati-1

৪) Bardoloi, A. : *Bharatar Sikshar Buranji*; L B S, Gauhati-1

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ২২

(খ) ১২

(গ) যুদ্ধোত্তৰ শিক্ষা পুনৰ্গঠনৰ কাৰণে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ প্ৰতিবেদন।

(ঘ) ৩-৬ বছৰ

(ঙ) উচ্চতৰ মাধ্যমিক

(চ) অক্ষম বা বিকলাঙ্গ

(ছ) মাতৃভাষা

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাক-প্ৰাথমিক শিক্ষা মানে হ'ল কণ কণ শিশুসকলৰ বাবে প্ৰৱৰ্তিত হোৱা শিক্ষা। চার্জেন্ট কমিটিয়ে পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত এই শিক্ষা প্ৰৱৰ্তন কৰিবলৈ মনোযোগ দিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাক প্ৰাথমিক শিক্ষাৰ বাবে বয়সৰ পৰ্যায় হ'ল ৩-৬ বছৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাগকেইটা হ'ল— নিম্ন বুনিয়াদী আৰু উচ্চ বুনিয়াদী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ চার্জেন্ট কমিটিৰ মতে প্ৰতি ৩০ জন শিক্ষাৰ্থীৰ বাবে নিম্ন বুনিয়াদীত এগৰাকী শিক্ষক থকাটো প্ৰয়োজন আৰু উচ্চ বুনিয়াদী স্তৰত ২৫ জনত এজন শিক্ষকৰ প্ৰয়োজন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ছোৱালীৰ বাবে পৰামৰ্শ দিয়া বিষয়বোৰ হ'ল— বন্ধন প্ৰণালী, কাপোৰ ধোৱা, বেজীৰ কাম, হস্তশিল্প, শিশু প্ৰতিপালন আৰু প্ৰাথমিক চিকিৎসা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ হাইস্কুলবোৰত এনেধৰণৰ শিক্ষাৰ্থীক নামভৰ্তি কৰাব লাগিব যিবিলাকৰ বয়সৰ ওপৰত দক্ষতা আছে আৰু উচ্চ শিক্ষা লাভৰ বাবে বিশেষভাৱে প্ৰৱণতা থাকে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ হাইস্কুলবোৰ দুইধৰণৰ হ'ব— বিদ্যায়তনিক আৰু কাৰিকৰী। বিদ্যায়তনিক হাইস্কুলবোৰৰ কাম হ'ব কলা আৰু প্ৰকৃত বিজ্ঞানৰ শিক্ষা দিয়া। আনহাতে কাৰিকৰী হাইস্কুলবোৰে প্ৰায়োগিক বিজ্ঞান, উদ্যোগ আৰু ব্যৱসায়িক বিষয়সমূহৰ প্ৰশিক্ষণ দিব।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ চার্জেন্ট কমিটিয়ে আঙুলিয়াই দিয়া উচ্চ শিক্ষাৰ আসোঁৱাহবোৰ আছিল— বিশ্ববিদ্যালয় শিক্ষাই সম্প্ৰদায়সমূহৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ লগত সম্পৰ্ক স্থাপন কৰিব পৰা নাই, উপযুক্ত নিৰ্বাচন প্ৰক্ৰিয়াৰ অভাৱ, পৰীক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ আৰু অকৃতকাৰ্যতাৰ উচ্চ হাৰ ইত্যাদি।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ অৰ্থে চার্জেন্ট কমিটিয়ে দিয়া পৰামৰ্শসমূহ আছিল— নামভৰ্তিকৰণ প্ৰক্ৰিয়াৰ সংশোধন, দক্ষতাসম্পন্ন শিক্ষক নিযুক্তি, শিক্ষক-শিক্ষাৰ্থীৰ মাজত সৌহাৰ্দপূৰ্ণতা সৃষ্টি কৰি ব্যক্তিগত সংস্পৰ্শ স্থাপন, শিক্ষকসকল সেৱাৰ মানদণ্ড উন্নতকৰণ আৰু পাৰিতোষিক বৃদ্ধিকৰণ ইত্যাদি।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰ্যায়বোৰ হ'ল— উচ্চ পৰ্যায়ৰ শ্ৰমিক বা কৰ্মচাৰী যিবিলাকে কাৰ্যবাহী আৰু গৱেষণাৰ কাম কৰে, নিম্ন পৰ্যায়ৰ কৰ্মচাৰী যেনে ফোৰমেন, ভাৰপ্ৰাপ্ত কৰ্মচাৰী, আন সাধাৰণ কৰ্মচাৰী আৰু প্ৰশাসনিক বিষয়াসকল, কৌশলী শিল্পকৰ্মী আৰু অৰ্ধকৌশলী বা অনাকৌশলী কৰ্মচাৰীসকল।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বয়স্ক শিক্ষা মানে ১০-৪০ বছৰ বয়সলৈ দিয়া শিক্ষাই সাধাৰণ আৰু বৃত্তিমুখী শিক্ষাক সামৰি ল'ব বুলি কৈছিল।

(খ) চার্জেন্ট প্ৰতিবেদনত পৰামৰ্শ দিয়া হৈছিল যে শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকলক শিক্ষা দিয়াৰ ব্যৱস্থা থাকিব লাগিব। তেওঁলোকক উৎপাদনমুখী কৰ্মৰ প্ৰশিক্ষণ দিব লাগিব যাতে ভৱিষ্যত জীৱনত ই সহায়ক হয়।

(গ) চার্জেন্ট কমিটিয়ে পৰামৰ্শ দিছিল যে যিবিলাক শিক্ষাৰ্থীয়ে শিক্ষা সম্পূৰ্ণ কৰিছে তেওঁলোকৰ বাবে নিয়োগ বুৰো বা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিব লাগে। ৰাজ্যিক চৰকাৰসমূহ আৰু বিশ্ববিদ্যালয়বোৰৰ নিজস্ব নিয়োগ বিনিময় কেন্দ্ৰ বা নিয়োগ বুৰো থাকিব লাগে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ চার্জেন্ট প্ৰতিবেদনখনেই হ'ল ভাৰতবৰ্ষৰ শিক্ষাৰ সকলো দিশক সামৰি লোৱা প্ৰথমখন বোধগম্য প্ৰতিবেদন। ই পৰামৰ্শ দিছিল যে সকলো শিক্ষাৰ্থীৰ বাবে সমান সুবিধাৰ ব্যৱস্থা থাকিব লাগে। প্ৰতিবেদনত শিক্ষকতা বৃত্তি, বয়স্ক শিক্ষা, স্বাস্থ্য শিক্ষা, শিক্ষকৰ দৰমহা আৰু সেৱাৰ অৱস্থা আৰু শাৰীৰিকভাৱে অক্ষম শিশুসকলৰ শিক্ষাৰ ওপৰত প্ৰয়োজনীয় গুৰুত্বতা দিয়াৰ পৰামৰ্শ দিছিল। কিন্তু আঁচনিখনৰ

বিভিন্ন দিশক সমালোচনা কৰা দেখা যায় যেনে, এইখন প্ৰকৃত প্ৰতিবেদন নহয়, প্ৰয়োগৰ কাৰণে ধৰি দিয়া ৪০ বছৰ সময় শিক্ষা আঁচনিৰ বাবে বহুত দীঘল সময় এই আঁচনিখন ইংলণ্ডত ব্যৱহাৰ হৈ থকা আঁচনিৰ প্ৰতিলিপি বা নকলহে। সেয়েহে এনেকুৱা ধাৰণা ভাৰতৰ কাৰণে আৰ্হি হ'ব নোৱাৰে কাৰণ দুয়োখন দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা সম্পূৰ্ণৰূপে বৈষম্যপূৰ্ণ তথা ভিন্নধৰণৰ।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ কেন্দ্ৰত এটা শিক্ষা বিভাগ স্থাপন কৰা হৈছিল, আঁচনিখন প্ৰয়োগ কৰাৰ বাবে প্ৰাদেশিক চৰকাৰসমূহক ৪০ কৌটি টকা দিয়া হৈছিল। বিশ্ববিদ্যালয় অনুদান কমিটি গঠন কৰা হৈছিল। পলিটেকনিক স্কুল আৰু সদৌ ভাৰত কাৰিকৰী শিক্ষা কমিটি দিল্লীত স্থাপন কৰা হৈছিল।



১৪.১১ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৯৪৪ চনৰ চার্জেণ্ট কমিটিৰ তাৎপৰ্য্য কি আছিল?

প্ৰশ্ন ২ ঃ চার্জেণ্ট কমিটিৰ গুণ আৰু দোষৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ চমুকৈ লিখক—

(ক) প্ৰাপ্তবয়স্ক শিক্ষা

(খ) শাৰীৰিক আৰু মানসিক বাধা গ্ৰস্তৰ বাবে শিক্ষা

(গ) শিক্ষাকৰ প্ৰশিক্ষণ

(ঘ) নিয়োগ ব্যৱস্থা

খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৯৪৪ চনৰ চার্জেণ্ট কমিটিৰ মূল পৰামৰ্শসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সন্দৰ্ভৰ চার্জেণ্ট কমিটিয়ে আগবঢ়োৱা পৰামৰ্শসমূহ কি কি আছিল? আঁচনিখন কি কি কাৰণত সমালোচিত হৈছে?

প্ৰশ্ন ৩ ঃ চার্জেণ্ট কমিটিয়ে কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা, বয়স্কসকলৰ শিক্ষা আৰু শাৰিৰীকভাৱে অক্ষমসকলৰ শিক্ষাৰ ক্ষেত্ৰত দিয়া মতামতসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ উচ্চ শিক্ষাৰ ওপৰত চার্জেণ্ট প্ৰতিবেদনে আগবঢ়োৱা প্ৰস্তাৱনাসমূহ বৰ্ণনা কৰক। কি কাৰণত প্ৰতিবেদনখন সমালোচিত হৈছে? পৰামৰ্শসমূহ কিমানদূৰ প্ৰয়োগ কৰা হৈছিল?

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

২) ডেকা, বীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী

৩) বৰুৱা যতীন ঃ *ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুকচ ষ্টল, গুৱাহাটী-১

৪) দাস, লক্ষ্যহীৰা ঃ *সম্পূৰ্ণ শিক্ষা*, সংগম প্ৰকাশ, গুৱাহাটী

ইংৰাজী গ্ৰন্থ ঃ

১) Chaube S P : *History of Indian Education*

২) Das L : *A Text Book of Education*

৩) Das, D. : *History of Indian Education*, Sribhumi Publication, Calcutta

৪) Mukherzee, S. N. : *Education in India To-day & Tommorrow*, A. B. Depot. Vadodora

৫) Nurullah, S. & Naik, S. P. : *History of Education in India during the British Period Macmillan India, 1951*

৬) Rawat P L : *History of Indian Education*, Ram Prasad and Sons, Agra-3